www.epaper.asombarta.in

PRGI REGD. NO. (Title) : ASSASS01389

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

‘ টেঙৰালিক লুকুৱাই ৰাখিব জনাটোৱেই হ’ল আটাইতকৈ ডাঙৰ টেঙৰালি।
---- ফৰাচী পটন্তৰ ---- ’

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

❒ ষষ্ঠ বছৰ ❒ সংখ্যা - ১৪৯ ❒ শুকুৰবাৰ ❒ ১১ জুলাই, ২০২৫ চন ❒ ২৬ আহাৰ, ১৯৪৭ শক ❒ VOL - 6 ❒ NO.- 149 ❒ Friday ❒ 11th July, 2025 ❒ মূল্য ঃ ১০.০০ টকা ❒ মুঠ পৃষ্ঠা ঃ ৮

### আজিৰ কলম

## জাতি ৰক্ষাৰ ভেঁটি ৰক্ষাৰ মহামূল্যবান কৱচ



শৰৎ চন্দ্ৰ চিৰিংফুকন

জাতি ৰক্ষাৰ কৱচ বুলি ক'লে ইয়াৰ মাজত আমি সামৰি লওঁ ভাষা, সাহিত্য, শিল্প-সংস্কৃতিৰ সেতু আৰু ভেঁটি ৰক্ষাৰ কৱচৰ জৰিয়তে শিক্ষা, সমাজ, সভ্যতা, স্বাভিমান আৰু আত্মমৰ্য্যাদা আদি। মানুহ হৈছে সামাজিক প্ৰাণী। সমাজ পাতি, বসতি বাহৰ পাতি সুখ-শান্তি-সম্প্ৰীতিৰ আওতাৰে কালাতিক্ৰম কৰাটো মানুহৰ স্বভাৱ আৰু ▸▸৬ পৃষ্ঠাত

## অসম চৰকাৰৰ কেবিনেট বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত

# মৃতদেহ বন্ধকত ৰাখিব নোৱাৰিব নাৰ্চিং হোমে

**অসম বাৰ্তা, গুৱাহাটী, ১০ জুলাই ঃ** বৃহস্পতিবাৰে অসম চৰকাৰৰ কেবিনেট বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা ঘোষণা কৰিছে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। সেই অনুসৰি হোজাই স্থিত ৰবীন্দ্ৰনাথ বিশ্ববিদ্যালয়ৰ নামকৰণ নতুনকৈ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। বিশ্ববিদ্যালয়খনৰ নতুন নাম হ'ব ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়। মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰা মতে দেশত একে নামৰে দুখন বিশ্ববিদ্যালয় হোৱাৰ বাবে ইউ জি চিয়ে বিশ্ববিদ্যালয়খনৰ নাম সলনি কৰাৰ বাবে অনুৰোধ জনাইছিল। সেই মৰ্মেই বিশ্ববিদ্যালয়খনৰ পূৰ্বৰ ৰবীন্দ্ৰনাথ নামটোৰ সৈতে সংযোজন কৰা হৈছে ঠাকুৰ শব্দটো। সেয়ে এতিয়াৰে পৰা বিশ্ববিদ্যালয়খনৰ নতুন নাম হ'ব ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়। ইফালে ৰাজ্যৰ যিসমূহ পৌৰ সভাৰ এলেকাত এক লাখতকৈ অধিক জনসংখ্যা আছে সেই পৌৰসভা সমূহত নতুনকৈ পদ সৃষ্টি কৰাৰ সন্দৰ্ভতো আজিৰ কেবিনেটত সিদ্ধান্তগ্ৰহণ কৰা হৈছে। এক লাখতকৈ অধিক জনসংখ্যা থকা পৌৰসভাত মেকানিকেল, এনভাৰ্মেণ্টেল আৰু চিভিল অভিযন্তাৰ পদ সৃষ্টি কৰা হ'ব। হাতী-মানুহৰ সংঘাত ৰোধ কৰাৰ বাবে গজমিত্ৰ আঁচনিৰ অধীনত গোৱালপাৰা, ওদালগুৰি, বা'ং, শোণিতপুৰ, আদি জিলাৰ মুঠ ৮০টা স্থান চিনাক্ত কৰা হৈছে। এই প্ৰতিটো স্থানত ৮ জনকৈ স্থানীয় লোকক লৈ গঠন কৰা হ'ব ৰেপিড এ'ন টীম। এই ৰেপিড এ'ন টীমে নিৰ্ধাৰিত স্থানসমূহত বাঁহ, নেপিয়াৰ ঘাঁহ আদি ৰোপণ কৰিব যাতে হাতীৰ খাদ্যৰ অভাৱ দূৰ হয়। তদুপৰি ছ'লাৰ ফেঞ্চিং লগোৱাৰো ব্যৱস্থা গ্ৰহণ কৰা হ'ব। মিছন বসুন্ধৰাৰ অধীনত ৩ হাজাৰৰো অধিক নামঘৰ, মন্দিৰ, বিদ্যালয়ৰ বাবে ভূমি আবণ্টন দিয়াৰ কথাও ঘোষণা কৰিছে মুখ্যমন্ত্ৰীগৰাকীয়ে। তেওঁ জনোৱা মতে অহা ১৪ আগষ্টৰ ভিতৰত এই প্ৰক্ৰিয়া সম্পূৰ্ণ হৈ উঠিব। আজিৰ কেবিনেটে গাওঁ প্ৰধানসমূহলৈয়ো ভাল খবৰ কঢ়িয়াই আনিছে। অহা ১ অ'ৌবৰৰ পৰা গাওঁপ্ৰধানসমূহে ৯ হাজাৰৰ পৰিবৰ্তে ১৪ হাজাৰ টকাকৈ দৰমহা লাভ কৰিব। যিসকল গাওঁপ্ৰধান বা গাওঁবুঢ়া ফৰেষ্ট অঞ্চলত আছে তেওঁলোকৰো দৰমহা বৃদ্ধি কৰা হ'ব। কেবিনেটে অসমৰ বিভিন্ন সত্ৰত থকা উদাসীন ভকতসকলকো ▸▸৬ পৃষ্ঠাত

### অক্টোবৰৰ পৰা বৃদ্ধি হ'ব গাঁও প্ৰধানৰ লগতে অংগনবাড়ী কৰ্মী, সহায়িকাৰ দৰমহা




## কৰ ফাঁকি দিয়াৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা ছয় ব্যক্তিৰ জামিন নাকচ

**অসম বাৰ্তা, পিএনচি, ১০ জুলাই ঃ** পৰিবহণ ব্যৱসায়ৰ লগত জড়িত থকা কৰ ফাঁকি দিয়াৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা ছয় ব্যক্তিৰ জামিনৰ আবেদন কামৰূপৰ মুখ্য ন্যায় দণ্ডাধীশে বুধবাৰে নাকচ কৰিছে। গোপন সূত্ৰৰ ▸▸৬ পৃষ্ঠাত

### ৰীল বনোৱাক কেন্দ্ৰ পিতৃ-কন্যাৰ সংঘাত

## পিতৃৰ হাতত গুলীবিদ্ধ হৈ টেনিছ খেলুৱৈৰ মৃত্যু



**অনলাইন ডেস্ক, অসম বাৰ্তা, ১০ জুলাই ঃ** বৃহস্পতিবাৰে গুৰুগ্ৰামত ৰীল বনোৱাক লৈ পিতৃৰ হাতত গুলীবিদ্ধ হৈ মৃত্যু টেনিছ খেলুৱৈ ৰাধিকা যাদৱে। উল্লেখযোগ্য যে এগৰাকী উদীয়মান টেনিছ খেলুৱৈ হিচাপে ইতিমধ্যে তেওঁ লাভ কৰিছিল যথেষ্ট খ্যাতি। তেওঁ ৰাজ্যিক পৰ্যায়ত লাভ কৰিছিল কেইবাটাও খিতাপ। অতি প্ৰতিভাৱান এই গৰাকী টেনিছ খেলুৱৈক লক্ষ্য কৰি পিতৃয়ে ৫ টাকৈ গুলী চলাইছিল। ইয়াৰে তিনিটা ▸▸৬ পৃষ্ঠাত

## বৰাকৰ যাতায়াতৰ দুৰ্গতি সন্দৰ্ভত প্ৰধানমন্ত্ৰীলৈ পত্ৰ গৌৰৱ গগৈৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১০ জুলাই ঃ** শেহতীয়া সময়ছোৱাত বাৰিষাৰ প্ৰকোপত বৰাক উপত্যকাত সৃষ্টি হৈছিল অভাৱনীয় পৰিস্থিতিৰ। বৰষুণ আৰু ভূমিস্খলনৰ ফলত বৰাকত যাতায়াত—পৰিবহণ ব্যৱস্থাৰ বিস্তৰ ক্ষতিসাধন হয়। উপত্যকাটোৰ এই পৰিস্থিতি সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এক পত্ৰ প্ৰেৰণ কৰিছে অসম কংগ্ৰেছৰ সভাপতি তথা যোৰহাটৰ সাংসদ গৌৰৱ গগৈয়ে। বৰাক উপত্যকাৰ সৈতে যাতায়াত তথা যোগাযোগৰ ব্যৱস্থাৰ অৱনতিত উদ্বেগ প্ৰকাশ কৰি কংগ্ৰেছ নেতাগৰাকীয়ে ভৱিষ্যতৰ প্ৰতি প্ৰতি লক্ষ্য ৰাখি এক সঠিক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। পত্ৰখনত গৌৰৱ গগৈয়ে বান তথা ভূমিস্খলনৰ ফলত ডিমা হাচাওৰ লামডিং-বদৰপুৰ ৰে'লপথত হোৱা ক্ষতিৰ কথা উল্লেখ কৰে। কেইবা সপ্তাহ ধৰি এই পথেৰে ৰে'ল সেৱা বন্ধ হৈ



থকাৰ বাবে হাজাৰ হাজাৰ লোক সমস্যাৰ সন্মুখীন হৈছে বুলি গৌৰৱ গগৈয়ে দোহাৰে। একে সময়তে ৬ নং ৰাষ্ট্ৰীয় ঘাইপথ, ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথ ▸▸৬ পৃষ্ঠাত

### অসমীয়া ভাষা অসমত আইনগত বিষয়
### আইনগতভাৱেই অসমীয়া ভাষা চলি থাকিব ঃ মুখ্যমন্ত্ৰী

## ভাষা কাৰো ব্লেকমেইলৰ স্বীকাৰ হ'ব নোৱাৰে

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহটী, ১০ জুলাই ঃ** সংখ্যালঘু নেতাই অসমীয়া ভাষাক লৈ জনোৱা প্ৰত্যাহ্বান সন্দৰ্ভত প্ৰতিক্ৰিয়া মুখ্যমন্ত্ৰী ডঞ্জ হিমন্ত বিশ্ব শৰ্মাৰ। "ভাষা কাৰো ব্লেকমেইলিঙৰ চিকাৰ হ'ব নোৱাৰে।" উল্লেখ্য যে এবিএমছুৰ নেতাই লোকপিয়লত নিজৰ ভাষা অসমীয়াৰ বিপৰীতে বাংলা লিখিম বুলি হুংকাৰ দি কৈছিল যে অসমীয়া ভাষা সংখ্যাগুৰু হৈ নাথাকে, সংখ্যালঘুলৈ পৰিণত



হ'ব। বাংলাভাষী মুছলমানে এইবাৰ লোকপিয়লত অসমীয়া নিলিখে বুলি মন্তব্য কৰিছিল। এই সন্দৰ্ভত বৃহস্পতিবাৰে গুৱাহাটীত সংবাদ মাধ্যমৰ আগত প্ৰতিক্ৰিয়া ব্যক্ত কৰি মুখ্যমন্ত্ৰীয়ে কয়, "অসমীয়া ভাষা আমাৰ ৰাজ্যিক ভাষা হৈ থকাটো এটা আইনগত অধিকাৰ। অসমত ৰাজ্যিক ভাষা বা অফিচিয়েল ভাষা অসমীয়া থাকিব। সেইটো ইতিমধ্যে সাংবিধানিকভাৱে ▸▸৬ পৃষ্ঠাত

### শিৱসাগৰত হৃদয় বিদাৰক ঘটনা

## ৫০ হাজাৰ টকাত বিক্ৰী নৱজাতক



**অসম বাৰ্তা, শিৱসাগৰ, ১০ জুলাই ঃ** শিৱসাগৰত সংঘটিত হৈছে হৃদয় বিদাৰক ঘটনা। পৰিয়ালৰ লোকে ৫০ হাজাৰ টকাত নৱজাতকক বিক্ৰী কৰাৰ অভিযোগ। আনহাতে, শিশু বিক্ৰীৰ ঘটনাত আশাকৰ্মী জড়িত থকাৰ অভিযোগ উত্থাপন হৈছে। ঘটনাৰ বিৱৰণী অনুসৰি, শিৱসাগৰ নগৰৰ সমীপৰ জনৈক গগৈ নামৰ এজন লোকৰ ▸▸৬ পৃষ্ঠাত

## অখিল গগৈ য'তে তাতে গণ্ডগোল

■ গোৱালপাৰাৰ পৰিৱেশ বিনষ্ট নকৰিবলৈ অখিলক সকীয়নি ড° প্ৰকাশ কাশ্যপৰ ■

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১০ জুলাই ঃ** অখিল গগৈ য'তে তাতে গণ্ডগোল। অখিল গগৈয়ে ধুবুৰী বা গোৱালপাৰা জিলাত শান্তি স্থাপনৰ বাবে অহা নাছিল। আহিছিল মুছলমান লোকসকলক উচটাবলৈ। কাৰণ অখিলক লাগে মুছলমানৰ ভোট আৰু সেইবাবে ধুবুৰী আৰু গোৱালপাৰাত ▸▸৬ পৃষ্ঠাত



## এআইইউডিএফৰ ৯ গৰাকী বিধায়কক আটক

### উচ্ছেদৰ বিৰুদ্ধে প্ৰতিবাদ

**অসম বাৰ্তা, ধুবুৰী, ১০ জুলাই ঃ** বিলাসীপাৰাৰ চাপৰত বৃহস্পতিবাৰে উচ্ছেদস্থলী উপস্থিত হৈ উচ্ছেদিতৰ খবৰ লয় এ আই ইউ ডি এফৰ ৯ জনকৈ বিধায়কে। লগতে এই উচ্ছেদৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। আনহাতে, বিলাসীপাৰাৰ চিৰাকুটা ঈদগাহ ময়দানত বিভিন্ন দল-সংগঠন আৰু ৰাইজৰ সহযোগত বিশাল প্ৰতিবাদী জনসভা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখ্য যে মঙলবাৰে চাপৰ ৰাজহ চক্ৰৰ অন্তৰ্গত চিৰাকুটা চৰুৱাবাখৰা আৰু সন্তোষপুৰত ৩৫০০ বিঘা চৰকাৰী ভূমিত বসবাস কৰা ১, ০৬৯টা পৰিয়ালক উচ্ছেদ কৰে অসম



চৰকাৰে। উচ্ছেদৰ পিছত এতিয়া উচ্ছেদিত পৰিয়ালবোৰে প্ৰখৰ ৰ'দ আৰু বৰষুণৰ মাজত জীৱন নিৰ্বাহ কৰি আছে। উক্ত পৰিয়ালসমূহক উপযুক্ত ক্ষতিপূৰণ ▸▸৬ পৃষ্ঠাত

### ১৯খন ৰাজ্যলৈ এছডিআৰএফ আৰু এনডিআৰএফৰ পৰা ৮, ০০০ কোটি টকা

## বানপানী, ভূমিস্খলনত ক্ষতিগ্ৰস্ত ৰাজ্যৰ বাবে ১,০৬৬.৮০ কোটি টকাৰ সাহায্য

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১০ জুলাই ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বৃহস্পতিবাৰে কয় যে কেন্দ্ৰীয় চৰকাৰে এই বছৰ বানপানী আৰু ভূমিস্খলনৰ পৰা ক্ষতিগ্ৰস্ত ৰাজ্যৰ বাবে ১, ০৬৬.৮০ কোটি টকাৰ সাহায্যৰ অনুমোদন জনাইছে। এই ধন ৰাজ্যিক দুৰ্যোগ প্ৰতিকাৰ নিধিৰ কেন্দ্ৰীয় অংশৰ অধীনত ছয়খন ৰাজ্যলৈ বিতৰণ কৰা হ'ব— অসম, মণিপুৰ, মেঘালয় ▸▸৬ পৃষ্ঠাত



## ধাৰাবাহিক উচ্ছেদৰ বিৰুদ্ধে আপৰ প্ৰতিবাদ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১০ জুলাই ঃ** ৰাজ্যখনত ধাৰাবাহিকভাৱে চলি থকা বৃহৎ উচ্ছেদ অভিযানৰ তীব্ৰ বিৰোধিতা কৰিছে আম আদমি পাৰ্টী, অসম য়ে। ইয়াৰ প্ৰতিবাদত আৰু উচ্ছেদিত লোকৰ ক্ষতিপূৰণ আৰু পুনঃসংস্থাপনৰ দাবীত ▸▸৬ পৃষ্ঠাত

## ভূমিস্খলন, বানত বিধ্বস্ত হিমাচল ঃ মৃত্যুৰ সংখ্যা ৮৫ লৈ বৃদ্ধি

### সন্ধানহীন বহু সংখ্যক লোক ঃ ৮০০ কোটি টকাৰ সা-সম্পত্তিৰ ক্ষতিসাধন



**অনলাইন ডেস্ক, অসম বাৰ্তা, ১০ জুলাই ঃ** বিগত ২০ জুনৰ পৰা আৰম্ভ হোৱা বৰষুণৰ ফলত উত্তৰ পাহাৰীয়া ৰাজ্য হিমাচল প্ৰদেশত ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। যুদ্ধৰকালীন তৎপৰতাত চলিছে উদ্ধাৰৰ কাম। বিগত কিছুদিনৰ পৰা হোৱা ধাৰাবাহিকভাৱে বৰষুণৰ ফলত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে মাণ্ডী জিলা। ইতিমধ্যে বতৰ বিজ্ঞান বিভাগে হিমাচল প্ৰদেশৰ বিভিন্ন প্ৰান্তত ৰেড এলাৰ্ট জাৰি কৰিছে। অব্যাহত থাকিব বৰষুণ। ফলত আগন্তুক দিনত হিমাচল প্ৰদেশত বিপদ আৰু অধিক বৃদ্ধি পাব বুলি বিশেষজ্ঞসকলে অনুমান কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, পাহাৰীয়া এই ৰাজ্যখনত এতিয়ালৈকে প্ৰায় ৮০০ কোটি টকাৰ সা-সম্পত্তিৰ ক্ষতিসাধন হৈছে। ভূমিস্খলনৰ ফলত হিমাচলৰ বহু পথ অৱৰোধ হৈ পৰিছে। ফলত বহু ▸▸৬ পৃষ্ঠাত

## ১৬ জুলাইত বকোত ৰাহুল গান্ধী, মল্লিকাৰ্জুন খৰ্গেৰ বিশাল জনসভা

**অসম বাৰ্তা, বকো, ১০ জুলাই ঃ** ১৬ জুলাইত অসমৰ বকো ছয়গাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত বনগাঁও ▸▸৬ পৃষ্ঠাত



## ২০০৩ চনৰ আগৰে পৰা বি টি আৰত থকা লোকে লাভ কৰিব ভূমি পট্টা

**অসম বাৰ্তা, বাক্সা, ১০ জুলাই ঃ** বৃহস্পতিবাৰে বাক্সা জিলাৰ বৰিমাখাত এখন হিতাধিকাৰী সন্মিলনত অংশ লৈ প্ৰমোদ বড়োৱে কয় যে- "মই ৰাজনীতি কৰি নেতা হ'বলৈ ▸▸৬ পৃষ্ঠাত




## লিভ ইন সম্পৰ্কৰ ভয়াৱহ পৰিণতি !
## আত্মহনন যুৱকৰ, সংকটজনক অৱস্থাত যুৱতী

### প্ৰেম পৰিণত হ'ল বিষলৈ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১০ জুলাই ঃ** গুৱাহাটীৰ কাহিলীপাৰাত কল্যাণী নগৰত বৃহস্পতিবাৰে পুৱা ভাড়াঘৰত একেলগে থকা এহাল যুৱক-যুৱতীয়ে আত্মহত্যাৰ প্ৰয়াস কৰে। নৱজ্যোতি তালুকদাৰ





নামৰ লোকজনৰ মৃত্যুক সাবটি লোৱাৰ পিছতে তেওঁৰ সংগী সুস্মিতাই দাসক সংকটজনক অৱস্থাত চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। জানিব পৰা মতে প্ৰায় এবছৰ ধৰি দুয়োৰে মাজত লিভ ইন সম্পৰ্ক আছিল। দুয়োৰে মাজত বহুসময় ধৰি সম্পৰ্কত উত্তেজনাই বিৰাজ কৰিছিল। সঘনাই হোৱা কাজিয়া আৰু ভুল বুজাবুজি ▸▸৬ পৃষ্ঠাত

### অমৃতকালৰ বিকশিত ভাৰতৰ স্বপ্ন বাস্তৱায়িত কৰাত যুৱচামে নেতৃত্ব দিব লাগিবঃ মুখ্যমন্ত্ৰী

# গোৰেশ্বৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্‌যাপনৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ

**দিছপুৰ, পিএনচি. ১০ জুলাই ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি তামুলপুৰ জিলাৰ গোৰেশ্বৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্যাপনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি শিক্ষাৰ্থীসকলক অত্যাধুনিক তথ্য প্ৰযুক্তিৰ জ্ঞান আহৰণেৰে অমৃতকালৰ সুযোগ্য সন্তান হিচাপে নিজকে গঢ়িবলৈ আহ্বান জনায়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ডº শৰৎ চন্দ্ৰ পাটোৱাৰীৰ লগতে মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ সৈতে জড়িত বিশিষ্ট ব্যক্তিসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। তেওঁ লগতে মহাবিদ্যালয়খনৰ বৰ্তমানৰ অধ্যক্ষকে ধৰি পাঁচ দশকৰ দীঘলীয়া সময়ছোৱাত শিক্ষানুষ্ঠানখনৰ সৈতে জড়িত হোৱা প্ৰতিগৰাকী অধ্যাপক-অধ্যাপিকা, বৰ্তমানৰ আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীৰ লগতে গোৰেশ্বৰবাসীক অভিনন্দন জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে ৫ দশক পূৰ্বে উচ্চশিক্ষাৰ পোহৰেৰে উজ্জ্বলাই তুলিবলৈ অঞ্চলটোৰ বিদ্যানুৰাগীসকলে চলোৱা আশাশুধীয়া প্ৰচেষ্টাৰ ফলত ১৯৭৪ চনৰ ২৯ আগষ্ট তাৰিখে প্ৰতিষ্ঠা হোৱা গোৰেশ্বৰ মহাবিদ্যালয়ে ১৯৮৫ চনত চৰকাৰৰ অনুমোদন লাভ কৰে তথা ২০০৫ চনত মহাবিদ্যালয়খন প্ৰাদেশিকীকৰণ কৰা হয়। তেওঁ মন্তব্য কৰে যে সম্প্ৰতি এখন পূৰ্ণাংগ পৰ্যায়ৰ মহাবিদ্যালয়ৰ ৰূপত এই শিক্ষানুষ্ঠানখন সমগ্ৰ বড়োলেণ্ড অঞ্চলৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান হিচাপে উজলি উঠিছে। ৰাজ্যৰ শৈক্ষিক ক্ষেত্ৰখনত গোৰেশ্বৰ মহাবিদ্যালয়ে বিগত সময়ছোৱাত উৎকৃষ্ট মানৰ সম্পদ সৃষ্টিৰ কমাৰশাল হিচাপে নিজকে গঢ়ি তুলিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে এই দীৰ্ঘ পৰিক্ৰমাত বহু গুণী-জ্ঞানী শিক্ষাগুৰুৱে জ্ঞান আৰু প্ৰজ্ঞাৰে মহাবিদ্যালয়খনক নতুন পোহৰেৰে জিলিকাই আহিছে। মহাবিদ্যালয়খনৰ বহুকেইগৰাকী প্ৰাক্তন শিক্ষাৰ্থীয়ে অসম মাতৃৰ গৌৰৱ বৃদ্ধি কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে এই মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ বিশ্বজিৎ দৈমাৰীয়ে অসম বিধানসভাৰ সন্মানীয় অধ্যক্ষ পদ অলংকৃত কৰিছে। তদুপৰি, মহাবিদ্যালয়খনৰ বহুকেইগৰাকী প্ৰাক্তন শিক্ষাৰ্থীয়ে ৰাজ্যৰ বিভিন্ন মহাবিদ্যালয়-বিশ্ববিদ্যালয়ত শিক্ষকতাৰ সন্মানীয় বৃত্তিত জড়িত হোৱাৰ লগতে অসমৰ কলা-সংস্কৃতিকে ধৰি ন্যায়িক আৰু প্ৰশাসনিক ক্ষেত্ৰলৈও বৰঙনি যোগাইছে। এটা অঞ্চলৰ শৈক্ষিক দিশকে ধৰি আৰ্থ-সামাজিক উত্তৰণত একোখন শিক্ষানুষ্ঠানে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এখন শিক্ষানুষ্ঠান কেৱল অধ্যয়নৰ স্থলীয়েই নহয়, ই হৈছে সামাজিক উত্তৰণৰো মূল আধাৰ। গুৰু-শিষ্যৰ মহামিলনৰ কেন্দ্ৰস্থল একোখন শিক্ষানুষ্ঠানে এখন সুস্থ সমাজ গঢ়ে বুলি উল্লেখ কৰি তেওঁ কয় যে বিগত সময়ছোৱাত গোৰেশ্বৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ সফলতাই অঞ্চলটোৰ লগতে ৰাজ্যখনক গৌৰৱান্বিত কৰিছে। তেওঁ লগতে কয় যে পৰিৱৰ্তিত পৰিস্থিতিৰ সৈতে খাপ-খুৱাই আগুৱাই যাবলৈ গোৰেশ্বৰ মহাবিদ্যালয়ে আহিবলগীয়া দিনবোৰত আৰু অধিক সু-পৰিকল্পিত পদক্ষেপৰে আগুৱাই যাব লাগিব যাতে মহাবিদ্যালয়খনৰ শিক্ষাৰ্থীসকলৰ সম্ভাৱনীয়তা আৰু সামৰ্থ পূৰ্ণ ৰূপত বিকশিত হৈ উঠিব পাৰে। মুখ্যমন্ত্ৰী ডº শৰ্মাই কয় যে ২০৪৭ চনৰ ভিতৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এখন বিকশিত ভাৰতবৰ্ষ নিৰ্মাণৰ সপোন দেখিছে। দেশৰ অমৃতকালৰ এই সময়চোৱাত বিকশিত ভাৰতৰ স্বপ্ন বাস্তৱায়িত কৰাত যুৱচামে নেতৃত্ব দিব লাগিব। তেওঁ কয় যে ভাৰতীয় পৰম্পৰাগত শিক্ষা ব্যৱস্থাৰ সৈতে সম্প্ৰতি আধুনিক ব্যৱস্থাৰাজি সংযোজিত হৈছে আৰু দেশৰ শিক্ষা ব্যৱস্থা সলনি হৈছে। যাৰ ফলস্বৰূপে তথ্য প্ৰযুক্তিৰ গুৰুত্ব যথেষ্ট দ্ৰুতগতিত বৃদ্ধি পাইছে। প্ৰায় সকলোৰে হাত থকা মোবাইল ফোনটো জ্ঞানৰ ভাণ্ডাৰলৈ ৰূপান্তৰিত হৈছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কৃত্ৰিম বুদ্ধিমত্তা আৰু আধুনিক প্ৰযুক্তিসমূহে জ্ঞান আহৰণৰ যাত্ৰা অধিক খৰতকীয়া কৰিছে। তেওঁ কয় যে সম্প্ৰতি মানুহৰ চিন্তাতকৈ প্ৰযুক্তি আগলৈ গতি কৰিছে। ইয়াৰে অন্যতম নিদৰ্শন হৈছে চিকিৎসা ক্ষেত্ৰত ইতিমধ্যে জনপ্ৰিয় হ'বলৈ ধৰা তথা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত কিছুদিন পূৰ্বে মুকলি কৰা ৰ'বটিক ছাৰ্জাৰীৰ দৰে অত্যাধুনিক অস্ত্ৰোপচাৰৰ দৰে ব্যৱস্থাসমূহ। প্ৰযুক্তিয়ে একপ্ৰকাৰ সমগ্ৰ পৃথিৱীখনকে আজি গ্ৰাস কৰিছে বুলি মন্তব্য কৰি তেওঁ কয় যে ছাত্ৰ সমাজে প্ৰযুক্তিৰ সৈতে খোজ মিলাই আগবাঢ়িলেহে সময়ৰ গতিত নিজকে সুপ্ৰতিষ্ঠিত কৰিব পাৰিব। আজিৰ সমাজত কৃত্ৰিম বুদ্ধিমত্তা, মেচিন লাৰ্নিং, অগমেণ্টেড ৰিয়েলিটি, ডাটা এনালিটি'ৰ দৰে প্ৰযুক্তিসমূহৰ বহুল ব্যৱহাৰ হ'বলৈ ধৰিছে। আধুনিক এই তথ্য-প্ৰযুক্তিৰ সৈতে যাতে গোৰেশ্বৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকল পৰিচিত আৰু উপকৃত হয় তাৰ বাবে মুখ্যমন্ত্ৰীয়ে মহাবিদ্যালয়খনৰ শিক্ষক আৰু শিক্ষাৰ্থীসমাজক চিন্তন আৰু মন্থন কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে কলা, বাণিজ্য অথবা বিজ্ঞান যিকোনো শাখাতে অধ্যয়ন কৰিলেও তথ্য-প্ৰযুক্তিৰ সৈতে শিক্ষাৰ্থীসকল সুপৰিচিত হ'লেহে শিক্ষানুষ্ঠানত তেওঁলোকে আহৰণ কৰা জ্ঞান ভৱিষ্যতৰ কৰ্মক্ষেত্ৰত প্ৰাসংগিক হৈ থাকিব। কৃত্ৰিম বুদ্ধিমত্তাৰ দৰে আধুনিক বিষয়সমূহৰ ওপৰত মহাবিদ্যালয়ৰ পৰিসৰত যাতে চৰ্চা হয় তাৰ বাবে মুখ্যমন্ত্ৰীয়ে গোৰেশ্বৰ মহাবিদ্যালয়ৰ শিক্ষকসমাজক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে আজিৰ প্ৰতিযোগিতামূলক বিশ্বত শিক্ষানুষ্ঠানত আহৰণ কৰা জ্ঞানৰ উচিত মূল্য লাভ কৰিবলৈ হ'লে বজাৰ চাহিদা সম্পৰ্কেও শিক্ষাৰ্থীসকল পৰিচিত হ'ব লাগিব। সমসাময়িক বিশ্বৰ সৈতে খাপখোৱাকৈ গুৱাহাটী বিশ্ববিদ্যালয়ে পাঠ্যপুথি প্ৰণয়নৰ ব্যৱস্থা কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বড়োলেণ্ড বিশ্ববিদ্যালয়েও অনুৰূপ পদক্ষেপ গ্ৰহণ কৰিলে বিশ্ববিদ্যালয়খনৰ অধীনস্থ ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট উপকৃত হ'ব। মুখ্যমন্ত্ৰীয়ে গোৰেশ্বৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ উৎকৰ্ষৰ সৈতে সংগতি ৰাখি মহাবিদ্যালয়খনত 'ছফট্ লাৰ্নিং' পাঠ্যক্ৰমত মনোনিবেশ কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে মহাবিদ্যালয়খনে শিক্ষাৰ্থীসকলৰ বাবে কম্পিউটাৰ শিক্ষা, স্প'কেন ইংলিছ আৰু ব্যক্তিত্ব বিকাশৰ পাঠ্যক্ৰম আৰম্ভ কৰিলে ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট লাভান্বিত হ'ব। গোৰেশ্বৰ মহাবিদ্যালয়ত বিজ্ঞান শাখা মুকলি কৰাৰ ক্ষেত্ৰত বিভিন্নজনে জনাই অহা আহ্বানৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰীভাৱে এই মহাবিদ্যালয়ৰ বিজ্ঞান শাখা মুকলিৰ বাবে অনুমতি জনোৱা হ'ব আৰু এইবছৰ শেষৰফালে শিক্ষকৰ পদৰ বাবে অনুমোদন জনোৱা হ'ব। এই ক্ষেত্ৰত চৰকাৰী বিধি-ব্যৱস্থাৰ মাজেৰে পদ নিয়মীয়াকৰণৰ পৰিৱৰ্তে প্ৰযোজ্য হোৱা নিযুক্তি প্ৰক্ৰিয়াৰ মাজেৰে অধ্যাপক-অধ্যাপিকা নিযুক্তি দিয়া হ'ব বুলি তেওঁ কয়। ইয়াৰ লগতে গোৰেশ্বৰ ৰে'লৱে লাইনত এখন উৰণ সেতু নিৰ্মাণৰ দীৰ্ঘদিনীয়া দাবী সংক্ৰান্তত মুখ্যমন্ত্ৰীয়ে কয় যে ইতিমধ্যে ৰে'ল মন্ত্ৰণালয়ে আপত্তিবিহীন প্ৰমাণপত্ৰ (এনঅচি) প্ৰদান কৰিছে আৰু অতি শীঘ্ৰে এখন উৰণ সেতু নিৰ্মাণৰ যাৱতীয় পদক্ষেপ লোৱা হ'ব বুলি তেওঁ কয়। তদুপৰি গোৰেশ্বৰৰ অতি গুৰুত্বপূৰ্ণ মহৰীচুকৰ পৰা বগামাটিলৈ যোৱা পথটো নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে অনুমোদন জনাইছে আৰু ইয়াৰ নিবিদা প্ৰক্ৰিয়া চলি আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অহা অক্টোবৰ-নৱেম্বৰ মাহৰ পৰা এই পথচোৱা নিৰ্মাণৰ কাম আৰম্ভ হ'ব। আজি এই অনুষ্ঠানত হস্ততাঁত আৰু বস্ত্ৰশিল্প আদি বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, অসম প্ৰদেশ ভাৰতীয় জনতা পাৰ্টিৰ সভাপতি তথা দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, বিধায়ক ভবেশ কলিতা, গোৰেশ্বৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ প্ৰমোদ মেধিৰ উপৰি বড়ো সাহিত্য সভাৰ সভাপতি ড০ সুৰথ নাৰ্জাৰী তথা জিলা আয়ুক্ত পংকজ চক্ৰবৰ্তী প্ৰমুখ্যে শীৰ্ষ বিষয়া আৰু গণ্য-মান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। গোৰেশ্বৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদ্যাপনৰ সামৰণি অনুষ্ঠানত অংশ লোৱাৰ পূৰ্বে মুখ্যমন্ত্ৰী ড০শৰ্মাই আজি তামুলপুৰ জিলাৰ গুৰমৌত নৱনিৰ্মিত বাথৌ মন্দিৰৰ শুভ উদ্বোধন উপলক্ষে আয়োজিত মাংগলিক অনুষ্ঠানতো অংশগ্ৰহণ কৰে। বাথৌ মন্দিৰে বড়ো সমাজৰ আধ্যাত্মিক জীৱনধাৰা শক্তিশালী কৰি আহিছে বুলি অনুষ্ঠানত উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে শতাধিক বাথৌ থানচালি নিৰ্মাণৰ বাবে সহায়-সহযোগিতা আগবঢ়াইছে। ভাষণত মুখ্যমন্ত্ৰীয়ে জাতি-জনগোষ্ঠীসমূহৰ স্বকীয় পৰিচয় ৰক্ষা কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে কয় যে দিছপুৰৰ মন্ত্ৰী আৱাসৰ পৰিসৰত এখন বাথৌ থানচালি নিৰ্মাণৰ সিদ্ধান্ত লোৱা হৈছে। তেওঁ গুৰমৌত বাথৌ মন্দিৰ চৌহদতে থকা শ্ৰীশ্ৰীজগন্নাথ মন্দিৰটো সেৱা আগবঢ়ায়।

## গোলাঘাটৰ জামুগুৰিত যুৱক সন্ধানহীন

**মেৰাপানী, নিজা প্ৰতিবেদক, ১০ জুলাই ঃ** গোলাঘাট জিলাৰ জামুগুৰি আৰক্ষী থানাৰ অন্তৰ্গত মাটিখোলা বামুণ চুকৰ নিবাসী যোগেন গগৈৰ পুত্ৰ কমল গগৈ (৩৬) (মানসিক ৰোগী) ৭ জুলাই তাৰিখে ফৰকাটিং তিৰুৱাল গাঁও স্থিত সৰু ভায়েকৰ ঘৰত ফুৰিবলৈ গৈ পুৱা চাৰি বজাত সন্ধানহীন হয়।আনহাতে পৰিয়ালৰ লোকে ফৰকাটিং আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে যদিও বৰ্তমানেও যুৱক জনৰ কোন সন্ধান পোৱা নাই।কোন সদাশয় লোকে যুৱকজন সন্ধান পালে 8638097284 নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে অনুৰোধ জনাইছে।উল্লেখ্য যে যুৱকজন ভায়েক কৰ্মসূত্ৰে ফৰকাটিং তিৰুৱাল গাঁৱত থাকে আৰু ভায়েকৰ ঘৰলৈ গৈ উক্ত দিনা পুৱা শুই থকা অৱস্থাৰ পৰাই যুৱক জন সন্ধানহীন হয়।

## ৰূপহীহাটৰ ভূৰবন্ধাত বুজন পৰিমাণৰ ড্ৰাগছসহ আটক মহিলা

**অসম বাৰ্তা ৰূপহীহাট, ১০ জুলাই ঃ** ৰূপহীহাটত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিয়ান অব্যাহত আছে ।আজি সন্দিয়া আমবাগান আৰক্ষীয়ে এক গোপন সূত্ৰৰ পম খেদি ৰূপহীহাটৰ ভূৰবন্ধাত ড্ৰাগছৰ বিৰুদ্ধে চলাই এক অভিয়ান । আৰক্ষীৰ অভিয়ানত দুটা চাবোনৰ বাকচ ভৰ্তি ড্ৰাগছসহ জব্দ কৰে ২৩৬ টা খালি কন্টেইনাৰ লগতে আটক কৰে মহিলা ড্ৰাগছ সৰবৰাহকাৰী ৰাবিয়া খাতুনক ।ৰাবিয়া খাতুনৰ স্বামী আব্দুল মালেক আৰক্ষী যোৱাৰ উমান পাই পলায়ন কৰে । স্বামী-স্ত্ৰী মিলি দীৰ্ঘদিন ধৰি গেলামালৰ দোকানত ড্ৰাগছৰ ৰমৰমীয়া বেহা চলাই আছিল ।আৰক্ষীয়ে জব্দ কৰা ড্ৰাগছখিনিৰ ওজন ২০ গ্ৰাম । আমবান আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত মহিলা গৰাকীক জেৰা অব্যহত ৰাখিছে।

## ডিব্ৰুগড়ত সাধুকথা কোৱা প্ৰতিযোগিতা সম্পন্ন ঃ অৰ্ধ শতাধিক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ

**ষ্টাফ ৰিপৰ্টাৰ ডিব্ৰুগড, ১০ জুলাই ঃ** ডিব্ৰুগড় সাহিত্য সভাৰ কুঁহি উপ-সমিতিৰ উদ্যোগত সাধুকথা কোৱাৰ কৰ্মশালা অনুষ্ঠিত হোৱা পাছত আজি (১০-৭-২০২৫) ছাত্ৰ ছাত্ৰী সকলৰ মাজত সাধুকথা কোৱাৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়।ডিবৰু সাংস্কৃতিক কেন্দ্ৰত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাৰ পূৰ্বে কুঁহি উপ-সমিতিৰ সহকাৰী আহ্বায়িকা চিত্ৰামণি হাজৰিকাই আঁত ধৰা অনুষ্ঠানত প্ৰতিযোগিতাৰ শুভাৰম্ভ কৰে ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁইয়ে। অনুষ্ঠানত ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি বিশিষ্ট গল্পকাৰ জ্যোতি বৰগোহাঁই, কুঁহি উপ-সমিতিৰ আহ্বায়িকা ডº ৰুণুমা শৰ্মা, ডিব্ৰুগড় সাহিত্য সভাৰ সহকাৰী সম্পাদক মীনাক্ষী দাস বৰুৱা, ডিবৰু লোক সাংস্কৃতিক কেন্দ্ৰৰ অধ্যক্ষ তথা বিশিষ্ট লোকবাদ্য সাধক জিতেন দাসসহ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ 'ক' শাখা আৰু পঞ্চম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈকে 'খ' শাখাত অনুষ্ঠিত হোৱা সাধুকথা প্ৰতিযোগিতাত প্ৰায় অৰ্ধ শতাধিক ছাত্ৰ ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ 'ক' শাখাত ভাব্য বৰুৱাই প্ৰথম পুৰস্কাৰ, প্ৰজ্ঞাশ্ৰী চুতীয়াই দ্বিতীয় পুৰস্কাৰ আৰু তৃতীয় পুৰস্কাৰ যুটীয়াভাৱে লাভ কৰে ভাৰ্ষিতা সোণোৱাল আৰু জিকমিক দাসে। আনহাতে 'খ'- শাখাত ফাগুনী মুণ্ডাই প্ৰথম , ৰসিত বৰপাত্ৰ গোহাঁইয়ে দ্বিতীয় আৰু সিদ্ধাৰ্থ শংকৰ ৰয়ে তৃতীয় পুৰস্কাৰ লাভ কৰে। প্ৰতিযোগিতাৰ পুৰস্কাৰপ্ৰাপ্ত সকলক ডিব্ৰুগড় সাহিত্য সভা ভৱনত অনুষ্ঠিত হ'ব লগা বিশেষ কাৰ্যসূচীত পৰৱৰ্তী সময়ত পুৰস্কাৰ সমূহ প্ৰদান কৰা লগতে সাধু কোৱা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা সকলোকে ডিব্ৰুগড় সাহিত্য সভাৰ তৰফৰ পৰা মানপত্ৰ প্ৰদান কৰিব বুলি সম্পাদক ৰাতুল বুঢ়াগোহাঁইয়ে জানিবলৈ দিয়ে। প্ৰতিযোগিতাৰ শেষত ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোহাঁইয়ে অংশগ্ৰহণকাৰী সকলৰ উদ্দেশ্যে বক্তব্য প্ৰদান কৰা লগতে সাধুকথাৰ জৰিয়তে ছাত্ৰ ছাত্ৰী সকলৰ নৈতিক শিক্ষা , ভাষা আৰু কল্পনা শক্তি বৃদ্ধি কৰা বুলি উল্লেখ কৰি লগতে সাধুকথাই এটা জাতিৰ অতীতৰ সংস্কৃতি আৰু মূল্যবোধক জীয়াই ৰখাত সহায় কৰে বুলি কয়। তেওঁ উপস্থিত থকা অভিভাৱক সকলক নিজৰ সন্তানক সাধু কোৱাৰ অভ্যাস গঢ়ি তুলিবলৈ আহ্বান জনায়। শেষত শলাগৰ শৰাই আগবঢ়ায় সহকাৰী সম্পাদক মীনাক্ষী দাস বৰুৱাই।

## যোৰহাটত শুভচিন্তা গোটৰ 'জোনাকী বাটেৰে' বুলেটিন উন্মোচন

**পশ্চিম যোৰহাটৰ প্ৰতিবেদক, ১০ জুলাই ঃ** শুদ্ধচিন্তা গোটৰ প্ৰীতি সন্মিলনৰ লগত সংগতি ৰাখি বুলেটিন আৰু মুখপত্ৰৰ উন্মোচনৰ সভা অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰাংগণত দুলীয়াজানৰ ৰূপল নাথৰ সভাপতিত্বত অনুষ্ঠিত হয়। বুলেটিন উন্মোচন কৰে মোলান চন্দ্ৰ লচকৰে আৰু মুখপত্ৰ 'শুভচিন্তাৰ জোনাকী বাটেৰে' উন্মোচন কৰে দ্বিজেন্দ্ৰনাথ শৰ্মাই। তিনিচুকীয়াৰ দেৱজিৎ ভৰালীয়ে আঁতধৰা সভাখনত কুঁহিপাত সাহিত্য চৰ্চা গোটৰ মুখ্য প্ৰশাসক কবিতা গগৈ বৰগোহাঁই উপস্থিত থাকে। যোৰহাটৰ ঐতিহ্য সম্পৰ্কে অংশুমালী ফুকনে কোৱাৰ লগতে জ্যোতিকা ডেকা, শাশ্বতী প্ৰিয়দৰ্শিনী, জ্যোতিপ্ৰভা দাসে গীত পৰিৱেশন কৰে। কুঞ্জ ফুকন, কংকনা ৰাজখোৱা, মণিকা শৰ্মা, দেৱজিৎ ভৰালী, গুণেন্দ্ৰ ফুকন, জ্যোতিমণি শইকীয়া, অংশুমালী ফুকন, ৰঞ্জন গোস্বামী, ৰাতুল শৰ্মা, ৰূপল নাথে কবিতা পাঠ-আবৃত্তি কৰে। যোৰহাটৰ জ্যোতিমণি শইকীয়া, অংশুমালী ফুকনৰ আমন্ত্ৰণত ৭ জুলাইত অনুষ্ঠিত সভাখনত গোটৰ সদস্যৰ লগতে পৰিয়ালৰ লোক উপস্থিত থাকে।

### বন্যাৰ্তক সহায় কৰা সমাজকৰ্মীক কাৰণ দৰ্শোৱাৰ জাননী প্ৰশাসনৰ

# উদ্বেগ প্ৰকাশ খুমটাইৰ বিধায়ক মৃণাল শইকীয়াৰ ঃ সামাজিক মাধ্যমতো তুমুল প্ৰতিক্ৰিয়া

**ষ্টাফ ৰিপোৰ্টাৰ, গোলাঘাট, ১০ জুলাই ঃ** আইনক দোহাই দি সৰুপথাৰৰ সমাজ হিতৈষী তথা শাসকীয় দলৰে এগৰাকী কৰ্মী জীৱন চুতীয়াক সৰুপথাৰ প্ৰশাসনে জনোৱা এক কাৰণ দৰ্শোৱাৰ জাননীক লৈ ৰাজ্যজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে নগালেণ্ডত হোৱা মুষলধাৰ বৰষুণৰ ফলত ধনশিৰি নদীৰ বানে গোলাঘাট জিলাৰ পাঁচোটা ৰাজহ চক্ৰতে তাণ্ডৱৰ সূচনা কৰিছে। যাৰ ফলত সপোনৰ ঘৰখন এৰি আশ্ৰয় গৃহৰ আলহী হ'বলগীয়া হৈছে বানাক্ৰান্তসকল। চৰকাৰৰ সমান্তৰালকৈ মহানুভৱী লোকসকলো এই সন্ধিক্ষণত বন্যাৰ্তক এষাৰি মাত দিয়াৰ উপৰিও সাধ্যনুসৰি সহায়ৰ হাত আগবঢ়োৱা পৰিলক্ষিত হৈছে। কিন্তু সৰুপথাৰ সমজিলাৰ ৰাজহ চক্ৰ বিষয়া গৰাকীয়ে সমাজ হিতৈষী জীৱন চুতীয়ালৈ প্ৰেৰণ কৰা কাৰণ দৰ্শোৱাৰ জাননীখনে সকলোৰে চকু কপালত তুলিছে। প্ৰকাৰান্তৰে জীৱন চুতীয়াক সৰুপথাৰ প্ৰশাসনে বানাক্ৰান্তক সহায়ৰ হাত আগবঢ়োৱাত বাধা আৰোপ কৰিছে বুলিয়েই অভিযোগ উঠিছে। ৰাজ্যখনত হয়তো সমাজকৰ্মীয়ে পোনপ্ৰথমবাৰৰ বাবে প্ৰশাসনৰ তৰফৰ পৰা লাভ কৰা এনে পত্ৰক লৈ ৰাজনীতিৰ গোন্ধ পাইছে বিভিন্ন মহলে। আৰ্তজনৰ কাষত থিয় হোৱা হৃদয়বান লোকক লৈ কৰা নিকৃষ্ট ৰাজনীতিকৰ নাম নোলোৱাকৈ একেমুখে ধিক্কাৰৰ জোৱাৰ উঠিছে। প্ৰশ্ন উঠিছে, ৰাজ্যখনৰ সৰুপথাৰ সমষ্টিৰ বেলিকা আইন -কানুন পৃথক নেকি? সমাজকৰ্মীক কাৰণ দৰ্শোৱাৰ জাননী জাৰী কৰা সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰিছে খুমটাইৰ বিধায়ক মৃণাল শইকীয়াই। তেওঁৰ মতে ৰাজনৈতিক ষড়যন্ত্ৰৰ বলী হৈছে জীৱন চুতীয়াৰ দৰে এজন সদাচাৰ সমাজকৰ্মী। যিজন ব্যক্তিয়ে কৰোণাৰ সময়ত ৰাইজক বিপুলভাৱে সহায় কৰিছিল, মুখ্যমন্ত্ৰী সাহাৰ্য পুঁজি, প্ৰধানমন্ত্ৰী পুঁজিলৈও বৰঙনি আগবঢ়াইছে। ইয়াৰোপৰি প্ৰতিনিয়ত দুৰ্গত জনক সহায় কৰি অহা জীৱন চুতীয়াৰ দৰে ব্যক্তিক স্থূল আৰু দুৰ্বল মানসিকতাৰ মানুহে ৰাজনীতি কৰিব পাৰে বুলি মন্তব্য কৰে বিধায়ক শইকীয়াই । এই বিষয়ত সামাজিক মাধ্যম যোগেও নিজস্ব মত দাঙি ধৰে মৃণাল শইকীয়াই। আনহাতে সমগ্ৰ বিষয়ক লৈ সামাজিক মাধ্যমত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সৰুপথাৰ প্ৰশাসনৰ কৰ্ম -কাণ্ডক লৈ সামাজিক মাধ্যমত ৰাজ্যজুৰি ধিক্কাৰ দিছে বিভিন্ন মহলে। সামাজিক মাধ্যমত জীৱন চুতীয়া বিধায়ক বিশ্বজিৎ ফুকনৰ ষড়যন্ত্ৰৰ বলী হৈছে বুলি বিভিন্ন জনে মতামত দাঙি ধৰাৰ মাজতে বিধায়ক গৰাকীয়ে নিজৰ স্থিতি স্পষ্ট কৰে। প্ৰশ্ন উঠিছে,বিধায়ক ফুকন আৰু সৰুপথাৰ প্ৰশাসনৰ মাজত মত পাৰ্থক্য কিয়?

## হাৰিয়ানাৰ বজাৰলৈ গোলাঘাটত উৎপাদিত জৈৱিক হালধি

## জৈৱিক কৃষিৰে বহিঃৰাজ্যত বজাৰ দখল গোলাঘাটৰ কৃষকৰ

**অসম বাৰ্তা, ধনশিৰি, ১০ জুলাই ঃ**ঞ্চগোলাঘাট জিলাৰ জামুগুৰি কৃষি উন্নয়ন চক্ৰৰ অন্তৰ্গত পদুমপথাৰ এগ্ৰ' প্ৰডিউচাৰ কোম্পানীয়ে উৎপাদন কৰা প্ৰায় বিশ মেট্ৰিকটন শুকান হালধি উচিত মূল্যত হাৰিয়ানাৰ বজাৰলৈ ৰপ্তানি কৰিবলৈ সক্ষম হৈছে। জিলা কৃষি বিভাগৰ দিহা পৰামৰ্শৰে সম্পূৰ্ণ জৈৱিক পদ্ধতি অৱলম্বন কৰি ৰঙালাও, আদা, হালধি, নেমুটেঙা আদি খেতি কৰি লাভান্বিত হৈছে সংস্থাটোৰ সৈতে জড়িত প্ৰায় ১৫০০ কৃষক। বিগত কিছু দিন ধৰি সংস্থাটোৱে বহিঃৰাজ্যলৈ আদা, হালধি, ৰঙালাও আৰু নেমুটেঙা আদি উৰিষ্যা, মহাৰাষ্ট্ৰ, হিমাচল প্ৰদেশ, মিজোৰাম, পশ্চিমবংগ আৰু তেলেংগানাত বিক্ৰী কৰি লাভান্বিত হোৱাৰ কথা প্ৰকাশ কৰে পদুমপথাৰ এগ্ৰ' প্ৰডিউচাৰ কোম্পানীৰ সঞ্চালক অঞ্জল লিম্বুয়ে। তেঁও লগতে কয় যে সম্পূৰ্ণ জৈৱিক প্ৰক্ৰিয়াৰে কৰা ফচলসমূহে বহিঃৰাজ্যত যথেষ্ট সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে আৰু প্ৰতিবাৰে তেওঁলোকে ইয়াৰ বাবদ আশাপ্ৰদ মোনাফা লাভ কৰি আহিছে। উল্লেখ্য যে, চলিত বৰ্ষত কোম্পানীটোৱে উৰিষ্যা, মহাৰাষ্ট্ৰ আৰু তেলেংগানালৈ ৪০০ মেট্ৰিকটন আদা, মিজোৰাম আৰু উৰিষ্যালৈ ৫০ মেট্ৰিকটন হালধি ৰপ্তানি সম্পূৰ্ণ কৰিছে। ইয়াৰোপৰি কৃষকৰ দলটোয়ে এই বৰ্ষত ৭০বিঘা মাটিত ৰঙালাও খেতি কৰি বৰ্তমানলৈকে ২০০০ কুইণ্টলৰো অধিক ৰঙালাও স্থানীয় বজাৰত বিক্ৰী কৰি আছে। সেইদৰে বিগত বৰ্ষতো তেলেংগানা, উৰিষ্যা, হিমাচল প্ৰদেশ, মহাৰাষ্ট্ৰ আৰু পশ্চিম বংগলৈ ৭০০ মেট্ৰিকটন হালধি আৰু ২০০ মেট্ৰিকটন আদা ৰপ্তানি কৰি লাভজনক মুনাফা অৰ্জন কৰিবলৈ সক্ষম হৈছে। জিলাখনৰ দৈয়াং নদীৰ পাৰৰ প্ৰায় ১৫০০ হে"ৰ কৃষি ভূমিত ১৫০০ কৃষক পৰিয়ালে সন্মিলিত প্ৰচেষ্টাৰে প্ৰতি বছৰে কৰি অহা জৈৱিক কৃষি প্ৰণালীক ইতিমধ্যে ৰাজ্য কৃষি বিভাগে স্বীকৃতি প্ৰদান কৰিছে।ভৱিষ্যতৰ দিনত কৃষকৰ দলটোৱে জৈৱিক কৃষি সম্প্ৰসাৰণৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় বজাৰ দখলৰ সপোন পুহি ৰাখিছে।

### ওদালগুৰি জিলা আপকুৰ উদ্যোগ

## জিলা আয়ুক্তক স্মাৰক পত্ৰ প্ৰদান আৰু কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ টংলা, ১০ জুলাই ঃ** আসাম প্ৰেছ কৰেছপণ্ডেণ্টছ ইউনিয়ন চমুকৈ আপকু'ৰ ওদালগুৰি জিলা সমিতিৰ উদ্যোগত আজি ওদালগুৰি জিলা আয়ুক্ত পুলক পাটগিৰিক ওদালগুৰি জিলা সদৰত সাংবাদিকক দুকঠা মাটি প্ৰদান কৰা,জিলা তথ্য আৰু জনসংযোগ বিষয়া কৰ্যালয়ৰ অধীনস্থ উকলি যোৱা জিলা এক্ৰিডিটেচন কমিটিখন পুনৰ গঠন কৰা আৰু ইতিমধ্যে আবেদন কৰা সাংবাদিকৰ জমা হৈ থকা স্বীকৃতি পত্ৰবোৰ প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা আদি তিনিটা দাবী সম্বলিত স্মাৰক পত্ৰ প্ৰদান কৰে।জিলা সভাপতি নৱ কুমাৰ ডেকাৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলটোক তেখেতে অতি শীঘ্ৰে সমস্যা সমাধান কৰাৰ আশ্বাস দিয়ে।জিলা আয়ুক্তই জিলা তথ্য আৰু জনসংযোগ বিষয়া বিগ্ৰায় বসুমতাৰীক উক্ত সমস্যাসমূহ সমাধানৰ বাবে সুব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনায়।স্মাৰক পত্ৰ প্ৰদান কৰা প্ৰতিনিধি দলটোত ওদালগুৰি জিলা আপকু'ৰ উপদেষ্টা গুণজিৎ দাস ,নাৰায়ণ ডেকা,সভাপতি নৱ কুমাৰ ডেকা,সম্পাদক ফটিক নন্দন ৰাভা,পত্ৰিকা সম্পাদক নিবাৰণ ৰাভা ,সহকাৰী সম্পাদক মৃণ্ময় চহৰীয়া ,বিপুল হাজৰিকা , স্ব'ৰাংছাৰ বাগলাৰী উপস্থিত থাকে।স্মাৰক পত্ৰ প্ৰদান কৰাৰ পূৰ্বে ওদালগুৰি সাহিত্য সভাৰ ভৱনত ওদালগুৰি জিলা আপকুৰ এখনি গুৰুত্বপূৰ্ণ সভা নৱ কুমাৰ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হয়। জিলা সমিতিৰ সম্পাদক ফটিক নন্দন ৰাভাই আঁত ধৰা সভাত কেবাটাও প্ৰস্তাব গ্ৰহণ কৰে।

## ডিব্ৰুগড়ত দেৱব্ৰত শইকীয়াই সংখ্যালঘু নেতাই কৰা মন্তব্যৰ প্ৰতিক্ৰিয়া

**ষ্টাফ ৰিপৰ্টাৰ ডিব্ৰুগড়, ১০ জুলাই ঃ** অসমত অসমীয়া ভাষা উঠাই দিম বুলি সংখ্যা লঘুৰ এজনঞ্জ নেতাই হুংকাৰ দি মত প্ৰকাশ কৰাক লৈ বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়াই আজি ডিব্ৰুগড়ৰ ৰাজীৱ ভৱনত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে এনে বক্তব্য কেতিয়াও কংগ্ৰেছ দলে সমৰ্থন নকৰে। তেওঁ আৰু কয় -অসমখনক কেতিয়াও বাংলাদেশীৰ চৰণীয়া পথাৰ হ'বলৈ এৰি দিব নোৱাৰি, বৰ্তমানৰ চৰকাৰেখনে প্ৰৰোচনা মূলকভাৱে সততেই কৈ থাকে বাংলাদেশী , বংগীয়মুলৰ মুছলমান আদিৰ কথা। যাৰ কাৰণে আজি কোনোবা সংগঠনে এনে মন্তব্য কৰিছে বুলিও চৰকাখনকেই দোষাৰোপ কৰে। আনহাতে ডিব্ৰুগড় জিলা কংগ্ৰেছৰ নৱনিৰ্বাচিত সভাপতি বিপুল ৰাভাক আজি (১০-৭-২৫)জিলা কংগ্ৰেছৰ বিষয়ববীয়াই থানাচাৰিআলিৰ পৰা ৰাজীৱ ভৱনলৈকে বিশাল শোভাযাত্ৰাৰে আদৰণি জনাই লৈ আহে। এই অনুষ্ঠানত বিভিন্ন জনজাতীয়লোকে তেওঁলোকৰ নিজস্ব নৃত্য-গীত আদি পৰিবেশন কৰি নৱনিৰ্বাচিত সভাপতি গৰাকীক ৰাজীৱ ভৱনলৈ আদৰণি আনে। পিচত এক বিষয়ববীডয়া সকলৰ সভা অনুষ্ঠিত হয়। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ লগতে জিলা কংগ্ৰেছৰ বিষয়ববীয়াসকল সভাত উপস্থিত থকা এই সভাতে আগন্তুক নিৰ্বাচনত গৌৰৱ গগৈৰ নেতৃত্বত কংগ্ৰেছে চৰকাৰ গঠন কৰাত ডিব্ৰুগড় জিলাৰ প্ৰতিজন কংগ্ৰেছীয়ে নিজৰ সৰ্বোত্তম শক্তি প্ৰদৰ্শন দাঙি ধৰিব বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে।

## ৰিলায়েন্স চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ প্ৰতিষ্ঠা দিৱস আৰু নৱাগত আদৰণী অনুষ্ঠান সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ১০ জুলাই ঃ** গোলাঘাট জিলাৰ ব্যক্তিগত খণ্ডৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান ৰিলায়েন্স চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ত্ৰয়োবিংশতিতম প্ৰতিষ্ঠা দিৱস আৰু নৱাগত আদৰণী অনুষ্ঠান আজি দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। কাৰ্যসূচীৰ আৰম্ভণিতে শিক্ষানুষ্ঠানখনৰ পতাকা উত্তোলন কৰে ৰেক্টৰ ড০ তুলেন্দ্ৰনাথ হাজৰিকাই। ইয়াৰ পিছতে ৰেক্টৰ ড০ তুলেন্দ্ৰনাথ হাজৰিকা আৰু অধ্যক্ষা প্ৰিয়ংকা শইকীয়া দাসে ৰিলায়েন্স চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ প্ৰতিষ্ঠাপক প্ৰয়াত ৰূপক গগৈ, তেখেতৰ পিতৃ তথা অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী প্ৰয়াত জীৱকান্ত গগৈ, প্ৰতিষ্ঠাকালীন কৰ্মচাৰী প্ৰয়াত দীপক কুমাৰ ৰয়ৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পমাল্য অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পৰৱৰ্তী কাৰ্যসূচীত এক মুকলি সভা অনুষ্ঠিত কৰা হয়। ৰেক্টৰ ড০ তুলেন্দ্ৰনাথ হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত কৰা সভাত মুখ্য অতিথিৰূপে অংশ গ্ৰহণ কৰে সংগীত নাটক একাডেমীৰ অসম শাখাৰ সদস্য, বৈষ্ণৱপ্ৰাণ ,কলাৰত্ন নৃত্যশ্ৰী পৱিত্ৰপ্ৰাণ বৰাই। আমন্ত্ৰিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে জ্যেষ্ঠ শিক্ষক মৃদুপৱন শৰ্মা বৰবৰা, ৰিলায়েন্স চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰিচালন সঞ্চালক দীপক কুমাৰ গগৈ, শিক্ষাবিদ ক্ৰমে ড০ বিপুল চন্দ্ৰ ভূঞা, টংকেশ্বৰ পাঠক, পদ্ম তামুলী, ৰিলায়েন্স চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ প্ৰাক্তন অধ্যক্ষ হেমন্ত কুমাৰ বৰা, মামণি শইকীয়া তামুলী, গোলাঘাট জাতীয় বিদ্যালয়ৰ শিক্ষক তথা সাংবাদিক সিদ্ধাৰ্থ সন্দিকৈৰ লগতে আন কেইবাজনো গণ্যমান্য ব্যক্তি। বিশিষ্ট অতিথি সকলক একোখনকৈ ফুলাম গামোচা আৰু একোটিকৈ মেমেণ্ট প্ৰদান কৰি সম্বৰ্দ্ধনা জনোৱা হয়। অনুষ্ঠানত শিক্ষানুষ্ঠান খনৰ সংগীত পৰিৱেশন কৰে শিক্ষাৰ্থীসকলে আৰু কাৰ্যসূচীৰ আঁত ধৰে পাৰ্থ প্ৰতীম বিশ্বাসীয়ে। ইয়াৰ পিছতে ৰিলায়েন্স চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ চলিত শিক্ষাবৰ্ষৰ নৱম আৰু উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তি কৰা নৱাগত সকলক আদৰণী জনোৱা হয় আৰু মুখ্য অতিথি পৱিত্ৰ প্ৰাণ বৰাই নৱাগত সকলক উদ্দেশ্যি ছাত্ৰ জীৱনত নৈতিকতা আৰু আধ্যাত্মিক শিক্ষাৰ গুৰুত্ব আৰু প্ৰয়োজনীয়তাৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। পৰৱৰ্তী কাৰ্যসূচীত ৰিলায়েন্স চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কৃতী শিক্ষাৰ্থীসকলক বঁটা প্ৰদান কৰাৰ লগতে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰা দ্বিতীয় বৰ্ষলৈ সৰ্বোচ্চ নম্বৰ লাভ কৰি উত্তীৰ্ণ হোৱা কৃতী শিক্ষাৰ্থীসকলকো অভিনন্দন জ্ঞাপন কৰা হয়। এইবাৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ কলা শাখাত শিক্ষানুষ্ঠানখনৰ ভিতৰত শ্ৰেষ্ঠ হোৱা তুষাৰ দেবনাথ, বিজ্ঞান শাখাত আশ্বিয়ানা নাজমীন আৰু বাণিজ্য শাখাত মানৱপ্ৰঞ্চ কৌৰ আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত শ্ৰেষ্ঠ হোৱা আয়ুশ্ৰী বৰবৰাক জীৱকান্ত গগৈ সোঁৱৰণী ন্যাসৰ তৰফৰ পৰা নগদ পাঁচ হাজাৰ টকা আৰু মানপত্ৰ প্ৰদান কৰা হয়। ইয়াৰ বাহিৰেও মামণি শইকীয়া তামুলীৰ তৰফৰ পৰা তেওঁৰ প্ৰয়াত পুত্ৰ দেৱাশীষ তামুলীৰ স্মৃতিত নগদ এক হাজাৰকৈ টকা আগবঢ়োৱা হয় শিক্ষানুষ্ঠানখনৰ নৱম আৰু একাদশ শ্ৰেণীৰ মুঠ পাঁচজনকৈ কৃতী শিক্ষাৰ্থীক। অনুষ্ঠানত আন ৯ গৰাকী ডিষ্টিংছন আৰু ৪৫ গৰাকী ষ্টাৰ নম্বৰ লাভ কৰা শিক্ষাৰ্থীৰ লগতে বিভিন্ন বিষয়ত ৯০ শতাংশ বা ততোধিক নম্বৰ পোৱা ৬০ গৰাকী শিক্ষাৰ্থীকো পুৰস্কাৰ প্ৰদান কৰা হয়। অভিনন্দন আৰু বঁটা প্ৰদান অনুষ্ঠানৰ সঞ্চালনা কৰে ৰিলায়েন্স চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ বাণিজ্য বিভাগৰ প্ৰবক্তা তথা সংবাদকৰ্মী অমিত নাগৰীয়ে। ইয়াৰ পিছতে উদীপ্তা শইকীয়া আৰু সংস্কৃতি শাইকীয়াৰ সঞ্চালনাত নৃত্য গীত আৰু নাটকৰ এক বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। কাৰ্যসূচীৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় অধ্যক্ষা প্ৰিয়ংকা শইকীয়া দাসে। প্ৰতিষ্ঠা দিৱস আৰু নৱাগত আদৰণী অনুষ্ঠান সাফল্য মণ্ডিত কৰি তোলাৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে পৰিচালন সঞ্চালক দীপক গগৈয়ে। আজিৰ অনুষ্ঠানত ৰিলায়েন্স চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ উপাধ্যক্ষ লক্ষজ্যোতি দুৱৰা, এছ এন ডেকা, চোমচাং গগৈৰ লগতে সকলো শিক্ষক শিক্ষয়িত্ৰী তথা কৰ্মচাৰীবৃন্দ আৰু শুভাকাংক্ষী ৰাইজ উপস্থিত থাকে

# তিনিচুকীয়াত উদয়াদিত্য ভৰালীলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি বিভিন্ন সংগঠনৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ১০ জুলাই ঃ** বিশিষ্ট ইতিহাসবিদ, আদৰ্শ শিক্ষক, কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ, বাওঁপন্থী তথা প্ৰগতিশীল চিন্তাবিদ সদ্যপ্ৰয়াত উদয়াদিত্য ভৰালীলৈ তিনিচুকীয়াত দেওবাৰে বিভিন্ন সংগঠনে ৰাজহুৱা শ্ৰদ্ধাঞ্জলি যাচে। তিনিচুকীয়াৰ চহৰৰ বৰদলৈ নগৰস্থিত বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সভাকক্ষত এই উপলক্ষে আয়োজিত অনুষ্ঠানত সভাপতিত্ব কৰে বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ উপ-সভাপতি খৰ্গেশ্বৰ টায়ে। অনুষ্ঠানত অমূল্য খাটনিয়াৰ, মোহন চন্দ্ৰ বুঢ়াগোহাঁই, ভদ্ৰেশ্বৰ বৰুৱা, সুভাষ সেন, অলকানন্দা শ্ৰীকুমাৰী কাকতি, ডাঃ দীপক বৰুৱা, ড০ মামণি ফুকন বৰগোহাঁই, ড০ ৰঞ্জন কুমাৰ দাস, জোনাবৰ গোহাঁই, ৰাজুল কুমাৰ ৰাজখোৱা, পাৰ্থপ্ৰতীম শৰ্মা, শ্যামন্ত বৰা, পিনাকী বালা, কীৰ্তি প্ৰসাদ চলিহা, বংকিম চন্দ্ৰ গগৈৰ উপৰিও আন কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত বিশিষ্ট চিন্তাবিদগৰাকীক বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ লগতে ইলোৰা বিজ্ঞান মঞ্চৰ তিনিচুকীয়া শাখা, তিনিচুকীয়া শাখা সাহিত্য সভা, তিনিচুকীয়া বয়োজ্যেষ্ঠ নাগৰিক কল্যাণ সংস্থা, তিনিচুকীয়া টাউন মিচিং কেবাং, সূৰ্যমুখী নাট্য গোষ্ঠী, গোলাপচন্দ্ৰ ৰবিচন্দ্ৰ নাট্য মন্দিৰ, অসম নাগৰিক সমাজৰ তিনিচুকীয়া শাখা, চিপিআই(এম এল), এ.আই.চি.চি.টি.ইউ আদি বিভিন্ন সংগঠনে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সভাত উদয়াদিত্য ভৰালীৰ একালৰ ছাত্ৰ ড০ অচ্যুত বৰঠাকুৰে তেখেতৰ সান্নিধ্যৰ কথা স্মৃতিচাৰণ কৰে। ড০ অপূৰ্ব ভাস্কৰ গগৈয়ে ভৰালীৰ দৃষ্টিভংগী সম্পৰ্কে ব্যাখ্যা দাঙি ধৰাৰ লগতে বৃন্দাবন কলিতাই তেখেতৰ লিখনিৰ বিষয়ে দুআষাৰ কয়। পূৰ্ণ কাকতিয়ে প্ৰয়াত ভৰালীৰ এটা কবিতা পাঠ কৰে। অনুষ্ঠানত উদয়াদিত্য ভৰালী, কবি অনুভৱ তুলসী, তিনিচুকীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক বানুমা বৰঠাকুৰ, প্ৰণৱ দত্ত আদি প্ৰয়াতসকলৰ প্ৰতি শ্ৰদ্ধা জনাই শোক প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

# জাঁজী জামুগুৰিত গ্ৰীষ্মকালীন নৃত্য কৰ্মশালাৰ সফল সামৰণি

**অসম বাৰ্তা, জাঁজী, ১০ জুলাই ঃ** শিৱসাগৰ জিলাৰ জাঁজী জামুগুৰি ব্ৰাহ্মণ গাওঁ স্থিত'' Euro kids pre School'' উদ্যোগত আৰু জামুগুৰি ''নটৰাজ ডান্স একাডেমী''ৰ সহযোগত জামুগুৰি নাট্যসমাজ কলাভৱন প্ৰাংগণত ১০ দিনীয়া দশৰতাৰ,আধুনিক নৃত্য কৰ্মশালাৰ সামৰণী অনুষ্ঠানটি আজি জামুগুৰিস্থিত ইউৰ' কিডচ প্ৰি স্কুলত বৰ্ণাঢ্য কাযসূচীৰে সামৰণি পৰে । এই উপলক্ষে অনুষ্ঠিত হোৱা সামৰণি অনুষ্ঠানত প্ৰথমে বন্তি প্ৰজ্বলন কৰে সাংস্কৃতিক কৰ্মী কুন্তলা কল্যাণী সন্দিকৈয়ে । ''নটৰাজ ডান্স একাডেমী ''ৰ উদ্যোক্তা গীতৰাজ আৰু সত্যজিৎ শইকীয়াই আঁত ধৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ময়ূখ শইকীয়া, প্ৰশিক্ষক লিজাৰাণী গগৈ, সাংবাদিক দিগন্ত শৰ্মা ,ববিতা খাউণ্ড আৰু কেইবাজনো বিশিষ্ট ব্যক্তিৰ লগতে অভিভাৱক সকল । আনহাতে আৰম্ভণিতে দীক্ষিতা দত্তৰ আধুনিক গীতে উপস্থিত ৰাইজক আপুত কৰে । ছাত্ৰ ছাত্ৰী সকলৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে এনেধৰণৰ কৰ্মশালাই কেনেধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিব পাৰে তাৰ বিষয়ে কুন্তলা কল্যাণী সন্দিকৈ আৰু ময়ূখ শইকীয়া বক্তব্য প্ৰদান কৰে । সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি আকাঙ্ক্ষা খাউণ্ডৰ ঝুমুৰা নৃত্য, আৰু নিমিষা বৰাৰ সৃষ্টিশীল নৃত্য পৰিৱেশন কৰা হয় ।শেষত সত্যজিৎ শইকীয়া ৰ দলীয় নৃত্ৰৰে অনুষ্ঠান সামৰণি পৰে।

# নগাঁও ধিঙত বিনামূলীয়া ধ্যান শিবিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১০ জুলাই ঃ** যোৱা তিনি জুলাই ২০২৫ তাৰিখৰ পৰা ১০ জুলাই ২০২৫ তাৰিখলৈকে নগাঁও ধিংস্থিত ধিং ছোৱালী উচ্ছ মাধ্যমিক বিদ্যালয়ত ৮ দিনীয়া কাৰ্য্যক্ৰমে পিৰামিড স্পিৰিচুয়েল চছাইটিজ মুভমেন্ট (অসম) ৰ উদ্যোগত ''আনাপানসতি ধ্যান'' নামাকলণেৰে এক বিনামূলীয়া ধ্যান শিবিৰ অনুষ্ঠিত হয়। মৰিগাঁও জিলা বিশিষ্ট সমাজ কৰ্মী স্মৃতা শইকিয়াৰ বিশেষ তত্বাৱধানত অনুষ্ঠিত এই বিনামূলীয়া ধ্যান শিবিৰত অঞ্চলটো পৰা প্ৰায় শতাধিক লোকে অংশ গ্ৰহণ কৰে ।প্ৰথম বাৰৰ বাবে ধিংত অনুষ্ঠিত এই ধ্যান শিবিৰত শিক্ষাৰ্থী হিছাপে অংশ গ্ৰহণ কৰা লোক আগ্ৰহ প্ৰকাশ দেখা পাই উদ্যোক্তা সকল ও যথেষ্ট আনন্দিত হয় ।এই বিনামূলীয়া ধ্যান শিবিৰত অংশ গ্ৰহণ কৰি শিক্ষাৰ্থী সকলে যথেষ্ট সুখী অনুৰ্ভৱ প্ৰকাশ কৰা লগতে উদ্যোক্তা সকললৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। আনফালে আজি অন্তিমটো দিনত তথা গুৰু পূৰ্ণিমা উপলক্ষ্যে পিৰামিড ধ্যান প্ৰশিক্ষক প্ৰীতম কল্যাণকাৰে যোগ তথা ধ্যান শিবিৰত অংশ গ্ৰহণ কৰে।

## মৰিগাঁৱৰ ডায়েটত বাৰ্ষিক মুখপত্ৰ 'ৰশ্মি' উন্মোচন আৰু 'এই মাহৰ সন্মানিত' অনুষ্ঠান সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১০ জুলাই ঃ** মৰিগাঁও জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান চমুকৈ ডায়েটত আজি 'এই মাহৰ সন্মানিত' শীৰ্ষক এটি মননশীল অনুষ্ঠান আৰু প্ৰতিষ্ঠানটোৰ মুখপত্ৰখন আনুষ্ঠানিক ভাৱে উন্মোচন কৰা হয়। ডায়েটৰ সভাগৃহত বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা অনুষ্ঠানটোত মুখপত্ৰ উন্মোচক তথা 'জুলাই মাহৰ সন্মানিত' হিচাপে উপস্থিত থাকে বিশিষ্ট লেখক তথা চিন্তাবিদ ময়ূৰ বৰা। ডায়েটৰ অধ্যক্ষ কিশোৰ কুমাৰ দাসে এটি আদৰণী ভাষণ প্ৰদান কৰি মুখপত্ৰ 'ৰশ্মি'ৰ দ্বাৰা ডায়েটৰ শিক্ষাৰ্থী, প্ৰৱক্তা আৰু কৰ্মচাৰীসকলে প্ৰবন্ধ, গল্প, কবিতা আৰু অন্যান্য লেখাৰে বৌদ্ধিক কচৰৎ কৰাৰ প্ৰচেষ্টা চলাই আহিছে। অনুষ্ঠানত মুখপত্ৰখন উন্মোচন কৰাৰ লগতে 'নৱপ্ৰজন্মঃ প্ৰত্যাশা আৰু প্ৰত্যাহ্বান' শীৰ্ষক বক্তব্য প্ৰদান কৰি বিশিষ্ট লেখক, চিন্তাবিদ, সমাজ সচেতক ময়ূৰ বৰাই কয় যে -নৱপ্ৰজন্মই সকলো প্ৰত্যাহ্বানৰ পাছতো নতুন প্ৰত্যাশাৰ সম্ভাৱনা বহন কৰি আছে। অসমীয়া সমাজ জীৱন আৰু ইতিহাসৰ বিভিন্ন উদাহৰণেৰে বক্তব্য ৰাখি সমাজ সংস্কাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে চিন্তাকৰ্ষক মতামত দাঙি ধৰে। তেওঁ কয় যে মুখপত্ৰ 'ৰশ্মি'ৰ জৰিয়তে ডায়েটে সমাজ সচেতনতাক প্ৰতিফলিত কৰিছে আৰু ই হৈছে সকলোৰে চিন্তা-চৰ্চাৰ দাপোণস্বৰূপ। ডায়েটৰ সমূহ প্ৰৱক্তা আৰু কৰ্মচাৰী উপস্থিত থকা অনুষ্ঠানত শীৰ্ষ গীত পৰিৱেশন কৰে শিক্ষাৰ্থীসকলে। আনহাতে কস্তুৰী বৰাই ড০ ভূপেন হাজৰিকাৰ এটি গীত পৰিৱেশন কৰে। এই সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে ডায়েটৰ প্ৰৱক্তা শুভলক্ষী কোঁৱৰে।

## মেৰাপানী ড্ৰাগছৰ বিৰুদ্ধে ধাৰাবাহিক অভিযান আৰক্ষী আৰু চি আৰ পি এফৰ, আটক দুজন ড্ৰাগছ ব্যৱসায়ী

**অসম বাতা, মেৰাপানী, ১০ জুলাই ঃ** গোলাঘাট জিলাৰ মেৰাপানী সীমান্ত এতিয়া নিষিদ্ধ ড্ৰাগছৰ বিৰুদ্ধে মেৰাপানী আৰক্ষী আৰু চি আৰ পি এফে ধাৰাবাহিক অভিযান অবঞ্জ্যাহত ৰাখি ইতিমধ্যে দুটাকৈ ডাগ্ৰছ বঞ্জ্যৱসায়ীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে । যোৱা ৮ জুলাই তাৰিখে মেৰাপানী ফৰেষ্ট ভিলেজৰ পৰা ড্ৰাগছ সহ এটা ডাগ্ৰছ বঞ্জ্যৱসায়ীক গ্ৰেপ্তাৰ কৰাৰ পিছত আজি পুনৰ মেৰাপানী ফৰেষ্ট ব্লকৰ লোতে গুৰুং নামৰ আন এটা ডাগ্ৰছ বঞ্জ্যৱসায়ীক বৃহৎ পৰিমাণৰ ডাগ্ৰছ সহ গ্ৰেপ্তাৰ কৰে । মেৰাপানী আৰক্ষী আৰু চি আৰ পি এফে এক গোপন খৱৰৰ পম খেদি আজি ফৰেষ্ট ব্লকৰ লোতে গুৰুঙৰ ঘৰত যৌথ অভিযান চলাই । অভিযান কাৰী দলৰ সম্ভেদ পাই ডাগ্ৰছ বঞ্জ্যৱসায়ী লোতে গুৰুং পলোৱাৰ চেষ্টাৰে দৌৰ মাৰিছিল যদিও আৰক্ষী আৰু চি আৰ পি এফে খেদি খেদি গুৰুঙক ধৰিবলৈ সক্ষম হয় । লোতে গুৰংৰ ঘৰৰ পৰা উদ্ধাৰ হোৱা চিমপ্ৰেস্ক নামৰ নিচাযুক্ত টেবলেট সমূহ প্ৰায় দুই কিলো আৰু ইয়াৰ বঞ্জ্যৱসায়ীক মুলঞ্জ্য লক্ষাধিক হব বুলি জানিব পৰা গৈছে । বৰ্তমান মেৰাপানী আৰক্ষীয়ে লোতে গুৰুংক গ্ৰেপ্তাৰ কৰি অধিক তথঞ্জ্যৰ বাবে জেৰা অবঞ্জ্যাহত ৰাখিছে।

# কাকৈজানা আয়ুষ্মান আৰোগ্য মন্দিৰত ডায়েৰিয়া প্ৰতিৰোধী অনুষ্ঠানৰ শুভাৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ, বঙাইগাঁও, ১০ জুলাই ঃ** বঙাইগাঁও জিলাৰ কাকৈজানাত আজি ৰাতিপুৱা ১১ বজাত আয়ুষ্মান আৰোগ্য মন্দিৰত ডায়েৰিয়া প্ৰতিৰোধী অনুষ্ঠান আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। এই কাৰ্যসূচীৰ জৰিয়তে সাধাৰণ ৰাইজৰ মাজত ডায়েৰিয়াৰ সংক্ৰমণ, ৰোগৰ লক্ষণ, কাৰণ আৰু প্ৰতিৰোধমূলক ব্যৱস্থাসমূহ সন্দৰ্ভত সজাগতা বৃদ্ধি কৰাৰ উদ্দেশ্যে বিভিন্ন সচেতনতা মূলক কাৰ্যসূচী গ্ৰহণ কৰে। অভয়াপুৰী সম জিলাৰ সহকাৰী আয়ুক্ত শ্ৰেয়া ঘোষে বন্তি প্ৰজ্বলন কৰি উক্ত অনুষ্ঠানটোৰ শুভাৰম্ভ কৰে। শ্ৰীমতী ঘোষে ভাষণ প্ৰদান কৰি কয় যে আমি সকলোৱে বিশুদ্ধ পানীৰ খোৱাৰ লগতে আমাৰ চাৰিওফালৰ পৰিৱেশ পৰিষ্কাৰ কৰি ৰাখিব লাগে। বিশেষকৈ শিশু, বৃদ্ধ, আৰু ৰোগপ্ৰৱণ লোকৰ বাবে ডায়েৰিয়া প্ৰাণনাশক হ'ব পাৰে। এই ৰোগ প্ৰতিৰোধৰ বাবে স্বাস্থ্য বিভাগৰ তৰফৰ পৰা বিভিন্ন সচেতনতামূলক কাৰ্যসূচী গ্ৰহণ কৰিছে। যুটীয়া স্বাস্থ্য সঞ্চালক ডা. বলেন্দ্ৰ নাৰায়ণ ডেকাই ডায়েৰিয়াৰ ক্ষেত্ৰত পৰিষ্কাৰ পানী ব্যৱহাৰ, অ'আৰএছ খোৱা, পৰিষ্কাৰ পৰিচ্ছনতা অৱলম্বন কৰা, স্বাস্থ্য সম্মত খাদ্যাভ্যাস, আৰু পৰিৱেশৰ প্ৰতিকুল প্ৰভাৱৰ বিষয়ে ভাষণত উল্লেখ কৰে। এই অনুষ্ঠানৰ জৰিয়তে স্বাস্থ্য বিভাগে ৰাইজৰ মাজত স্বাস্থ্য সচেতনতা বৃদ্ধি ঘটোৱাৰ লগতে ডায়েৰিয়া দৰে জনস্বাস্থ্য সমস্যা প্ৰতিহত কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। অনুষ্ঠানটোত ডা. ভূষণ মেধি, মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া, মুস্কান বড়ো, জেনেৰেল মেনেজাৰ, ইণ্ডিয়ান অইল কৰ্পৰেশ্যন লিমিটেড, সহকাৰী পৰিচালক,ইণ্ডিয়ান অইল কৰ্পৰেশ্যন লিমিটেড, বিভিন্ন বিভাগৰ বিষয়া - কৰ্মচাৰী লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

# ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ নবনিৰ্মিত প্ৰথম পৰ্যায়ৰ কেম্পাছ আনুষ্ঠানিকভাৱে হস্তান্তৰ

**অসম বাৰ্তা, হোজাই, ১০ জুলাই ঃ** পাৰিকাঠামোগত বিকাশৰ দিশত এক গুৰুত্বপূৰ্ণ অধ্যায়ত প্ৰবেশ কৰিলে হোজাইস্থিত ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ে। আজিৰ দিনটোত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই হোজাই জিলাৰ লোকনিৰ্মাণ বিভাগৰ বিল্ডিং ডিভিজনৰ পৰা হোজাই চহৰ সংলগ্ন সাগৰবস্তিত অৱস্থিত নবনিৰ্মিত প্ৰথম পৰ্যায়ৰ কেম্পাছটো আনুষ্ঠানিকভাৱে গ্ৰহণ কৰে। এই উপলক্ষে এখন সৰু কাৰ্যসূচীৰ আয়োজন কৰা হৈছিল, য'ত বিশ্ববিদ্যালয় আৰু লোক নিৰ্মাণ বিভাগৰ দুয়ো পক্ষৰ উচ্চপদস্থ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। উল্লেখযোগ্য যে, এই নিৰ্মাণ প্ৰকল্পটো প্ৰশাসনিক অনুমোদন নম্বৰ AA/PWB-2022-23(I)-1573, তাৰিখ ১৫-১১-২০২২ অনুসৰি অনুমোদিত হৈছিল। মঞ্জুৰিকৃত টকাৰ পৰিমাণ আছিল ৫৮৯১.৬৪২৯৫ লাখ, আৰু টেণ্ডাৰৰ ভিত্তিত নিৰ্ধাৰিত পৰিমাণ আছিল ৫৬৪০.৩৮৮০৪ লাখ। কাম আৰম্ভ কৰা আদেশ নম্বৰ আছিল CE/TB-VI/46/2022/27 (তাৰিখ ৩০-১২-২০২২), আৰু সেইদিনাই কাম আৰম্ভ হয় আৰু নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ হয়। ঠিকাদাৰী সংস্থা Messrs M.P. Khaitan-ৰ তত্বাৱধানত এই নিৰ্মাণ প্ৰকল্পটো সম্পন্ন হয়। এই প্ৰকল্পত অন্তৰ্ভুক্ত আছিল—দুই মহলীয়া একাডেমিক ভৱন (৮৩৬৬ বৰ্গ মিটাৰ), প্ৰশাসনিক ভৱন (২৮৪৮ বৰ্গ মিটাৰ), ভিতৰুৱা আৰু বাহিৰা বিদ্যুতায়ন, ছাব-ষ্টেচন, EPABX আৰু LAN সংযোগ, পানী যোগান ব্যৱস্থা, শৌচাগাৰ, অগ্নি নিৰ্বাপন ব্যৱস্থা, ৰাস্তা নিৰ্মাণ, ছাইট উন্নয়ন, সীমাৰ দেৱাল, গেট, লেণ্ডস্কেপিং, আচবাবপত্ৰ স্থাপন আৰু ফিনিচিং আদি। আজিৰ হস্তান্তৰ কাৰ্যসূচীত উপস্থিত আছিল হোজাই আৰু বিন্নাকান্দি টেৰিটৰিয়েল বিল্ডিং চাব-ডিভিজনৰ সহকাৰী কাৰ্যবাহী অভিযন্তা, সহকাৰী অভিযন্তা আৰু কাৰ্যবাহী অভিযন্তা। বিশ্ববিদ্যালয় পৰিয়ালৰ হৈ কেম্পাছটো গ্ৰহণ কৰে বিশ্ববিদ্যালয়ৰ কাৰ্যবাহী ৰেজিষ্ট্ৰাৰ ড০ শেখৰ কান্তি সৰকাৰে। বিশ্ববিদ্যালয়ৰ ইঞ্জিনিয়াৰিং বিভাগ, ৰেজিষ্ট্ৰাৰ শাখা আৰু অন্যান্য বিভাগৰ সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীসকলে কামৰ পৰিদৰ্শন আৰু পৰীক্ষণ কৰি আনুষ্ঠানিকভাৱে গ্ৰহণৰ অনুমতি দিয়ে। সাগৰবস্তিৰ এই নতুন কেম্পাছটোৱে বিশ্ববিদ্যালয়খনৰ শিক্ষাগত পৰিৱেশ আৰু পৰিকাঠামোগত সক্ষমতা বৃদ্ধি কৰিব আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আধুনিক আৰু সুবিধাজনক পৰিৱেশ নিশ্চিত কৰিব। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড০ মানবেন্দ্ৰ দত্ত চৌধুৰীয়ে লোক নিৰ্মাণ বিভাগৰ বিষয়াসকলক, ইঞ্জিনিয়াৰ আৰু ঠিকাদাৰী সংস্থাটোক সময়মতে আৰু নিষ্ঠাৰে কাম সম্পন্ন কৰাৰ বাবে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ উল্লেখ কৰে যে, এই হস্তান্তৰটো বিশ্ববিদ্যালয়ৰ শিক্ষা আৰু প্ৰতিষ্ঠানিক বিকাশৰ পথত এটা নতুন সম্ভাৱনাময় অধ্যায়ৰ সূচনা কৰিব।

# চামগুৰিৰ বাজিয়াগাঁৱত অবৈধ ফাৰ্মাচীৰ বিৰুদ্ধে অভিযান ঃ কেইবাখনো অবৈধ ফাৰ্মাচী জব্দ

**অসম বাৰ্তা, পুৰণিগুদাম, ১০ জুলাই ঃ** নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ বিভিন্ন অঞ্চলত দিনকদিনে অবৈধভাৱে ফাৰ্মাচী স্থাপন হোৱাক কেন্দ্ৰ কৰি সচেতন মহলক চিন্তিত কৰি তুলিছে।বিভাগীয় অনুমতি অবিহনে জীৱনদায়িনী ঔষধৰ ৰমৰমীয়া ব্যৱসায় কৰি মানুহক মৃত্যুৰ মুখলৈ ঠেলি দিবলৈ কুন্ঠাবোধ কৰা নাই বুলি অভিযোগ উঠিছে। জানিব পৰা মতে,চামগুৰি সমষ্টিৰ বাজিয়াগাঁও, কাৰৈমাৰী, বৰমা, আমতল আদিকে ধৰি বিভিন্ন অঞ্চলত কাঠফুলাৰ দৰে গঢ়ি উঠিছে বহু অবৈধ ফাৰ্মাচী। উক্ত অবৈধ ফাৰ্মাচী সমূহৰ বিৰুদ্ধে মাজে-সময়ে বিভাগীয় বিষয়া কৰ্মচাৰীয়ে অভিযান চলাবলৈ আহে যদিও অভিযান চলোৱাৰ ওমান পালেই উক্ত অবৈধ ফাৰ্মাচী সমূহ বন্ধ কৰি মালিক পক্ষ সেই স্থাপন পৰা পলায়ন কৰে বুলি অভিযোগ উঠিছে। যাৰ ফলত বিভাগীয় বিষয়া আৰু কৰ্মচাৰীসকলে অবৈধ ফাৰ্মাচী সমূহৰ বিৰুদ্ধে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে বুলি অভিযোগ উঠাৰ সময়তে আজি চামগুৰি সমষ্টিৰ অন্তৰ্গত বাজিয়াগাঁও অঞ্চলত নগাঁও জিলা ঔষধ পৰিদৰ্শকসহ এটা দলে অবৈধ ফাৰ্মাচীৰ বিৰুদ্ধে অভিযান চলায়। নগাঁও জিলা ঔষধ পৰিদৰ্শক সুকুমাৰ পাটগিৰিৰ নেতৃত্বত অহা দলটোৱে চামগুৰি আৰক্ষী থানাৰ আৰক্ষীৰ সহযোগত চামগুৰিৰ বাজিয়াগাঁৱত অভিযান চলাই কেইবাখনো অবৈধ ফাৰ্মাচী জব্দ কৰে। নগাঁও জিলা ঔষধ পৰিদৰ্শকসহ দলটোৱে অভিযান চলোৱাৰ উমান পাই অবৈধ ফাৰ্মাচীৰ স্বত্বাধিকাৰী সকলে পলায়ন কৰে বুলি এক সুত্ৰই জানিবলৈ দিয়ে।উল্লেখ্য যে, চামগুৰি সমষ্টিৰ বিভিন্ন স্থানত কাঠফুলাৰ দৰে গঢ়ি উঠা অবৈধ ফাৰ্মাচী সমূহৰ বিৰুদ্ধে অনাগত সময়ত নগাঁও জিলা ঔষধ পৰিদৰ্শক আৰু বিষয়া কৰ্মচাৰীসকলে কেনেধৰণৰ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰে সেইয়া সময়তহে লক্ষণীয় হ'ব বুলি স্থানীয় সচেতনমহলে মতপ্ৰকাশ কৰিছে।

## আমিনগাঁও শৰাইঘাট সৰোবৰত এটি বিৰল প্ৰজাতিৰ কাছ মুকলি

**অসম বাৰ্তা, আমিনগাঁও, ১০ জুলাই ঃ** কামৰূপ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখভাগত থকা শৰাইঘাট সৰোবৰত আজি এটি বিৰল প্ৰজাতিৰ কাছৰ পোৱালী মুকলি কৰা হয় । বিৰল প্ৰজাতিৰ দুষ্পাপ্য কাছৰ পোৱালী মুকলি কৰে ।অসম প্ৰৰ্য্যটন উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক পদ্মপাণি বড়াই। উত্তৰ গুৱাহাটীৰ দক্ষিণ লেঙাৰ পথৰ দাঁতিত বিৰল প্ৰজাতিৰ কাছৰ পোৱালীটো উদ্ধাৰ কৰিছিল প্ৰকৃতিপ্ৰেমী সাংবাদিক ৰঞ্জন দত্তই। আজি বিৰল প্ৰজাতিৰ দুষ্পাপ্য কাছৰ পোৱালী মুকলি কৰাৰ সময়ত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ কামৰূপ জিলাৰ সাংবাদিক কৌশিক দাস, বাৰ্তা অসমৰ সাংবাদিক খৰ্গেশ্বৰ নাথ উপস্থিত আছিল। উল্লেখ্য দুবছৰ পূৰ্বে শৰাইঘাট সৰোবৰত নৰ্থ গুৱাহাটী জাৰ্ণেলিষ্ট ফ'ৰামৰ সভাপতি তথা প্ৰকৃতীপ্ৰেমী ৰঞ্জন দত্তই পাঁচটা বিৰল প্ৰজাতি কাছৰ পোৱালী মুকলি কৰি দিছিল।

### আদানিৰ হেঁচাত পৰি এই হঠকাৰী সিদ্ধান্ত গ্ৰহণ কৰিছে ঃ সাংসদ হুছেইন

# আমাৰ চৰকাৰ আহিলে আদানিক অসমত প্ৰবেশ নিষিদ্ধ কৰা হ'ব !

**অসম বাৰ্তা, নগাঁও, ১০ জুলাই ঃ** ধুবুৰী জিলাৰ চাপৰত হোৱা উচ্ছেদৰ প্ৰসংগত অৱশেষত মুখ খুলিলে কংগ্ৰেছ সাংসদ ৰকিবুল হুছেইনে। নগাঁৱত আয়োজিত এখন সংবাদমেলত অংশ লৈ সাংসদগৰাকীয়ে এই উচ্ছেদক ''ঘোৰ অন্যায় আৰু নীতিবৰ্হিভূত'' বুলি আখ্যা দিয়াৰ লগতে একাধিক বিস্ফোৰক মন্তব্য কৰে। সাংসদগৰাকীয়ে দাবী কৰে, ''ধুবুৰী আৰু গোৱালপাৰাৰ বিভিন্ন অঞ্চলত কিছুদিন পূৰ্বে আদানিৰ হেলিকপ্তাৰ উৰি আছিল। তাৰ পাছতে চৰকাৰে উচ্ছেদৰ বাবে আগবাঢ়ে। এই সমগ্ৰ ঘটনা সন্দেহজনক আৰু জনতাই এই সংকেতক বুজি পাব লাগিব'' বুলি সংবাদমেলত উল্লেখ কৰে ৰকিবুল হুছেইনে। ৰকিবুল হুছেইনে লগতে কয় যে, ২৪ জুনত গুৱাহাটী উচ্চ ন্যায়ালয়ে কোনো ধৰণৰ উচ্ছেদ কাৰ্য নচলাবলৈ নিৰ্দেশ প্ৰদান কৰিছিল। তথাপি চৰকাৰে আদালতৰ ৰায় অমান্য কৰি উচ্ছেদ কাৰ্য্য অব্যাহত ৰাখিছে বুলি অভিযোগ উত্থাপন কৰে। চৰকাৰৰ এই কাৰ্য্যৰ বিৰুদ্ধে সাংসদগৰাকীয়ে ইতিমধ্যে মুখ্য ন্যায়াধীশলৈ পত্ৰ প্ৰেৰণ কৰি আদালতৰ ৰায় অমান্যৰ বাবে নিজাববীয়া গোচৰ গ্ৰহণ কৰাৰ দাবী জনাইছে বুলি সংবাদমেলত জানিবলৈ দিয়ে। ইয়াৰ লগতে সাংসদ গৰাকীয়ে অভিযোগ কৰে যে, ''চৰকাৰে আদানিৰ হেঁচাত পৰি হঠাৎ এই হঠকাৰী সিদ্ধান্ত গ্ৰহণ কৰিছে। এই উচ্ছেদৰ ক্ষেত্ৰত আলমগঞ্জত ইতিমধ্যে চৰকাৰে আদালতত মুখ থেকাচা খাইছে।'' লগতে, কংগ্ৰেছ চৰকাৰ



আহিলে উচ্ছেদিত সকলো লোকক ক্ষতিপূৰণৰ ব্যৱস্থা কৰা হ'ব, পুনৰ ঘৰ নিৰ্মাণৰ সহায় দিয়া হ'ব। বুলিও উল্লেখ কৰে। সংবাদমেলত তেওঁ স্পষ্টকৈ কয় যে, ''আমাৰ চৰকাৰ আহিলে আদানিক অসমত প্ৰবেশ নিষিদ্ধ কৰা হ'ব।''

# বিভিন্ন সমস্যাৰে জৰ্জৰিত গৰেমাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ ঃ উন্নীতকৰণৰ দাবী

**অসম বাৰ্তা, জনীয়া, ১০ জুলাইঃ** বৰপেটা জিলাৰ বৰপেটা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ অধীনস্থ তথা নৱঠিত মন্দিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত গৰেমাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰখন বৃহত্তৰ অঞ্চলটোৰ একমাত্ৰ স্বাস্থ্য সেৱাৰ প্ৰাণকেন্দ্ৰ। বিভিন্ন সমস্যাৰে জৰ্জৰিত একমাত্ৰ স্বাস্থ কেন্দ্ৰটোত প্ৰতিদিনে কেইবা শতাধিক ৰোগীয়ে চিকিৎসা সেৱা গ্ৰহণ কৰিবলৈ আহে। বৰ্তমান স্বাস্থ্য বেন্দ্ৰত পৰ্যাপ্ত চিকিৎসক, ষ্টাফনাৰ্ছআৰু সা-সুবিধা নথকাত গৰ্ভৱতী মহিলাসকলৰ প্ৰসৱ কৰোৱাৰ ক্ষেত্ৰতো জটিল সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। সম্পূৰ্ন বাউণ্ডাৰী ৱাল নথকা বাবে ৰাতি নাৰ্চ,ড'ৰ স্বাস্থ্য কেন্দ্ৰত থাকিবলৈ ভয় কৰে। যাৰ ফলত ৰাতিপ্ৰসূতি ৰোগীকপ্ৰসৱ কৰোৱাৰ বাবে যাব লগা হয় বৰপেটাৰ ফখৰুদ্দিন আলী আহম্মেদ চিকিৎসা মহাবিদ্যালয়নাইবা জনীয়া ৰাজ্যিক চিকিৎসালয়লৈ। স্বাস্থ্য কেন্দ্ৰটোত শীতল শৃংখল কক্ষৰো অভাৱ। উপযুক্ত কক্ষ আছে যদিও শীতল শৃংখলৰ ব্যৱস্থা নাই। যাৰ বাবে অঞ্চলটোৰ গৰ্ভৱতী মহিলা,শিশু তথা ৰোগীক বিভিন্ন ধৰণৰ ভেকচিন দিয়াৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। ভেকচিনসমূহ উপ-স্বাস্থ্য কেন্দ্ৰত বহু দূৰ-দূৰণিৰ পৰা আনি ৰোগীক যোগান ধৰা হয়। এনে ধৰণৰ বহু সমস্যাৰে জৰ্জৰিত গৰেমাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ। গৰেমাৰী,বানিয়াৰাপাৰা, কুমুল্লীপাৰা, বাংলীপাৰা, খন্দকাৰপাৰা, আইছৰাপাৰা,জাহোৰপাম, দঙ্গৰকুছি, সনকুছি, পাকাবেতবাৰী আৰু যোগীৰপাম উপ-স্বাস্থ্য কেন্দ্ৰৰ দনাকুছি গাঁও সামৰি গঠিত হৈছে গৰেমাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ । জনসংখ্য বৃদ্ধি লগতে ৰাইজৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি গৰেমাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰখন ৩০ খন বিছনাযুক্ত চি এইচ চি লৈ উন্নীত কৰাৰ লগতে বাউণ্ডাৰী ৱাল,ৰাতিৰ বাবে ড'ৰ,নাৰ্চ ,কৰ্মচাৰীক প্ৰশিক্ষণ,আৰু শীতল শৃংখল কক্ষৰ ব্যাৱস্থা কৰি দিয়াৰ বাবে বিভাগীয় কৰ্তৃপক্ষক দাবী উত্থাপন কৰিছে স্থানীয় ৰাইজে।

### সাত সপ্তাহৰ বিশেষ কৰ্ম-আঁচনিৰ ৰূপৰেখাৰ প্ৰকাশ

# আল্লিয়াত গুণোৎসৱ-২০২৫ত 'চি' গ্ৰেড প্ৰাপ্ত বিদ্যালয়ৰ বিশেষ প্ৰশিক্ষণ সম্পন্ন



**অসম বাৰ্তা, ঘগ্ৰাপাৰ, ১০ জুলাই ঃ** নলবাৰী জিলাৰ বড়িগোগ-বনভাগ প্ৰাথমিক শিক্ষাখণ্ডৰ উদ্যোগত আজি পুৱা ১০:৩০ বজাত পি বি আল্লিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ত গুণোৎসৱ-২০২৫ত 'চি' গ্ৰেড প্ৰাপ্ত বিদ্যালয়সমূহৰ শিক্ষকসকলৰ উপস্থিতিত এক বিশেষ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সমীন বৈশ্যই আদৰণী ভাষণেৰে কাৰ্যসূচীৰ আৰম্ভণি কৰে।বিশেষ প্ৰশিক্ষণ শিবিৰত গুণোৎসৱত 'চি' গ্ৰেড প্ৰাপ্ত বিদ্যালয়সমূহৰ শিকন-পঠনৰ পৰিৱেশ, আন্তঃগাঁথনি আদিৰ সৰ্বাত্মক সমীক্ষা আৰু প্ৰয়োজনীয় পৰ্যালোচনা কৰা হয়। শিক্ষাখণ্ডৰ বিষয়া সমীন বৈশ্য আৰু সমগ্ৰ শিক্ষা, অসমৰ ৰাজ্যিক সমল গোটৰ সদস্য সুভাষ বৰ্মনে এই সন্দৰ্ভত বিদ্যালয়সমূহক যথাযথ কৰ্মপদ্ধতি গ্ৰহণৰ বাবে আহ্বান জনায়। পি পি টি যোগে কৰা আলোচনা আৰু দিশ-নিৰ্দেশনাত পুথিভঁৰালৰ কাৰ্যকৰী ব্যৱহাৰ, বিদ্যালয়ৰ প্ৰভাতী অধিৱেশনত শিক্ষকৰ জৰিয়তে কুইজৰ বিশেষ প্ৰশিক্ষণ, বিদ্যালয় পৰিচালনা সমিতি আৰু মাতৃগোটৰ বৈঠকৰ আয়োজন আদি বিষয়ত গুৰুত্ব আৰোপ কৰা হয়। ছাত্ৰ-ছাত্ৰীৰ মাজত শৈক্ষিক কৰ্মশালা আয়োজন কৰাৰ আৱশ্যকতা সম্পৰ্কেও সুভাষ বৰ্মনে বিস্তৃতভাৱে আলোচনা কৰে। এই কমশালাস্থলীতে গুণোৎসৱত 'চি' গ্ৰেড প্ৰাপ্ত বিদ্যালয়সমূহৰ বাবে ৭ সপ্তাহৰ বিশেষ কৰ্ম-আঁচনিৰ ৰূপৰেখা ঘোষণা কৰা হয় ।আজিৰ এই কৰ্মশালা সফল ৰূপায়ণত সহায় কৰে বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ ব্লক এম আই এছ কো-অৰ্ডিনেটৰ সুশান্ত মল্ল বৰুৱা, বি আৰ পি নৰ কুমাৰ দাস, চি আৰ চি মাধৱ কুমাৰ আৰু চান্দমহম্মদ আলীয়ে। শিক্ষকসলৰ তৰফৰ পৰা মনোজ বড়ো আৰু ৰেকিবুদ্দিন আহমেদে বক্তব্য উপস্থাপন কৰে। পি বি আল্লিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ভুৱনেশ্বৰ নাৰ্জাৰীয়ে অনুষ্ঠানৰ মাজতে বড়োগীত পৰিৱেশন কৰে। অনুষ্ঠানৰ আঁত ধৰে চি আৰ চি মাধৱ কুমাৰে।

# নগাঁৱত জিলা পৰ্য্যায়ত ডায়েৰিয়া প্ৰতিৰোধ অভিযান

**অসম বাৰ্তা, নগাঁও, ১০ জুলাই ঃ** আজি নগাঁও জিলাৰ কঠিয়াতলি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত পূজা বাৰী প্ৰাংগনত জিলা পৰ্য্যায়ত নগাঁও জিলা স্বাস্থ্য সমিতিৰ যুটীয়া সঞ্চালক ডাঃ তপন কুমাৰ শইকীয়াৰ সভাপতিত্বত বন্তি প্ৰজ্বলন কৰি কাৰ্যসূচীৰ ১০জুলাই পৰা ২৫আগষ্ট তাৰিখলৈকে অনুষ্ঠিত হ'ব লগীয়া ডায়েৰিয়া প্ৰতিৰোধ অভিযান ২০২৫ ৰ শুভাৰম্ভণি কৰে। কন্দলী চাহ বাগিছাৰ চিকিৎসক ডাঃ ৰঞ্জন গোস্বামীয়ে আঁত ধৰা এই শুভাৰম্ভণি অনুষ্ঠানত ম'হকুমা স্বাস্থ্য আৰু চিকিৎসা বিষয়া, বিদ্যালয় স্বাস্থ্য, ডাঃ ধৰিত্ৰী পাটোৱাৰী, জিলা টিকাকৰণ বিষয়া, ডাঃ মুকুট ডেকা, জিলা ন'ডেল বিষয়া, ডায়েৰিয়া প্ৰতিৰোধ অভিযান২০২৫, ডাঃ স্পন্দন শইকীয়া, জিলা সংবাদ বিশেষজ্ঞ, পৰিস্মীতা বুঢ়াগোহাঁই, জিলা কমিউনিটি ম'বিলাইজাৰ, ৰাখি শইকীয়া, আশা কিৰণ এন. জি. অ'ৰ সভাপতি, ঘন বৰা, প্ৰতিনিধি, চি.ডি.পি.অ'ৰ লগতে ব্লক পৰ্যায়ৰ বিষয়ববীয়াসকল উপস্থিত থাকে। অনুষ্ঠানৰ লগত সঙ্গতি ৰাখি নগাঁও জিলা স্বাস্থ্য সমিতিৰ যুটীয়া সঞ্চালক, ম'হকুমা স্বাস্থ্য আৰু চিকিৎসা বিষয়া, বিদ্যালয় স্বাস্থ্য, জিলা টিকাকৰণ বিষয়া, জিলা ন'ডেল বিষয়া, ডায়েৰিয়া প্ৰতিৰোধ অভিযানৰ বিষয়াসকলে জনসাধাৰণৰ মাজত ডায়েৰিয়া নিৰ্মূলৰ বাবে সচেতনতা বৃদ্ধিৰ লক্ষ্য ৰাখি এটি অৰেল ৰিহাইড্ৰেচন থেৰাপী(অ' আৰ. টি.) কৰ্ণাৰৰ উন্মোচন কৰে। লগতে কঠিয়াতলি খণ্ড স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত এগৰাকী আশা বাইদেৱে হাত ধুৱাৰ পদ্ধতিসমূহ পৰ্যায়ক্ৰমে প্ৰদৰ্শন কৰে আৰু ১লিটাৰ পানীত এপেকেট অ' আৰ.এছ. সংমিশ্ৰণৰ পদ্ধতি সমূহো প্ৰদৰ্শন কৰে। অনুষ্ঠানত উপস্থিত থকা সাধাৰণ ৰাইজক উদ্দেশ্য কৰি সকলোৱে মন্তব্য আগবঢ়াই কয় যে ০-৬ মাহৰ শিশুৰ ক্ষেত্ৰত ডায়েৰিয়া নিৰ্মূল কৰিবলৈ ঘনাই স্তনপান কৰাৰ প্ৰয়োজনীয়তা আৰু ৬মাহৰ পৰা ৫বছৰ বয়সৰ শিশুৰ মাজত অ' আৰ এছ বিতৰণ কৰাৰ লগতে ডায়েৰিয়াৰ লক্ষণ দেখা পালে অ' আৰ এছ আৰু জিংক টেবলেট সেৱন কৰি এই ৰোগ প্ৰতিৰোধৰ ব্যৱস্থা সম্পৰ্কে মন্তব্য আগবঢ়ায়। শেষত যুটীয়া সঞ্চালক ডাঃ তপন কুমাৰ শইকীয়াদেৱে আজিৰে পৰা ২৫আগষ্ট তাৰিখলৈকে আৰম্ভ হোৱা এই অভিযানত আশাসকলৰ পৰা অংগণবাড়ি কৰ্মী তথা প্ৰতিগৰাকী স্বাস্থ্যকৰ্মীক এই অভিযানৰ অংশ হৈ জনসাধাৰণৰ মাজত সচেতনতা বৃদ্ধি কৰিবলৈ অনুৰোধ জনায় আৰু সকলোলৈকে কৃতজ্ঞতা জনায় অনুষ্ঠানৰ সামৰণি মাৰে।

## সম্পাদকীয়

# বিশ্ব জনসংখ্যা দিৱস আৰু ভাৰতৰ জনসংখ্যা বৃদ্ধি

প্ৰতি বছৰে ১১ জুলাইত পালন কৰা বিশ্ব জনসংখ্যা দিৱসে জনসংখ্যাৰ বিষয়ে সজাগতা বৃদ্ধি আৰু ইয়াৰ সামাজিক, অৰ্থনৈতিক তথা পৰিৱেশগত প্ৰভাৱৰ ওপৰত আলোকপাত কৰে। ভাৰতৰ দৰে উন্নয়নশীল দেশৰ বাবে এই দিৱসৰ তাৎপৰ্য অতি গুৰুত্বপূৰ্ণ, কিয়নো ভাৰত বিশ্বৰ সৰ্বাধিক জনবহুল দেশসমূহৰ ভিতৰত অন্যতম। জনসংখ্যা বৃদ্ধিৰ হাৰে ভাৰতৰ সম্পদৰ ওপৰত চাপ সৃষ্টি কৰিছে, যাৰ ফলত শিক্ষা, স্বাস্থ্য, আৰু জীৱিকাৰ সুযোগৰ দৰে মৌলিক প্ৰয়োজনীয়তা পূৰণ কৰাটো এক প্ৰত্যাহ্বান হৈ পৰিছে। এই পৰিপ্ৰেক্ষিতত জনসংখ্যা নিয়ন্ত্ৰণৰ প্ৰতি গুৰুত্ব দিয়াটো অতি জৰুৰী।

ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ প্ৰাসংগিকতা কেৱল সংখ্যাগত দিশৰ মাজতে সীমাবদ্ধ নহয়, ইয়াৰ সৈতে জড়িত হৈ আছে সম্পদৰ ন্যায্য বিতৰণ আৰু সামাজিক ন্যায়ৰ প্ৰশ্ন। দ্ৰুতগতিত বৃদ্ধি পোৱা জনসংখ্যাই নগৰীকৰণৰ হাৰ বৃদ্ধি কৰিছে, যাৰ ফলত নগৰীয়া অঞ্চলত অত্যধিক জনসমাগম, পৰিবহণৰ সমস্যা, আৰু পৰিৱেশ দূষণৰ দৰে সমস্যাৰ সৃষ্টি হৈছে। ইয়াৰ বিপৰীতে, গ্ৰাম্য অঞ্চলত শিক্ষা আৰু স্বাস্থ্যৰ দৰে সুবিধাৰ অভাৱে জনসংখ্যাৰ এক বৃহৎ অংশক উন্নয়নৰ প্ৰভাৱৰ পৰা বঞ্চিত কৰিছে। সেয়েহে, জনসংখ্যা বৃদ্ধিৰ সমস্যা সমাধানৰ বাবে কেৱল জন্ম নিয়ন্ত্ৰণ নীতিৰ ওপৰত নিৰ্ভৰ কৰিলে নহ'ব, বৰঞ্চ শিক্ষাৰ প্ৰসাৰ, মহিলা সবলীকৰণ আৰু অৰ্থনৈতিক সুযোগৰ সম্প্ৰসাৰণৰ দৰে দীৰ্ঘম্যাদী পদক্ষেপৰ প্ৰয়োজন।

বিশ্ব জনসংখ্যা দিৱসৰ এই সুযোগত ভাৰতৰ জনসংখ্যাৰ সম্ভাৱনাকো স্বীকাৰ কৰা উচিত। তৰুণ জনশক্তিৰ বিশাল সম্ভাৱনাই ভাৰতক অৰ্থনৈতিকভাৱে শক্তিশালী কৰাৰ সুযোগ প্ৰদান কৰিছে, যদিহে তেওঁলোকৰ দক্ষতা বিকাশৰ বাবে উপযুক্ত পৰিৱেশ সৃষ্টি কৰা হয়। কিন্তু এই সুযোগৰ সদ্ব্যৱহাৰৰ বাবে জনসংখ্যা বৃদ্ধিৰ সৈতে তাল মিলাই চলিব পৰাকৈ উন্নতি, নীতি প্ৰণয়ন, আৰু সামাজিক সজাগতাৰ প্ৰয়োজন। জনসংখ্যা বৃদ্ধিৰ প্ৰত্যাহ্বানৰ মোকাবিলা কৰি ভাৰতে যদি উন্নয়নৰ পথত আগবাঢ়িব পাৰে, তেন্তে তৰুণ শক্তিয়ে বিশ্বৰ বুকুত ভাৰতক এক নতুন উচ্চতাত উপনীত কৰিব পাৰিব।

---

ভাৰতীয় আঞ্চলিক বা ৰাজ্যিক কোনো এটা এনে ভাষা নাই যাৰ সহায়ত সমগ্ৰ ভাৰতৰ মানুহৰ মাজত ভাৱ বিনিময় কৰিব পাৰি। এসময়ত চীন পৰিব্ৰাজক হিউয়েন চাঙে, আমেৰিকাৰ ভাস্ক দি গামা, ভাৰতৰ ইংৰাজ শাসনকৰ্তাসকলেও ভাৰতৰ জনগণৰ সৈতে হিন্দী ভাষাৰেই ভাৱৰ আদান-প্ৰদান কৰি, ভাৰতীয় সাহিত্য-সংস্কৃতিৰ বিষয়ত জ্ঞান অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

# ভাষাৰ সমন্বয়ৰ আঁৰত ৰাষ্ট্ৰীয় ঐক্য-সংহতি

**মাখনলাল বাঢ়ৈ**

"ৰাষ্ট্ৰভাষা হিন্দী"- হ'ল আমাৰ ভাৰতৰ ৰাষ্ট্ৰভাষা তথা আৰ্ন্তজাতিক ভাষা। সমগ্ৰ বিশ্বৰ ভিতৰত "হিন্দী" ভাষাৰ স্থান তৃতীয়। ভাষা হ'ল ভাব আদান-প্ৰদানৰ মাধ্যম আৰু পৰস্পৰে পৰস্পৰৰ মাজত আপোনত্ব গঢ়ি তোলাৰ জখলা। ঐক্য-সংহতি, শান্তি সম্প্ৰীতি গঢ়ি তোলাৰ আধাৰস্বৰূপ। আমাৰ ৰাষ্ট্ৰত প্ৰায় ২২/২৩ ৰাজ্যিক/আঞ্চলিক ভাষাৰ ভিতৰত ২০২৪ চনলৈকে ৰাষ্ট্ৰত ১৩টা ভাষাই "ধ্ৰুপদী" ভাষা হিচাপে ৰাষ্ট্ৰই মৰ্য্যদা প্ৰদান কৰিছে। ইয়াৰে আমাৰ অসমৰ ৰাজ্যিক অসমীয়া ভাষাই স্বীকৃতি পাইছে। কিন্তু উক্ত ২২/২৩টা ভাষাৰ লগতে ১৩টা স্বীকৃতি লাভ কৰা ভাষাসমূহ এজন ভাৰতীয় নাগৰিকৰ বাবে শিকাটো একপ্ৰকাৰ জটিল। আনহাতে। সমগ্ৰ ভাৰতৰ লগত সম্বন্ধ বজাই ৰখাৰ ভাষা "হিন্দী" হৈছে আধাৰ। সেয়ে নিজৰ নিজৰ মাতৃভাষাৰ সৈত্যে ৰাজ্যিক ভাষা শিকাটো আমাৰ সকলোৰে দায়িত্ব, কিন্তু লগতে ৰাষ্ট্ৰীয় ভাষা শিকাটো হ'ল আমাৰ নৈতিক দায়িত্ব। তেহে আমি এক ভাৰতীয় এক দেশ, এক ভাষাৰ আধাৰিত ভাৰতীয় নাগৰিক হিচাপে পৰিচয় দিব পৰা যাব।

হিন্দী হৈছে পালি প্ৰাকৃত সংস্কৃত ভাষাৰ অংশ। দ্বাপৰ যুগৰ পৰাই দেৱনাগিৰি আৰু ব্ৰজাৱলী ভাষা প্ৰচলিত আছিল। কালক্ৰমত ই ব্ৰজাবলীৰ পদাবলী আৰু নাগৰি লিপিৰে প্ৰচলিত হ'ল। স্বাধীনতা লাভ কৰাৰ বহু আগতে অৰ্থাৎ ইংৰাজ শাসনৰ আগছোৱাত ভাৰতৰ বিভিন্ন প্ৰান্তত ৰাজশাসন চলিছিল আৰু ৰাজ্যসমূহ পৰিচালনা কৰাৰ ক্ষেত্ৰত পালি তথা ব্ৰজাবলী ভাষা অৰ্থাৎ হিন্দী ভাষাক সমগ্ৰ ভাৰতত এক সৰ্বজনীন ভাষা হিচাপে প্ৰচলিত আছিল। লিপি আছিল পালি আৰু সংস্কৃত। সেই সময়ছোৱাত শিক্ষাৰ প্ৰসাৰতা কিছু মুষ্টীমেয় ৰাজ পৰিয়ালৰ মাজত আৱদ্ধ আছিল। দেশৰ শতকৰা আশী ভাগ লোক আছিল কৃষক-বনুৱা আৰু দেশ/ৰাজ্য ৰক্ষাৰ সৈনিক। জমিদাৰী প্ৰথাই কৃষক বনুৱাক কোনো ধৰণৰ শিক্ষা-দীক্ষা প্ৰচাৰ-প্ৰসাৰ হ'বলৈ দিয়া নাছিল। কিন্তু জনতাৰ ভাৱ আদান-প্ৰদানৰ মাধ্যম আছিল "খড়ি" হিন্দী। সেয়ে ইংৰাজ শাসন কালতো ইংৰাজসকলে ভাৰতীয় নাগৰিকৰ লগত ভাৱৰ আদান-প্ৰদান কৰাৰ বাবে হিন্দী নাগৰিক ভাষাৰ সহায় লৈছিল। ফলত সমগ্ৰ ভাৰততে হিন্দী ভাষাৰ প্ৰসাৰতা লাভ কৰিছিল। ইংৰাজ শাসনৰ পৰা মুক্তি লাভ কৰিবলৈ ভাৰতৰ বহু উচ্চশিক্ষিত তথা স্বদেশ প্ৰেম থকা লোকসকলে ইংৰাজী মাধ্যমত উচ্চশিক্ষা লাভ কৰিছিল যদিও সমগ্ৰ ভাৰতৰ জনতাক স্বাধীনতাৰ বিষয় বুজাবলৈ সমগ্ৰ ভাৰতৰ বিভিন্ন প্ৰান্তলৈ যাবলগীয়া হৈছিল আৰু জণগনৰ লগত ভাৱৰ আদান-প্ৰদান কৰিব লগা হৈছিল। তেনে সময়তে স্বাধীনতা যুঁজাৰুসকলে বিভিন্ন প্ৰান্তীয় ভাষা আশ্ৰয় নলৈ কেৱল হিন্দী নাগৰিকথিত ভাষাৰ আশ্ৰয় লৈছিল। কাৰণ সেই সময়ত ভাৰতৰ জনতাৰ মাজত শতকৰা আশী-নব্বৈ ভাগে হিন্দী ভাষা ক'ব আৰু বুজিব পাৰিছিল। সেয়ে স্বাধীনতা সংগ্ৰামৰ মূল নেতা মহামানৱ মহাত্মা গান্ধীয়ে ১৯২০/২১ চনতেই হিন্দী ভাষাক ভাৰতৰ সৰ্বজনীন ভাষা হিচাপে দলীয় কৰ্মীসকলক ল'বলৈ আহ্বান জনাইছিল। সাবৰমতী আশ্ৰমত হিন্দী ভাষাৰ ভজন আৰম্ভ কৰিছিল। হিন্দী ভাষা হ'ল দলিত নিষ্পেষিত দৰিদ্ৰ সমাজৰ ভাষা। ই অতি সহজ-সৰল ভাষা। ভাষাবিদ সকলৰ মতে হিন্দী ভাষাৰ অন্তৰালত থকা শব্দ সমূহ হ'ল সংস্কৃত, পালি, প্ৰাকৃত, ব্ৰজাবলী, দেৱনাগিৰি, উৰিয়া, বেঙুলী, অসমীয়া, পাচী, আৰবী, উৰ্দু ভাষাৰ। এই ভাষাসমূহ মূল শব্দসমূহৰ সংযোজন ঘটিছে কিন্তু ভাষাটিৰ লয়-সুৰ-স্বৰ আদিৰ সংমিশ্ৰণ হৈ এক উমৈহতীয়া ভাষাৰ সৃষ্টি হৈছে। সেয়ে "হিন্দ" বা হিন্দু উপত্যকাৰ ভাষা হিচাপে হিন্দী ভাষা হিচাপে চিহ্নিত হ'বলৈ পালে। প্ৰাক স্বাধীনতাৰ কালছোৱাতে মহাত্মা গান্ধী, লালা ৰাজপত ৰায়, বিবেকানন্দ, ৰাজেন্দ্ৰ প্ৰসাদ আদি কাণ্ডাৰী ব্যক্তিসকলে হিন্দী ভাষাক ভাৰতৰ "ৰাজ ভাষা" হিচাপে মান্যতা দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। প্ৰকৃতাৰ্থত তেওঁলোকে সমগ্ৰ ভাৰত ভ্ৰমণ কৰোঁতে বুজি পাইছিল হিন্দী ভাষাৰ দ্বাৰাহে উচ্চ-নীচ, খেতিয়ক শ্ৰমিক, শিক্ষিত-অশিক্ষিত নিৰক্ষৰৰ মাজত ভাৱৰ আদান-প্ৰদান কৰিব পাৰি।



ভাৰতীয় আঞ্চলিক বা ৰাজ্যিক কোনো এটা এনে ভাষা নাই যাৰ সহায়ত সমগ্ৰ ভাৰতৰ মানুহৰ মাজত ভাৱ বিনিময় কৰিব পাৰি। এসময়ত চীন পৰিব্ৰাজক হিউয়েন চাঙে, আমেৰিকাৰ ভাস্ক দি গামা, ভাৰতৰ ইংৰাজ শাসনকৰ্তাসকলেও ভাৰতৰ জনগণৰ সৈত্যে হিন্দী ভাষাৰেই ভাৱৰ আদান-প্ৰদান কৰি, ভাৰতীয় সাহিত্য-সংস্কৃতিৰ বিষয়ত জ্ঞান অৰ্জন কৰিবলৈ সক্ষম হৈছিল। আমাৰ অসমৰ সাহিত্য-সংস্কৃতি তথা অসমীয়া ভাষাৰ আৰু বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তক শ্ৰীশ্ৰী শংকৰদেৱৰ ৰচনাৱলীতো ব্ৰজাৱলী, দেৱনাগিৰি ভাষাৰ প্ৰভাৱ দেখা যায়। তেওঁ ভাৰতৰ উত্তৰাংশত ভ্ৰমণ কৰি হিন্দী ভাষাৰে ভাৱৰ আদান-প্ৰদান কৰিছিল আৰু হিন্দী, নাগৰিক, বেঙ্গুলী ভাষাৰ বহু শব্দ অসমীয়া ভাষাৰ বৈষ্ণৱী সাহিত্যত সন্নিৱিষ্ট কৰিছিল।

সেয়ে ভাৰতে স্বাধীনতা লাভ কৰাৰ আগতেই হিন্দী ভাষাক ভাৰতৰ ৰাজভাষা হিচাপে স্বাধীনতা যুঁজাৰুসকলে গ্ৰহণ কৰিছিল আৰু ভাৰতীয় সংবিধানত ৰাষ্ট্ৰৰ ৰাজভাষা স্থান দিয়া হৈছিল। ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে ভাৰতৰ গণতন্ত্ৰ দিৱসত ডঃ আম্বেদকাৰদেৱৰ দ্বাৰা সম্পাদিত ভাৰতীয় সংবিধানখন উন্মোচিত কৰা হয় আৰু সংবিধানত 'হিন্দী' ৰাজভাষা হিচাপে স্থান লাভ কৰে। ভাৰতৰ প্ৰশাসনিত দিশত ইংৰাজী ভাষাক দ্বিতীয় ভাষা হিচাপে ভাৰতৰ সংবিধানত ৰখা হয়। স্বাধীনতাৰ আঠ দশকৰো পিছতো হিন্দী ভাষাক ৰাষ্ট্ৰৰ ৰাজভাষা হিচাপে ৰখা হৈছে, ৰাষ্ট্ৰীয় ভাষা হিচাপে মৰ্য্যদা নাপালেও ভাৰতৰজন সমাজত ৰাষ্ট্ৰীয় ভাষা হিচাপে গ্ৰহণ কৰিছে। প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত অটল বাজপেয়ী তথা বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইউ এন অ (UNO) আৰু বিদেশৰ লগত হোৱা আলোচনা আদিত হিন্দী ভাষাত বক্তব্য আগবঢ়াই আহিছে আৰু হিন্দীক ৰাষ্ট্ৰৰ ৰাষ্ট্ৰ ভাষা হিচাপে মান্যতা দি আহিছে। মোদী চৰকাৰৰ এক ভাষা, এক ভাৰত- এক দেশ ইত্যাদি ভাৱধাৰাৰে ভাৰতীয় জনতাক ঐক্যবদ্ধ হৈ, এক ভাৰতীয় হিচাপে চিহ্নিত কৰাৰ প্ৰয়াস কৰিছে যদিও এচাম লোকে বিদেশী ইংৰাজ ভাষাক গুৰুত্ব দি আহিছে। ই আমাৰ ভাৰতৰ বাবে দুৰ্ভাগ্যৰ বিষয়। বৰ্তমান হিন্দী ভাষাৰ প্ৰসাৰ আৰু প্ৰচাৰ ইমানেই হৈছে যে বিশ্বৰ চীন, জাপান, আমেৰিকা, মৰেচিচ, আফ্ৰিকা, বাংলাদেশ, পাকিস্তান, নেপাল আৰু শ্ৰীলংকাৰ বিদেশতো হিন্দীৰ প্ৰচলন হৈছে। বিদেশী লোকসকলে হিন্দী ভাষা শিকিছে। হিন্দী গৱেষকসকলৰ প্ৰচেষ্টাত হিন্দী ভাষাৰে বিজ্ঞান, চিকিৎসা, ইঞ্জিনিয়েৰিংৰ বহু কিতাপ প্ৰকাশ পাইছে। বেপাৰ বাণিজ্যৰ ক্ষেত্ৰতো ইয়াৰ প্ৰসাৰতা লাভকৰিছে। সেয়ে হিন্দী ভাষা শিকি আমি সমগ্ৰ ভাৰত ভ্ৰমণ কৰি, ভাৰতৰ বিভিন্ন ৰাজ্যৰ জনগণৰ লগত অতি সহজে, সমন্বয় স্থাপন কৰিব পাৰি। ইংৰাজীৰে ভাৰতৰ বিভিন্ন প্ৰান্তৰ তথা স্তৰৰ মানুহৰ মাজত আমি ভাৱৰ আদান-প্ৰদানৰ সময়ত হয়তো আমাৰ মনৰ ভাৱ প্ৰকাশ কৰাত সুবিধা আৰু সহজ হ'ব আৰু হৈছে। কিন্তু ইংৰাজী ভাষাৰে কেৱল এচাম বৌদ্ধিক মহলৰ লগতহে ভাৰতৰ মত বিনিময় হ'ব। কিয়নো আমাৰ ৰাষ্ট্ৰৰ মুঠ জনসংখ্যাৰ শতকৰা ৭০/৮০ ভাগেই সাধাৰণ শ্ৰেণীৰ তথা খেতিয়ক,মজদুৰ শ্ৰমিক শ্ৰেণীৰ লোক। ইংৰাজীৰে মত-বিনিময় কৰাৰ ক্ষেত্ৰত জটীলতা আহে। দ্বিতীয়তে শতকৰা ৮০/৯০ ভাগেই ইংৰাজী ভাষাৰে কথোপকথন কৰিব নোৱাৰে। কিন্তু নিৰক্ষৰ-অশিক্ষিত লোকে হিন্দী বুজিব আৰু ক'ব পাৰে।

সেয়ে আমাৰ আঞ্চলিক ভাষা তথা ৰাজ্যিক ভাষাৰ লগতে হিন্দী ভাষা শিকিব পাৰিলেহে ভাৰতৰ ঐক্য, সংহতি, শান্তি সম্প্ৰীতি আৰু আপোনত্বৰ ভাৱ শক্তিশালী হ'ব। যিমান ভাষা শিকা হয়, সিমানেই আমাৰ জ্ঞান-শিক্ষাৰ পৰিসীমা বৃদ্ধি হয়। আন্তৰাষ্ট্ৰীয় ভাষা হিচাপে ইংৰাজী শিকাটো আৰু শিক্ষা লোৱাটো যিমান দৰকাৰী ঠিক হিন্দী ভাষা শিকাটো আৰু শিক্ষিত হোৱাটো সিমানেই প্ৰয়োজন যাৰ জৰিয়তে আমি আমাৰ ভাৰতীয় হিচাপে পৰিচয় দিব পাৰো। বিশ্বৰ প্ৰায় শতাধিক দেশ আছে আৰু প্ৰতিখন ৰাষ্ট্ৰৰ নিজা ভাষা, লিপি, সাহিত্য-সংস্কৃতি আছে আৰু সেইমতে নিজৰ নিজৰ ৰাষ্ট্ৰীয় স্তৰত চিনাকি দি আহিছে। প্ৰতিখন ৰাষ্ট্ৰৰ ভাৰতৰ দৰেই বহু জনজাতি/জনগোষ্ঠী আৰু ৰাজ্য আছে, মাতৃভাষা আৰু প্ৰান্তীয় ভাষা আছে। তেওঁলোকে নিজৰ নিজৰ মাতৃভাষাৰ লগতে প্ৰান্তীয় ভাষা আছে। কিন্তু নিজৰ নিজৰ ৰাষ্ট্ৰীয় ভাষা আৰু ৰাষ্ট্ৰীয় মৰ্য্যদা অক্ষুণ্ণ ৰাখিছে। সেই একেধৰণে আমি অসম তথা ভাৰতৰ নাগৰিক হিচাপে নিজৰ জাতীয়/মাতৃভাষাৰ লগতে ৰাষ্ট্ৰীয় ভাষা হিন্দী ভাষা শিকাৰ আৱশ্যক। তেহে আমি ভাৰতৰ সাহিত্য-সংস্কৃতি জনাৰ সুবিধা পাব পৰা হয়। ইয়াৰ বাবে আমাৰ দায়িত্ব হৈ পৰে অসমৰ সাহিত্য-সংস্কৃতিক ভাৰতৰ সাহিত্য সংস্কৃতিৰ লগত পৰিচয় কৰোৱা। ইয়াৰ বাবে সহজ-সৰল মাধ্যম হ'ল আমাৰ ৰাষ্ট্ৰীয় ভাষা হিন্দী। অসমীয়া ভাষাৰ সাহিত্য, গীত-মাত, গল্প-কবিতা, প্ৰবন্ধ আদি হিন্দীলৈ অনুবাদ কৰি প্ৰকাশ আৰু প্ৰচাৰ কৰা। লগতে হিন্দী সাহিত্য-সংস্কৃতিৰ কিছু অংশ অসমীয়া ভাষালৈ অনুবাদ বা ৰূপান্তৰ কৰা। এনে কৰিলেহে আমাৰ জাতীয় আৰু ৰাষ্ট্ৰীয় সাহিত্য-সংস্কৃতি সংমিশ্ৰণ হ'ব আৰু সমন্বয়,ভ্ৰাতৃত্বৰ ভাৱ শক্তিশালী হ'ব। সাহিত্য-সংস্কৃতিৰ প্ৰসাৰতাৰ লগতে প্ৰচাৰ বাঢ়িব। হিন্দী ৰাষ্ট্ৰভাষা সমিতিয়ে ভাৰতৰ বিভিন্ন ৰাজ্যৰ বিভিন্ন ভাষা-সাহিত্যৰ অনুবাদ হিন্দী ভাষালৈ কৰিছে। ফলত হিন্দী ভাষা-লিপিৰ মাধ্যমৰে আমি ভাৰতৰ বাবে বৰণীয়া সাহিত্য-সংস্কৃতিৰ বিষয়ত জ্ঞান অৰ্জন কৰিব পাৰো। একে ধৰণেই অসমীয়া সাহিত্য জগতৰ বিষয়ত হিন্দী ভাষাৰ মাধ্যমৰে সমগ্ৰ ভাৰতৰ সাহিত্যত পৰিচয় কৰাব পাৰো। এই দিশত আমাৰ অসম সাহিত্য সভাই পদক্ষেপ ল'ব পাৰে। ফলত অসমীয়া সাহিত্য ভড়াল চহকী হোৱাৰ লগতে ভাৰতীয় সাহিত্যৰ সমাবেশ ঘটিব। সেয়ে এক ভাৰত এক দেশ গঢ়াৰ মানসিকতা আমি ৰাষ্ট্ৰভাষা আৰু আঞ্চলিক ভাষাৰ জৰিয়তে কৰিব পৰা যায়। মাতৃভাষা/ আঞ্চলিক/ জাতীয় ভাষা শিকাৰ যিমান প্ৰয়োজন, ঠিক একে ধৰণে ৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় ভাষা শিকাৰ বা শিক্ষা লোৱাৰ সমান প্ৰয়োজন। ভাষাই আমাৰ মাজত কেৱল সমন্বয় ঘটায় এনে নহয় বৰঞ্চ আমাৰ মাজত ইজনে-সিজনক বুজিবলৈ অৰিহণা যোগায়। ভাতৃত্ববোধ- মানৱতাবোধৰ ভাৱধাৰা সজীৱ আৰু শক্তিশালী কৰি তুলে। শান্তি সম্প্ৰীতিৰ বাট মুকলি কৰে। বিভিন্ন ভাষাৰ সমন্বয়ৰ আঁতৰ ৰাষ্ট্ৰৰ ঐক্য, সংহতি, শান্তি-সম্প্ৰীতি নিহিত আছে বুলি ক'ব পাৰি।

*ঠিকনা ঃ খুমটাই চাহ বাগিচা*

---

বহুসংখ্যক চহকী মানুহৰ ঘৰত বনকৰা ছোৱালীৰ ওপৰত দৈহিক, মানসিক নিৰ্যাতন, যৌন উৎপীড়ন, ধৰ্ষণ আজিৰ তাৰিখত নতুন হৈ থকা নাই। এয়া আজিকালি কাকতে-পত্ৰই দৈনিক প্ৰকাশিত সাধাৰণ ঘটনা। এই বনকৰা ছোৱালীবোৰক দুখীয়া পিতৃ-মাতৃয়ে শিশু অৱস্থাতেই মালিকপক্ষৰ ঘৰত উপাৰ্জন কৰিবলৈ থৈ আহে। এইসকল বনকৰা ছোৱালী যৌৱনত ভৰি দিয়াৰ লগে লগে এওঁলোকক কেন্দ্ৰ কৰি সৃষ্টি হয় কিছুমান সমস্যাৰ।

**সঞ্জয় ৰবিদাস**

# শিশু শ্ৰমিকবোৰ ধনী মানুহৰ ষ্টেটাছ চিম্বল ?

বৰ্তমান সমাজৰ এক চৰ্চিত সমস্যা হ'ল শিশু শ্ৰমিক। শিশু শ্ৰমিকৰ ব্যৱহাৰ আইন নিষিদ্ধ আৰু দণ্ডনীয় অপৰাধ। ১৪ বছৰ অনূৰ্ধ্বৰ শ্ৰমিক সকলেই শিশু শ্ৰমিক। শিশু শ্ৰমিক উদ্ভৱৰ মূল কাৰণ হিচাপে সেইসকল অকৰ্মণ্য, দৰিদ্ৰ আৰু নিৰক্ষৰ পিতৃ-মাতৃসকলক আমি জগৰীয়া কৰিব পাৰোঁ যিসকলে সন্তানক কম বয়সৰ পৰাই উপাৰ্জনৰ কামত নিয়োগ কৰি শিক্ষাৰ সুবিধাৰ পৰা বঞ্চিত কৰে। এই শ্ৰেণীৰ পৰা পিতৃ-মাতৃসকল অদূৰদৰ্শী আৰু শিক্ষাৰ দিশত অসচেতন। মদ, ভাং, বিড়ি, চিগাৰেট, ধঁপাত এওঁলোকৰ মুখৰপৰা নুগুচে। এইচাম ভৱিষ্যতহীন পিতৃ-মাতৃয়ে শিক্ষাৰ মহত্বক উপলব্ধি কৰিলেও বিভিন্ন আজুহাতত সভ্য সমাজখনলৈ তেওঁলোকৰ সন্তানক যেন আগবঢ়াই দিব নোখোজে। সভ্য জাতিৰ বাসিন্দা হিচাপে সুশৃংখল, সন্মানজনক জীৱন যাপন কৰিবলৈ তেওঁলোকৰ ইচ্ছা ক'ত? তেওঁলোকৰ ধাৰণা এয়াই যে সন্তানে জন্ম লৈছে যেতিয়া তেওঁলোকৰ দৰে তেওঁলোকৰ সন্তানেও কাম কৰি দুবেলা-দুমুঠি খাব। সন্তানৰ উপাৰ্জনেৰে পেট পুহিছে যেতিয়া পঢ়াই-লিখাই কি লাভ? এইচাম পিতৃ-মাতৃৰ অসচেতনৰ ফলতেই যুগে যুগে শিশু শ্ৰমিকৰ সৃষ্টি হৈ আহিছে। পৰিয়াল পৰিকল্পনাৰ জ্ঞান নথকা বাবে এইচাম পিতৃ-মাতৃৰ সন্তান জন্ম দিব দিয়া হাৰো অনিয়ন্ত্ৰিত। সন্তান জন্ম দিয়াৰ পাছত তেওঁলোকক শিক্ষা-দীক্ষাৰে একোজনকৈ সু-নাগৰিক হিচাপে গঢ় দিবৰ বাবে এওঁলোকে মুঠেও সংগ্ৰাম নকৰে। বৰঞ্চ পৰিয়ালৰ ভৰণ-পোষণৰ বাবে তেওঁলোকৰ সন্তানকো শৈশৱৰেপৰা উপাৰ্জনৰ কামত নিয়োগ কৰি দিয়ে। নিম্ন বৃত্তিধাৰী এইসকল অভিভাৱকে মালিকপক্ষৰ পৰা ঘৰ চলোৱাৰ নামত সন্তানৰ পাৰিশ্ৰমিক মাহিলি হাৰত আদায় কৰে। বেচেৰা সন্তানে গমেই নাপায়। শৈশৱৰ ফুল, পখিলা, গানৰ পিছত দৌৰা বয়সত হোটেল, ৰেষ্টোৰা, ধাবা, ইটা-ভাটা, দোকান, মানুহৰ ঘৰ আদিত বনকৰা ল'ৰা বা ছোৱালী হিচাপে মালিকৰ চৰ-ভুকু, ঔকিল খাই, অশ্ৰাব্য কৰ্কশ গালি-গালাজৰ মাজত দিন অতিবাহিত কৰিবলৈ বাধ্য হৈ পৰে দুৰ্ভগীয়া শিশু শ্ৰমিক বিলাকে। নগৰ-চহৰৰ অলিয়ে-গলিয়ে শিশু শ্ৰমিকৰ পয়োভৰ। কিন্তু এইসকলক উদ্ধাৰ কৰি শিক্ষালাভৰ পথ সুগম কৰি দিয়াৰ গধুৰ দায়িত্ব লয় কোনে? শিশু শ্ৰমিকৰ ব্যৱহাৰ মানেই শিশু শ্ৰমিক আইন, শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ আইনৰ উলংঘন। এই আইন উলংঘা কৰাসকলে প্ৰকৃততে শাস্তি পাইছেনে? সেয়া এটা গুপুত পৃষ্ঠা হিচাপেই ৰৈ গৈছে। শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ, ২০০৯ অধিনিয়মত প্ৰাথমিক শিক্ষাৰ সংজ্ঞা হিচাপে প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ শিক্ষাক সাঙুৰি লোৱা হৈছে। এই আইনৰ ব্যৱস্থাৰে পিতৃ-মাতৃ আৰু অভিভাৱকসকলৰ ওপৰতো শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্ৰদান ফলপ্ৰসূ কৰাৰ অৰ্থে গুৰু দায়িত্ব অৰ্পণ কৰা হৈছে। পিতৃ-মাতৃ আৰু অভিভাৱকসকলে শিশুৰ ছবছৰৰ পৰা চৈধ্য বছৰ পৰ্যন্ত প্ৰাথমিক শিক্ষা প্ৰদানৰ বাবে সন্তান তথা শিশুসকলক নিকটৱৰ্তী চৰকাৰী বিদ্যালয়ত নামভৰ্তি কৰোৱাটো আইনগত দায়িত্ব। শিশু শ্ৰমিকৰ শিক্ষাৰ অধিকাৰৰ বিষয়টো আওকাণ কৰি অহা হৈছে। আজিও সমাজৰ পৰা সম্পূৰ্ণৰূপে শিশু শ্ৰমিকৰ ব্যৱহাৰ ৰোধ হোৱা নাই। ২০১১চনৰ লোকপিয়লমতে সমগ্ৰ ভাৰতৰ ৫-১৪ বছৰ বয়সৰ মুঠ ২৫৯.৬৪ নিযুত শিশুৰ ৪.৩৫ নিযুতেই শিশু শ্ৰমিক। এক সমীক্ষা মতে, অসমৰ ৪.৯ শতাংশ শিশুৱেই শ্ৰমিক হিচাপে বিভিন্ন সেৱা আৰু উৎপাদন কাৰ্যত নিয়োজিত হৈ আছে। এই সমীক্ষাই শিশু শ্ৰমিক নিষিদ্ধ আইন, ১৯৮৬ৰ নিষ্ক্ৰিয়তাক ভয়ংকৰভাৱে উদঙাই দিছে। ঔদ্যোগিক আইনসমূহত শিশু শ্ৰমিকৰ ব্যৱহাৰ নিষিদ্ধ বুলি উল্লেখ থাকিলেও সেয়া বৰ্তমান ফুটুকাৰ ফেনত পৰিণত হৈছে। অসমৰ দল-সংগঠন, পুলিচ-প্ৰশাসন শিশু শ্ৰমিক ব্যৱহাৰৰ বিৰুদ্ধে ফলপ্ৰসূ কাৰ্যব্যৱস্থা হাতত লোৱা দেখা নাযায়। চৰকাৰে শিক্ষা বঞ্চিত বিদ্যালয় বহিৰ্ভূত শিশু শ্ৰমিকসকলক কৰ্মক্ষেত্ৰৰপৰা উদ্ধাৰ কৰি তেওঁলোকৰ শিক্ষাৰ বাবে আৱাসিক বিদ্যালয়ত নামভৰ্তিৰ সুযোগ প্ৰদান কৰিব পাৰে। আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যৎ। গতিকে, ভৱিষ্যতে সুস্থ, সবল ব্যক্তিত্বৰ শিক্ষিত নাগৰিক দেশক উপহাৰ দিবলৈ সমাজৰ প্ৰতিজন সচেতন ব্যক্তি, দল-সংগঠন, চৰকাৰ-প্ৰশাসনে শিশু শ্ৰমিকৰ ব্যৱহাৰ ৰোধ কৰি দায়বদ্ধতাৰ পৰিচয় দিয়া উচিত। শিক্ষাবিভাগ আৰু প্ৰশাসনৰ এই ক্ষেত্ৰত যথেষ্টখিনি কৰণীয় আছে।

যিসকল শিশু আজি পৰ্যন্ত শ্ৰমিক হিচাপে বিভিন্ন ঠাইত নিয়োজিত হৈ আছে, তেওঁলোক শিক্ষাৰ পোহৰ নোপোৱা দৰিদ্ৰ ঘৰৰ শিশু। তেওঁলোকৰে আজি এই অৱস্থা, দুদিনৰ পাছত বিয়া-বাৰু কৰাই যেতিয়া সন্তানৰ পিতৃ-মাতৃ হ'ব, তেন্তে কি নিশ্চয়তাত ন দি ক'ব পাৰি যে তেওঁলোকৰ ভৱিষ্যতৰ সতি-সন্ততি শিশু শ্ৰমিক নহ'ব? শিশু শ্ৰমিক দৰিদ্ৰতাৰ ফলত হোৱা এক চক্ৰক সমস্যা। পুৰুষৰ পিছত পুৰুষলৈ এই সমস্যা বৰ্তি থাকে। আজিৰ শিশু শ্ৰমিকসকলে ভৱিষ্যতে ডাঙৰ হৈ তেওঁলোকৰ সন্তানক পঢ়ুৱাবলৈ, সন্তানৰ বেমাৰ-আজাৰত ব্যয় কৰিবলৈ ক'ত ইমানবোৰ পইচা পাব? সন্তানক দুবেলা-দুমুঠি ভালকৈ খুৱাবলৈ-পৰা পিন্ধাবলৈ আজিৰ অত্যধিক মূল্যবৃদ্ধিৰ যুগত তেওঁলোকে নিশ্চয় হাৰ মানিব। এই সমস্যাৰ স্থায়ী সমাধান বিচাৰি উলিয়াবই লাগিব। কাৰণ শিশু শ্ৰমিকৰ সমস্যা থকালৈকে পুৰুষে পুৰুষে শিশুৰ খাদ্য, বস্ত্ৰ, বাসস্থান, শিক্ষা-দীক্ষা, সু-স্বাস্থ্য, পৰিপুষ্টি আৰু নিৰাপত্তাৰ অভাৱ আদি অলেখ সমস্যাবোৰৰ কোনোদিনে ওৰ নপৰিব। সেইবাবে শিশু শ্ৰমিকৰ সমস্যাটো এটা সাধাৰণ একমুখী সমস্যা বুলি ভাবি হাত-সাবটি বহি থাকিলে আমাৰ সমাজখন সামগ্ৰিক উন্নতিৰ দিশত অপূৰ্ণ হৈ ৰ'ব। চৰকাৰেও আগ্ৰহ দেখুৱাব লাগিব। শিশু শ্ৰমিক, ফুটপাথৰ শিশু ভিক্ষাৰীৰ বাবে চৰকাৰে ডাঙৰ ডাঙৰ আবাসিক গৃহ নিৰ্মাণ কৰি তাত এনে অভাৱগ্ৰস্ত শিশুসকলক বিনামূলীয়া থকা-খোৱাৰ সুবিধা কৰি দি বিনামূলীয়া শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব পাৰে।

বহুসংখ্যক চহকী মানুহৰ ঘৰত বনকৰা ছোৱালীৰ ওপৰত দৈহিক, মানসিক নিৰ্যাতন, যৌন উৎপীড়ন, ধৰ্ষণ আজিৰ তাৰিখত নতুন হৈ থকা নাই। এয়া আজিকালি কাকতে-পত্ৰই দৈনিক প্ৰকাশিত সাধাৰণ ঘটনা। এই বনকৰা ছোৱালীবোৰক দুখীয়া পিতৃ-মাতৃয়ে শিশু অৱস্থাতেই মালিকপক্ষৰ ঘৰত উপাৰ্জন কৰিবলৈ থৈ আহে। এইসকল বনকৰা ছোৱালী যৌৱনত ভৰি দিয়াৰ লগে লগে এওঁলোকক কেন্দ্ৰ কৰি সৃষ্টি হয় কিছুমান সমস্যাৰ। কেতিয়াবা দৈহিক উৎপীড়নৰ বাবে আত্মহত্যাও কৰিব লগা হয় এওঁলোকে অথবা কেতিয়াবা হত্যা কৰা হয় এওঁলোকক। কৰ্মস্থলী দূৰ হোৱাৰ বাবে দৰিদ্ৰ পিতৃ-মাতৃয়ে আনৰ ঘৰত তেওঁলোকৰ জীয়ৰিৰ শাৰীৰিক আৰু মানসিক অৱস্থাৰ সঘনে বুজ লৈ থাকিবলৈ অক্ষম আৰু অপাৰগ। আনহাতে এইক্ষেত্ৰত তেওঁলোক নিৰুপায়ো, কাৰণ তেওঁলোক টকা-পইচাৰ দুখীয়া হোৱা বাবে গাভৰু জীয়েকক ভালকৈ খুৱাবই নে পিন্ধাবই? বিয়াই দিব বা কেনেকৈ? এনেকৈয়ে চাৰখাৰ হয় শিশু শ্ৰমিক সকলৰ আশা আৰু জীৱন। এই শিশু শ্ৰমিকসকলে জন্ম দিয়া পিতৃ-মাতৃৰ আজ্ঞামতে বাধ্যত পৰিহে পেটৰ ভোকৰ বাবে চলাই নিয়ে তেওঁলোকৰ জীৱন সংগ্ৰাম। এয়া বাস্তৱ সত্য যে প্ৰত্যেকজন শিশু শ্ৰমিকেই নিজ পিতৃ-মাতৃক ঘিণাৰ চকুৰে চায়। তেওঁলোকৰ পিতৃ-মাতৃয়ে তেওঁলোকৰ পৰা কেতিয়াও শ্ৰদ্ধা, আদৰ-সন্মান নাপায়, বৰঞ্চ ডাঙৰ হৈ বুজিব পৰা হোৱাৰ লগে লগে পিতৃ- মাতৃক তেওঁলোকে গুৰুত্বহীন বুলি বিবেচনা কৰিবলৈ আৰম্ভ কৰে এইবুলি ভাবি যে পিতৃ-মাতৃয়ে নপঢ়াই-নিলিখাই তেওঁলোকৰ জীৱন ধ্বংস কৰি দিলে। শিশু শ্ৰমিকসকলক কৰ্মস্থলীৰ পৰা উদ্ধাৰৰ নকৰাৰ বিনিময়ত পুলিচে মালিকপক্ষৰ পৰা উৎকোচ লাভ কৰে। বাতৰিকাকতত শিশু শ্ৰমিক ব্যৱহাৰৰ খবৰহে প্ৰকাশ পায়, কাৰ্যত সকলো অসাৰ। এইক্ষেত্ৰত প্ৰশাসন জগৰীয়া। শিশু শ্ৰমিক ব্যৱহাৰ সম্পৰ্কে মালিকপক্ষই কয়- 'আমিতো ৰখা নাই, দেউতাকেহে থৈ গৈছে, কাম কৰে পইচা লয়, এনেয়ে খটুওৱা নাই নহয়' ইত্যাদি ইত্যাদি। তেওঁলোকৰ মতে তেওঁলোকে শিশুসকলক কাম দিয়াটো একপ্ৰকাৰ উপকাৰহে, অন্য অৰ্থত দয়া। এওঁলোকে ভালকৈ জানে পুলিচে শিশু শ্ৰমিকসকলক উদ্ধাৰ কৰি লৈ গ'লে তেওঁলোকে সহজে কাম কৰা অন্য ল'ৰা নাপায়, কেনেবাকৈ পালেও কম পাৰিশ্ৰমিকত খটুৱাব নোৱাৰি। সেইবাবে পুলিচক সন্তুষ্ট কৰি শিশু শ্ৰমিকসকলক ৰাখি থয় আৰু পুলিচেও বিশেষ মূৰ নঘমায়। ফলত ক্ৰমে ক্ৰমে শিশু শ্ৰমিকবোৰ ধনী মানুহৰ ষ্টেটাছ চিম্বললৈ পৰিণত হোৱা পৰিলক্ষিত হৈছে। শিশু শ্ৰমিকৰ ব্যৱহাৰ কৰি অহা এনে ধনী মানুহৰ বিৰুদ্ধে চৰকাৰে কিয় ব্যৱস্থা গ্ৰহণ নকৰে? কিয় শিশু শ্ৰমিকৰ ব্যৱহাৰৰ বিৰুদ্ধে অভিযান নচলে?

শিক্ষাৰ ক্ষেত্ৰত অজ্ঞ, এলেহুৱা, নিৰক্ষৰ আৰু দৰিদ্ৰ পিতৃ-মাতৃয়েই শিশু শ্ৰমিক সৃষ্টিৰ মূল শিপা। এওঁলোকৰ নিৰক্ষৰতা, আলস্যতা আৰু দৰিদ্ৰ অৱস্থাৰ বাবেই শিশু শ্ৰমিকৰ সংখ্যা দিনক-দিনে বাঢ়ি আহে জন্মগত দৰিদ্ৰতা, অন্ধ ভৱিষ্যতৰ বিৰুদ্ধে এওঁলোকৰ সংগ্ৰামৰ মানসিকতা নথকা হেতু আৰু পৰিয়াল পৰিকল্পনা, শিক্ষাৰ ক্ষেত্ৰত সচেতনতাৰ অভাৱে শিশু শ্ৰমিকৰ সমস্যাটোত অৰিহণা যোগাইছে। দুখীয়া ঘৰত জন্ম লোৱাটো লাজৰ কথা নহয়, কিন্তু দুখীয়া হৈয়ে মৃত্যুবৰণ কৰাটোহে লাজৰ বিষয়। এই সমস্যা যদি বাহাল থাকে, তেন্তে দৰিদ্ৰতা, নিৰক্ষৰতা, শিশু শ্ৰমিক আদি সমস্যাসমূহৰ কেতিয়াও শেষ নহয়। এইক্ষেত্ৰত এওঁলোকৰ উজ্জ্বল ভৱিষ্যৎ আৰু কল্যাণাৰ্থে চৰকাৰৰ তৰফৰ পৰা সৰ্বতোপ্ৰকাৰৰ চেষ্টা একান্তই বাঞ্ছনীয়। সমাজৰ পৰা শিশু শ্ৰমিক নিৰ্মূল কৰাৰ ক্ষেত্ৰত সাংবাদিক, স্বেচ্ছাসেৱী সংগঠন, জাতীয় সংগঠন সমূহৰ নিশ্চয় কৰণীয় আছে। ইয়াৰ উপৰি আমি সকলোৱে সমাজৰ সামগ্ৰিক উত্তৰণৰ দিশটোলৈ চকু ৰাখি শিশু শ্ৰমিক ব্যৱহাৰ আৰু নিয়োগৰ বিৰুদ্ধে মাত মাতি তেওঁলোকৰ উন্নত ভৱিষ্যতৰ অৰ্থে তেওঁলোকক শিক্ষাৰ পোহৰ দি শিক্ষিত কৰি তোলাৰ বাবে পদক্ষেপ গ্ৰহণ কৰাটো জৰুৰী। সমাজৰ পৰা এই সমস্যাটো আঁতৰ কৰিব পাৰিলেহে উন্নয়নৰ বাটত হেঙাৰ হিচাপে থিয় দিয়া দৰিদ্ৰতা নিৰক্ষৰতা আদি সমস্যাবোৰ ভৱিষ্যতে স্বত: স্ফূৰ্তভাৱে আঁতৰ হ'ব আৰু তেতিয়াহে আমি এখন শক্তিশালী, উন্নত আৰু এশ শতাংশ শিক্ষিত লোকেৰে এখন সভ্য সমাজৰ গৰাকী হ'ব পাৰিম।

*লেখকৰ ঠিকনা ঃ বৰহোলা, যোৰহাট*
*ম'বাইল ঃ ৬৯০১১৫৪৫৮৩*

---

# সমাজ সেৱা নে আত্মসেৱা ?

এটা কথা লক্ষ্য কৰিবলগীয়া যে কিছুমান ব্যক্তিয়ে "সমাজ সেৱা"ৰ জৰিয়তে নিজৰ সময়, শ্ৰম আৰু ধন খৰচ কৰি আন্তৰিকতাৰে কাম আৰম্ভ কৰে। কিন্তু যেতিয়া তেওঁলোকে এটা নিৰ্দিষ্ট ধৰণৰ স্বীকৃতি লাভ কৰে, তেতিয়া তেওঁলোকৰ কামৰ ধৰণটো লাহে লাহে সলনি হ'বলৈ ধৰে। সমাজ সেৱাৰ নাম লৈ তেওঁলোকে আনৰ পৰা ধন-সাহায্য বিচাৰিবলৈ লয়। আৰম্ভণিতে যিটো কাম নিঃস্বাৰ্থভাৱে কৰিছিল, সেয়া সময়ৰ সৈতে এক ব্যক্তিগত উপাৰ্জনৰ উৎসলৈ ৰূপান্তৰিত হৈ পৰে।



সমাজ সেৱা মূলতে এটা নিঃস্বাৰ্থ কাৰ্য — যাৰ মূলত থাকে মানৱীয় মৰম, সহানুভূতি আৰু সমূহীয় কল্যাণৰ প্ৰতি এটা আন্তৰিক প্ৰতিশ্ৰুতি। যিসকলে প্ৰকৃত অৰ্থত সমাজৰ বাবে কিছু কৰিবলৈ আগ্ৰহী, তেওঁলোকে নিজৰ সাধ্যানুসাৰে আৰম্ভ কৰা উচিত — সেইটো সময়, জ্ঞান, ধন বা শাৰীৰিক পৰিশ্ৰম যিয়েই নহওক। এই আধাৰত কাম আৰম্ভ কৰিলে সেই সেৱা সত্য আন্তৰিকতা আৰু নৈতিক সততাত প্ৰতিষ্ঠিত হয়। কিন্তু যেতিয়া কোনো ব্যক্তি নিজৰ পদক্ষেপ বাস্তৱায়নৰ বাবে মূলতঃ আনৰ অনুদানত নিৰ্ভৰ কৰে, আৰু তাৰ ফলত বঁটা, সংবাদমাধ্যমৰ মনোযোগ বা সামাজিক প্ৰতিপত্তি লাভ কৰে, তেতিয়া এটা গুৰুত্বপূৰ্ণ নৈতিক প্ৰশ্ন উঠি পৰে —"মই সঁচাকৈয়ে সমাজৰ সেৱা কৰিছোঁ নে আনৰ উদাৰতাক নিজৰ প্ৰতিষ্ঠা আৰু প্ৰতিপত্তি গঢ়াৰ সঁজুলিৰূপে ব্যৱহাৰ কৰিছোঁ?"

সমাজ সেৱাক যদি স্বচ্ছতা আৰু জবাবদিহিতা অবিহনে এটা পূৰ্ণাংগ বৃত্তি বা ব্যৱসায় হিচাপে ৰূপান্তৰ কৰা হয়, তেন্তে সেইটো সেৱাৰ প্ৰকৃত মনোভাৱৰ বিপৰীত। যেতিয়া সমাজসেৱাৰ চালিকা শক্তি জনকল্যাণৰ পৰিৱৰ্তে ব্যক্তিগত লাভালাভলৈ ৰূপান্তৰ হয়, তেতিয়া সেই সেৱামূলক প্ৰচেষ্টাৰ বিশ্বাসযোগ্যতা আৰু মুখ্য উদ্দেশ্য উভয়েই সন্দেহৰ সৃষ্টি কৰে। সেয়ে, যিসকলে সমাজৰ কল্যাণৰ উদ্দেশ্যে সঁচাকৈয়ে কাম কৰিব বিচাৰে, তেওঁলোকে আন্তৰিকতা, নম্ৰতা আৰু সততাৰ সৈতে সেই প্ৰচেষ্টা আগবঢ়োৱাটো অত্যন্ত প্ৰয়োজনীয়। নিজে কোনো ব্যক্তিগত অৱদান নিদিয়াকৈ প্ৰশংসা বা স্বীকৃতি গ্ৰহণ কৰাটো সমাজ সেৱাৰ মূল নীতিকেই অসন্মান কৰে। যিসকলে আনৰ দ্বাৰা দান কৰা ধনৰ সহায়ত সমাজসেৱাৰ কাৰ্য আগবঢ়ায়, তেওঁলোকে নিজৰ বাবে স্বীকৃতি বা প্ৰশংসা বিচৰাৰ পৰা বিৰত থাকিবলৈ বিশেষভাৱে সচেতন হ'ব লাগে।

স্বাৰ্থপৰতা নহয়, পৰিপূৰ্ণ আন্তৰিকতা আৰু নিঃস্বাৰ্থ মনোভাৱৰে আগবঢ়োৱা সমাজ সেৱাহে এক সহানুভূতিশীল, নৈতিক আৰু দায়িত্বশীল সমাজ গঠন কৰাত সহায়ক হ'ব পাৰে।

**ড° বুলজিৎ বুঢ়াগোহাঁই**
মুৰব্বী, যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগ,
অসম ডন বস্ক' বিশ্ববিদ্যালয়

### দুটামাহত মাছৰ পুনা বিক্ৰী কৰি লক্ষ্যাধিক উপাৰ্জন কৰা মীন পালক প্ৰাঞ্জল বৰাকে ধৰি কুৰিৰো অধিক মীন পালকক সম্বৰ্ধনা

# মাজুলীত ৰাষ্ট্ৰীয় মীন পালক দিৱস উদযাপন

**উজনী মাজুলী, ১০ জুলাই ঃ** ৰাষ্ট্ৰীয় মীন পালক দিৱস উপলক্ষে আজি মাজুলী কমলাবাৰীৰ বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ত মাজুলীৰ মীন ক্ষেত্ৰ খনক লৈ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয় ।মাজুলীৰ মীন পালকৰ উদ্যোগত জিলা মীন বিভাগৰ সহযোগত ৰাষ্ট্ৰীয় মীন পালক দিৱস উদযাপন কাৰ্যসূচীত পুৱা বন্তি প্ৰজ্বলন কৰে মাজুলীৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে । মাজুলী কমলাবাৰী বিবেকানন্দ্ৰ কেন্দ্ৰ বিদ্যালয়ত উদযাপন হোৱা এই কাৰ্যসূচীত আদৰণি ভাষন প্ৰদান কৰি মাজুলীৰ মীন বিষয়া ভদ্ৰেশ্বৰ মিলিয়ে মীন পালক দিৱসৰ লগত সংগতি ৰাখি এই দিৱসৰ তাপৰ্য্য আৰু উদ্দেশ্যৰ লগতে কয় যে ১৯৫৭ চনৰ ১০ জুলাই ত ওড়িশাত প্ৰথমবাৰৰ বাবে কৃত্ৰিমভাৱে মাছৰ কণী উৎপাদন কৰি সাফলতা লাভ কৰিছিল আৰু তেতিয়াৰ পৰাই ১০ জুলাইৰ দিনটো মীন পালক দিৱস হিচাপে পালন কৰি অহা হৈছে বুলি উল্লেখ কৰে । মাজুলীত মীন পালনৰ সম্ভাৱনাৰ ওপৰতো বিষয়া জনে মন্তব্য প্ৰদান কৰে । সভাখনত মাজুলীৰ মীন ক্ষেত্ৰ খনক লৈ দেখা সপোনৰ কথা উল্লেখ কৰি মাজুলীৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে মাজুলীৰ বায়ু মাজুলীৰ জলপৃষ্ঠ মীন পালনৰ বাবে অতি উপযোগী বুলি উল্লেখ কৰি মীন পালনেৰে মাজুলীৰ মীন পালকক স্বাৱলম্বী কৰা মাজুলীৰ বাহিৰলৈ মাছৰ পুনাৰ ব্যৱসায় সম্পসাৰন কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা 'মাজুলীত ঘৰে ঘৰে পুখুৰী ঘৰে ঘৰে মাছ' এই লক্ষ্য পুৰন কৰাৰ ওপৰত গুৰুত্ব দি মীনপালকক সততাৰে কাম কৰি যাবলৈ আহ্বান জনাই । সভাখনত মাজুলী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক ৰাজেন শইকীয়াই মীন পালন আৰু মাজুলীৰ অৰ্থনীতি টনকিয়াল কৰাৰ দিশত বক্তব্য প্ৰদান কৰাৰ লগতে মাজুলীৰ অৰ্থনীতি টনকিয়াল কৰাৰ বাবে মাজুলীৰ আয়ুক্ত ই গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লয় । মীন পালনৰ ওপৰত ভাষন ৰাখি মাজুলীৰ আৰক্ষী অধীক্ষক বিবেকানন্দ দাসে মাজুলীৰ মীন পালকে মাজুলীতেই মাছৰ বজাৰ খন ধৰি নাৰাখি মাজুলীৰ বাহিৰতো কিদৰে মাছৰ বজাৰৰ সম্পসাৰন কৰিব পাৰি তাৰ ওপৰত বক্তব্য ৰাখে । মাজুলীৰ অন্যতম মহিলা মীন পালক লক্ষীমাই শইকীয়া বৰাই নিজৰ অভিজ্ঞতাৰ বিষয়ে মন্তব্য কৰি পাঁচ বছৰত কিদৰে ৩০ লাখৰো অধিক মাছ বিক্ৰী কৰি আজি এজন সফল ব্যৱসায়ী হব পাৰিছে তাৰ সম্পৰ্কে মন্তব্য প্ৰদান কৰাৰ লগতে মীন আৰু কৃষি কৰ্মত ব্যস্ত হোৱাৰ সময়ত সন্মুখিন হোৱা প্ৰত্যাহ্বানৰ ওপৰত আলোকপাত কৰে । সভাখনত সাংবাদিক দিপু বৰা , খগেন দাস , উমাৰাম হাজৰিকাকে ধৰি বিভিন্ন জন মীন পালকে মীন পালনৰ দিশত বক্তব্য প্ৰাদান কৰে । এই সভাতেই মাজুলীত ৫০০০ পৰা ১৫০০ টকা ব্যয়ৰে ভ্ৰূন পুনা পালন কৰি নিজা প্ৰচেষ্টাত মাছৰ পুনা বিক্ৰী কৰি দুটামাহৰ ভিতৰত ৩০ পৰা ১ লাখ টকা পৰ্যন্ত উপাৰ্জন কৰা মাজুলীৰ বিভিন্ন স্থানৰ মীন পালক উমাকান্ত মিলি ,অজয় মিলি, পূৰ্ণ কলিতা ,ৰেব দাস , দিপ্তী দাস ( দম্পতী ) বীনাপানি দাস ,অসিমী দাস , নাৰায়ণ শইকীয়াৰ লগতে ১০ জনৰো অধিক মীন পালকক সম্বৰ্ধনা জনোৱা হয় । ইফালে এই সভাতে মাজুলী জিলা প্ৰশাসনৰ তৎপৰতাত মাজুলীৰ মাছৰ পুনা উৎপাদনৰ ক্ষেত্ৰ খন গঢ়ি তুলাত প্ৰধান ভূমিকা লোৱা কুহিঁ মীনপামৰ স্বত্বাধিকাৰী প্ৰাঞ্জল বৰা , লক্ষিমী শইকীয়া বৰাক সম্বৰ্ধনা জনোৱা হয় ।আজিৰ এই গুৰুত্বপূৰ্ণ সভাখনৰ আঁত ধৰে মীন বিভাগৰ বিষয়া পিংকী শইকীয়াই ।সভাখনত সহকাৰী আয়ুক্ত সুৰুজ সোনোৱাল , উদ্যোগিক বাণিজ্য বিভাগৰ সহ প্ৰবন্ধক জনাৰ্দন দাস , মীন বিভাগৰ বিষয়া মনশ্ৰী ডেকা চিন্তে, সমাজকৰ্মী পল্লৱী পায়েং , মীন সমবায় সমিতিৰ বিভিন্নজন লোক , মাজুলীৰ বিভিন্ন স্থানৰ পৰা অহা মীন পালক সকল উপস্থিত থাকে।

# গোলাঘাটত বাহকজনিত ৰোগ প্ৰতিৰোধ কৰাৰ বাবে বিশেষ অভিযান

**ষ্টাফ ৰিপোৰ্টাৰ, গোলাঘাট, ১০ জুলাইঃ** গোলাঘাট জিলাত বাহকজনিত ৰোগ প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত বিশেষ অভিযান হাতত লোৱা হৈছে। জিলা প্ৰশাসনৰ নিৰ্দেশনা মৰ্মে জিলাখনৰ প্ৰত্যেক গাঁৱতে স্বাস্থ্য বিভাগৰ সজাগতা সভা আৰু স্বাস্থ্য শিবিৰ ইতিমধ্যে চলি আছে। ইয়াৰ লগতে জাপানীজ এনকেফেলাইটিছ ৰোগ নিয়ন্ত্ৰণ কৰাৰ বাবে আজিৰে পৰা গোলাঘাট নগৰৰ প্ৰত্যেক ৱাৰ্ডত জাপানীজ এনকেফেলাইটিছৰ বিষয়ে সজাগতা অভিযান অনুষ্ঠিত কৰা হৈছে। এই কাৰ্যসূচী ১৪ জুলাই পৰ্যন্ত চলিব। বাহকজনিত ৰোগ যেনে জাপানীজ এনকেফেলাইটিছ, ডেংগু, মেলেৰিয়া ৰোগৰ প্ৰতিৰোধৰ বাবে ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰাৰ হেতু স্বাস্থ্য কৰ্মীসকলে ৱাৰ্ড কমিছনাৰ সকলৰ লগত সহযোগ কৰি যিকোনো জ্বৰ বা অন্য লক্ষণ দেখা দিলে ততালিকে তেজ পৰীক্ষা কৰি প্ৰয়োজনিয় চিকিৎসা ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে আহ্বান জনোৱা হৈছে।

# ৰংদৈৰ সৰবৰহী মহিলাৰ মৃত্যু

**অসম বাৰ্তা যোৰহাট, ১০ জুলাইঃ** উত্তৰ যোৰহাটৰ ৰংদৈ বামুণ গাঁৱৰ পদুমী শইকীয়া(৯৪)ৰ আজি দোকমোকালিতে বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। ৰংদৈৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত সৰবৰহী মহিলাগৰাকীয়ে বহু বছৰৰ ধৰি বৰনামঘৰৰ মহিলাসকলৰ নাম পৰিচালনা কৰিছিল। তেওঁৰ মৃত্যুত বৰ নামঘৰ পৰিচালনা সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰে । তেখেতৰ মৃত্যু ত অঞ্চলটোত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ এগৰাকী কন্যা সহ আত্মীয়ক এৰি থৈ গৈছে।

# উপৰহালীত শনি বাবাৰ জন্মাষ্টমী উদযাপন সমিতি গঠন

**অসমবাৰ্তা ,দক্ষিণ কামৰূপ, ১০ জুলাইঃ** উপৰহালীস্থিত শনি মন্দিৰত প্ৰত্যেক বছৰৰ দৰে এই বেলিও অহা ১৬ আগষ্ট শনিবাৰে শ্ৰীশ্ৰী শনিবাবাৰ জন্মাষ্টমী উপলক্ষে দিনযোৰা কাৰ্যসূচীৰে ভক্তগণৰ মংগলৰ অৰ্থে হোম যজ্ঞ অনুষ্ঠিত কৰাৰ মনস্থ কৰা হৈছে সেই উপলক্ষে শনি মন্দিৰ পৰিচলনা সমিটিয়ে উক্ত অনুষ্ঠানটি সাফল্যমণ্ডিত কৰাৰ বাবে এখনি উদযাপন সমিতি শ্ৰী বিপ্ৰ কুমাৰ তালুকদাৰক সভাপতি আৰু ৰবিন কলিতাক, উপ-সভাপতি ৰতন ঠাকুৰীয়াক, সাধাৰণ সম্পাদক , সহসম্পাদক বেনুধৰ তালুকদাৰ,ৰবিন ডেকা,যোগেন দাস,নৰ তালুকদাক হিচাপ পৰীক্ষক,কোষাধ্যক্ষ অজিত তালুকদাৰ, কাৰ্যালয় সম্পাদক নীলকমল দাস,কুশল তালুকদাৰ , অজিত তালুকদাৰ , বিৰেন ঠাকুৰীয়া , মুনিন্দ তালুকদাৰ , অনুজ তালুকদাৰক লৈ ২১ জন ব্যক্তিক সামৰি নতুন কমিতি গঠন কৰি অনুষ্ঠানটি পৰিচালনা কৰিবলৈ দায়িত্ব প্ৰদান কৰে ।

# হাঁহচৰা চাৰিআলিত ভয়ংকৰ দুৰ্ঘটনা গুৰুতৰভাৱে আহত মটৰচাইকেল আৰোহী

**অসম বাৰ্তা, আমগুৰি, ১০ জুলাইঃ** যোৰহাট জিলাৰ জাঁজী অঞ্চলৰ হাঁহচৰা চাৰিআলিত আজি সন্ধিয়া সংঘটিত এক পথ দুৰ্ঘটনাত এজন মটৰচাইকেল আৰোহীয়ে গুৰুতৰ আঘাত প্ৰাপ্ত হয়। প্ৰাপ্ত তথ্য অনুসৰি এএছ-০৩-এপি-০৯৫১ নম্বৰৰ এখন টয়টা গেঞ্জা বাহনে জাঁজীৰ দিশৰ পৰা আহি ৰাষ্ট্ৰীয় ঘাই পথ অতিক্ৰম কৰাৰ সময়তে, যোৰহাট অভিমুখী নম্বৰপ্লেটবিহীন আৰু অতি বেগত আহি থকা এখন য়ামাহা আৰ-ৱান ৫ মটৰচাইকেলে মুখামুখিকৈ খুন্দা মাৰে। দুৰ্ঘটনাৰ ফলত মটৰচাইকেল আৰোহীজন গুৰুতৰভাৱে আঘাত প্ৰাপ্ত হয়। আৰক্ষী ঘটনাস্থলত উপস্থিত হৈ আহত ব্যক্তিজনক সংকটজনক অৱস্থাত তৎক্ষণাৎ টীয়ক এফ আৰ ইউলৈ প্ৰেৰণ কৰে। সংবাদ যুগুতোৱা সময়লৈকে আহত ব্যক্তিজনৰ নাম-ঠিকনা জানিব পৰা হোৱা নাই । ঘটনাটোৱে অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে।

# পঞ্চায়তত সভানেত্ৰী, উপ-সভানেত্ৰী নিৰ্বাচনত পক্ষপাত কৰাৰ অভিযোগ

## এছডিচি মুৰ্দাবাদ ধ্বনিৰে উত্তাল বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ কাৰ্যালয়

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১০ জুলাই ঃ** মুকালমুৱাত অনিয়মেৰে গাঁও পঞ্চায়ত গঠন কৰাৰ ঘটনা পোহৰলৈ আহিছে। ৫১ নম্বৰ মুকালমুৱা গাঁও পঞ্চায়তৰ সভানেত্ৰী পদত নিৰ্বাচিত হৈছে ৰুবি চুলতানা। অনিয়মেৰে সভাপতি নিৰ্বাচিত কৰাৰ অভিযোগ এগৰাকী ৱাৰ্ড সদস্যৰ। অৱশ্যে এই অভিযোগ সম্পূৰ্নৰূপে খণ্ডন কৰে নৱ নিৰ্বাচিত সভানেত্ৰী ৰুবি চুলতানাই। বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত ৫১ নম্বৰ মুকালমুৱা গাঁও পঞ্চায়তখন আজি গঠন কৰা হয়। আঠগৰাকী ৱাৰ্ড সদস্যৰ সমৰ্থনত ৭ নম্বৰ ৱাৰ্ডৰ সদস্য ৰুবি চুলতানা সভানেত্ৰী হিচাপে আৰু ৬ নম্বৰ ৱাৰ্ডৰ সদস্য জিলিমা বেগম চৌধুৰী উপ সভানেত্ৰী পদত নিৰ্বাচিত হয়। পঞ্চায়ত কমিটিখন গঠন কৰা হয় যদিও এগৰাকী ৱাৰ্ড সদস্যই পঞ্চায়ত কমিটি গঠন প্ৰক্ৰিয়াত অনিয়ম সংঘটিত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰে। ৯ নম্বৰ ৱাৰ্ডৰ সদস্য প্ৰমিলা বেগমৰ অভিযোগ অনুসৰি সভানেত্ৰী পদৰ বাবে ৰুবি চুলতানাৰ সমৰ্থনত ঘৰতেই প্ৰস্তাৱ লিখি লৈ আহিছিল। আগতীয়াকৈ লিখি অনা প্ৰস্তাৱখনকে গ্ৰহণ কৰি ৰুবি চুলতানাক সভানেত্ৰী হিচাপে নিৰ্বাচিত কৰাৰ অভিযোগ উত্থাপন কৰে প্ৰমিলা বেগমে। ইয়াকে লৈ প্ৰমিলা বেগমৰ সমৰ্থকে বৰক্ষেত্ৰী উন্নয়ন খণ্ডৰ চৌহদত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰাৰ লগতে অনিয়মেৰে পঞ্চায়তখন গঠন কৰা বুলি অভিযোগ উত্থাপন কৰে। ইফালে এই অভিযোগ সম্পূৰ্ণ ৰূপে খণ্ডন কৰি সম্পূৰ্ণ নিয়মৰ ভিতৰত আঠগৰাকী ৱাৰ্ড সদস্যৰ সমৰ্থনত সভানেত্ৰী হিচাপে নিৰ্বাচিত হোৱা বুলি কয় ৰুবি চুলতানাই ।আনহাতে,পঞ্চায়তখনৰ ৮ নম্বৰ ৱাৰ্ডৰ সদস্য পদত জুনুমা বেগম জয়ী হৈছিল ।জয়ী হোৱাৰ পিছতে জুনুমা বেগমৰ বিৰুদ্ধে নিৰ্বাচন আয়োগক ভুৱা নথি পত্ৰ দাখিল কৰাৰো অভিযোগ উত্থাপন হোৱাত জুনুমা বেগমে কেইদিনমান পূৰ্বে ৱাৰ্ড সদস্য পদৰ পৰা অব্যাহতি লয় । যাৰ পৰিপ্ৰেক্ষিতত আজি মুকালমুৱা গাঁও পঞ্চায়তত ৯ গৰাকী ৱাৰ্ড সদস্যৰে পঞ্চায়তখন গঠন কৰা হয়। যদিহে সদস্যগৰাকীৰ অভিযোগ সঁচা হয় এই ক্ষেত্ৰত পঞ্চায়ত মন্ত্ৰী ৰঞ্জিত দাসে ভুক্তভোগী সদস্যগৰাকীক ন্যায় প্ৰদানৰ ক্ষেত্ৰত কি ভূমিকা পালন কৰে সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব।

# বৰহাটৰ পইতাখাত গাঁৱৰ অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষক তথা বিশিষ্ট সমাজকৰ্মী সৰ্বেশ্বৰ গগৈৰ দেহাৱসান

**অসম বাৰ্তা বৰহাট, ১০ জুলাইঃ** চৰাইদেউ জিলাৰ বৰুৱাছালি মৌজাৰ অন্তৰ্গত অসম অৰুণাচলৰ সীমান্তৱৰ্তী বৃহত্তৰ বৰহাটৰ চৰাইপুঙ অঞ্চলৰ ১৯৬৩ চনতে নগাহাট মধ্য ইংৰাজী বিদ্যালয় আৰু ১৯৭২ চনত নগাহাট উচ্চ ইংৰাজী বিদ্যালয় নামেৰে প্ৰাণ প্ৰতিষ্ঠা হোৱা জ্ঞানৰ মন্দিৰ দুটিৰ প্ৰতিষ্ঠা কালৰে পৰা প্ৰধান শিক্ষকৰ দায়িত্বত কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰা প্ৰধান শিক্ষক তথা বৃহত্তৰ চৰাইপুং আৰু বৰহাট অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী সৰ্বেশ্বৰ গগৈ ( ৮৮ ) ৰ যোৱা ৯ জুলাই তাৰিখে বুধবাৰে নিজ বাসগৃহত মৃত্যু হয় । তেওঁৰ মৃত্যুত বৃহত্তৰ বৰহাট আৰু চৰাইপুংৰ বৌদ্ধিক মহলত শোকৰ ছাঁ পৰে । অঞ্চলটোৰ এগৰাকী সচেতন তথা অগ্ৰণী ব্যক্তি হিচাপে পৰিচিত সৰ্বেশ্বৰ গগৈয়ে যোৱা দুটা বৰ্ষ ধৰি বিভিন্ন ৰোগত আক্ৰান্ত হৈ আছিল। মৃত সৰ্বেশ্বৰ গগৈয় শিক্ষকতা বৃত্তিৰ উপৰিও নিজে এজন সাধাৰণ খেতিয়কৰ দৰে কৃষি কৰ্মত নিয়োজিত হৈ নিজে শ্ৰম কৰি উৎপাদিত ফচল বজাৰত বিক্ৰী কৰিছিল । শিক্ষকতা জীৱনত মানৱ সম্পদ সৃষ্টি কৰ্মত ব্ৰতী থাকি কোনো দিনে এলাহ অনুভৱ কৰা নাছিল। নগাহাট মধ্য আৰু উচ্চ ইংৰাজী বিদ্যালয়ৰ কৰ্ম জীৱনৰ প্ৰতিটো দিনেই বৰহাট পইতাখাট গাঁৱৰ পৰা বাইচাইকেলেৰে বাৰ পোন্ধৰ কিলোমিটাৰ দূৰত্বত থকা চৰাইপুঙৰ নগাহাটৰ কৰ্মস্থলীত নিদিষ্ট সময়তকৈ পাঁচ দহ মিনিটৰ আগেয়ে বিদ্যালয়ত উপস্হিত হৈছিল। মৃত্যুৰ সময়ত তেওঁ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী পত্নী , দুজন পুত্ৰ , তিনি গৰাকী জীয়ৰী , বোৱাৰী , জোঁৱাই, নাতি- নাতিনীসহ বহু আত্মীয় স্বজনক ইহসংসাৰত এৰি থৈ গৈছে। গগৈৰ মৃত্যুত বিজেপিৰ উপ-সভাপতি তথা যোৰহাট লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈয়ে, সোণাৰি বিধানসভা সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰৰ উপৰিও চৰাইদেউ জিলা কংগ্ৰেছৰ সভাপতি উৎপল গগৈ, ৰাইজৰ দলৰ জিলাৰ সভাপতি থানেশ্বৰ গগৈ আৰু অসম জাতীয় পৰিষদ ক্ৰমে বগাধৰ পাছনী , দেৱজিৎ ভূঞা, চক্ৰ গগৈ আৰু লৱ গগৈয়ে গভীৰ শোক প্ৰকাশ কৰিছে আৰু শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে । তদুপৰি চৰাইপুং আঞ্চলিক টাই আহোম ছাত্ৰ সন্থা, চৰাইপুংৰ নগাহাট আঞ্চলিক ছাত্ৰ সন্থা , চৰাইপুং অঞ্চলৰ সামাজিক সংগঠন জ্ঞানাঙ্কুৰ সাহিত্য সাংস্কৃতি আৰু জন কল্যান গোষ্ঠী , চৰাইপুং বিমলাপুৰৰ দৈনিক পান ব্যৱসায়ী সন্হা , চৰাইপুং ক্ষুদ্ৰ চাহ খেতিয়ক সন্হা , বৰহাট আঞ্চলিক ক্ষুদ্ৰ চাহ খেতিয়ক সন্হা , শ্ৰী মন্ত শংকৰ দেৱ বিদ্যালয় নগাহাট , নগাহাট মধ্য ইংৰাজী বিদ্যালয় , নগাহাট উচ্চ ইংৰাজী বিদ্যালয়ৰ শিক্ষক- কৰ্মচাৰী বৃন্দই প্ৰাক্তন প্ৰধান শিক্ষক গৰাকীৰ মৃত্যুত গভীৰ শোক আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ উপৰিও বৰহাট উচ্চতৰ মাধ্যমিক বিদ্যালয় , বৰহাট ভবানী প্ৰসাদ বৰুৱা সোঁৰণী মহাবিদ্যালয় , বৰহাট জাতীয় বিদ্যালয় , বৰহাট ছিনিয়ৰ চেকেণ্ডেৰী বিদ্যালয় , বৰহাট ক্লাৱ , বৰহাট শাখা লেখিকা সন্হা , বৰহাট শাখা সাহিত্য সভা , বৰহাট আঞ্চলিক টাই আহোম যুৱ পৰিষদ ( টাইপা ) , বৰহাট আঞ্চলিক ছাত্ৰ সন্থা আদি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে সৰ্বেশ্বৰ গগৈৰ মৃত্যুত গভীৰ শোক আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

# গোলাঘাটত অসামৰিক প্ৰতিৰক্ষা বাহিনীৰ প্ৰশিক্ষণ শিৱিৰ

**ষ্টাফ ৰিপোৰ্টাৰ,গোলাঘাট, ১০ জুলাইঃ** সদৌ টাই আহোম ছাত্ৰ সন্থাৰ পূৱ মৰঙী আঞ্চলিক সমিতিৰ উদ্যোগত ফুলেশ্বৰী বৰুৱা মইনাপাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অসম প্ৰতিৰক্ষা বাহিনীৰ সহযোগত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এক প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হয়। ৭ দিনীয়াকৈ অনুষ্ঠিত কৰা এই প্ৰশিক্ষণত ছাত্ৰ-ছাত্ৰী সকলক দুৰ্যোগৰ সময়ত নিজে সুৰক্ষিত হৈ আন দহ জনক কেনেদৰে সহায় কৰিব পাৰি তাৰ দিয়া হয় প্ৰশিক্ষণ। প্ৰাকৃতিক দুৰ্যোগৰ পৰা আঘাতপ্ৰাপ্ত সকলক উদ্ধাৰ কৰি সুৰক্ষিত স্থানত নিব পাৰি সেই বিষয়েও প্ৰশিক্ষণ প্ৰদান কৰা হয় এই শিৱিৰত। উক্ত প্ৰশিক্ষণ শিবিৰত অসম প্ৰতিৰক্ষা বাহিনীৰ গোলাঘাটৰ দুজন অভিজ্ঞ বিষয়াৰ দ্বাৰা প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই প্ৰশিক্ষণ শিবিৰত প্ৰায় ৫০ জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

# চামগুৰিৰ শিঙিমাৰী জিলা পৰিষদৰ তিনিটা পঞ্চায়ত বিজেপিৰ দখলত

**অসম বাৰ্তা, ৰূপহীহাট, ১০ জুলাইঃ** চামগুৰি সমষ্টিৰ অন্তৰ্গত শিঙিমাৰী জিলা পৰিষদৰ অন্তৰ্গত তিনিটা পঞ্চায়ত বিজেপিৰ দখললৈ গল ।পোন প্ৰথম বাৰৰ বাবে শিঙিমাৰী,কাৰৈমাৰী আৰু মাগুৰমাৰী পঞ্চায়ত বিজেপিৰ দখলত গল ।শিঙিমাৰী পঞ্চায়তৰ আফজালুৰ ৰহমান,কাৰৈমাৰী পঞ্চায়তৰ জোৎসনাৰা খাতুন আৰু মাগুৰমাৰী পঞ্চায়তৰ ৰেবিনা ইয়াচমিন পঞ্চায়ত সভাপতি হিচাপে নিৰ্বাচিত হল ।শিঙিমাৰী জিলা পৰিষদৰ অন্তৰ্গত কাঠপাৰা,ভাটিয়াখালি আৰু কৰৈগুৰি পঞ্চায়ত ৱাৰ্ড সদস্য অনুপস্থিত থকাৰ বাবে গঠন নহল ।নিৰ্বাচিত পঞ্চায়ত সভাপতি সকলে সংবাদ মাধ্যমৰ আগত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে আগন্তক দিনত দুৰ্নীতি মুক্ত পঞ্চায়ত গঢ় দিব বুলি মন্তব্য কৰে।

# অসম চাহ মজদুৰ সংঘ নাহৰকটীয়া শাখাৰ সম্পাদক বলৰাম তাঁতীৰ বিৰুদ্ধে অনা অভিযোগ নস্যাৎ কৰিছে সংবাদমেলৰ যোগেদি

**অসম বাৰ্তা, নাহৰকটীয়া, ১০ জুলাইঃ** অসম চাহ মজদুৰ সংঘ নাহৰকটীয়া শাখাৰ সম্পাদক বলৰাম তাঁতীৰ বিৰুদ্ধে ৰাজগড় চাহ বাগিচাৰ এগৰাকী মহিলা শ্ৰমিকে অশীল ইংগিত দি হাৱা শাস্তি কৰি অহাৰ অভিযোগ বলৰাম তাঁতীয়ে এক সংবাদমেলৰ যোগে এই অভিযোগ সম্পূৰ্ণ ভিত্তিহীন , মনে সজা আৰু সামাজিক ভাৱে তেওঁক হেয় প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰা বুলি প্ৰকাশ কৰে। ৯ জুলাই সন্ধিয়া অসম চাহ মজদুৰ সংঘ নাহৰকটীয়া শাখাৰ প্ৰেক্ষাগৃহত আয়োজন কৰা সংবাদমেলত ঘটনাটো দুৰ্ভাগ্যজনক বুলি উল্লেখ কৰি তেওঁৰ বিৰুদ্ধে অনা অভিযোগ নস্যাৎ কৰি কাৰো নাম উল্লেখ নকৰি কয় যে, দৰাচলতে এই মহিলা শ্ৰমিক গৰাকীয়ে ৰাজগড় চাহ বাগিচাত চৰদাৰী চাকৰিত মকৰলৰ বাবে বলৰাম তাঁতীক খাতনি ধৰি আছিল। তাঁতীয়ে এই বিষয়ে বাগিচাৰ পৰিচালকক জনোৱাত পৰিচালকে বৰ্তমান বাগিচাৰ কোম্পানীৰ অৱস্থা বেয়া বাবে নতুনকৈ কাকো চাকৰি দিব পৰা নাযাব বুলি জনায়। লগতে এই মহিলা গৰাকী কামত নিয়মীয়া নহয়, গাফিলতি কৰে বুলিও জনায়। মহিলা শ্ৰমিক গৰাকীয়ে বিচৰা চাকৰিটো নোপোৱাৰ বাবে তেওঁৰ বিৰুদ্ধে এই অভিযোগ আনিছে। এই ক্ষেত্ৰত এগৰাকী পুৰুষ শ্ৰমিকে চক্ৰান্ত কৰি ষড়যন্ত্ৰত লিপ্ত হৈছে বুলিও তেওঁ কয় যে পুৰুষ শ্ৰমিক গৰাকীৰ পত্নীক স্বাস্থ্য বিভাগৰ সহকাৰী হিচাপে নিযুক্তি দিয়াবলৈ বলৰাম তাঁতীক কৈছিল। কিন্তু স্বাস্থ্য বিভাগৰ সহকাৰী পদৰ বাবে মহিলাতকৈ পুৰুষহে উপযুক্ত বুলি বাগিচা কৰ্তৃপক্ষই এজন যুৱকক নিযুক্তি দিয়ে। এই ক্ষেত্ৰত বলৰাম তাঁতীৰ হাত আছে বুলি তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত হৈছে আৰু মহিলা গৰাকীক উচতনি দি এই কাৰ্য্য কৰাইছে। তদুপৰি তাঁতীক সম্পাদক পদৰ পৰা আঁতৰাবলৈও ষড়যন্ত্ৰ কৰা বুলি তেওঁ মন্তব্য কৰে। সংবাদমেলত বলৰাম তাঁতীয়ে জনায় যে মহিলা শ্ৰমিক গৰাকীয়ে এসময়ত বিভিন্ন পক্ষক অভিযোগ দিয়াৰ লগতে জিলা প্ৰশাসনৰো কাষ চাপিছিল। তাঁতীয়েও প্ৰতি অভিযোগ দিছিল। অৱশ্যে যোৱা নৰেশ্বৰ মাহত নিজৰ ভুল স্বীকাৰ কৰি মহিলা গৰাকীয়ে সেই কেচ উঠাই লৈছিল। ইয়াৰ পাছতো বৰ্তমান পুনৰ সংবাদ মাধ্যমৰ কাষ চাপি বিষয়টো উত্থাপন কৰাত বলৰাম তাঁতীয়ে আচৰ্য্য প্ৰকাশ কৰিছে। পৰিয়ালটো মানসিক ভাবে ভাঙি পৰিছে বুলি সংবাদমেলত দুখো প্ৰকাশ কৰে। তেওঁ অতি সোনকালে আইনৰ কাষ চাপিব বুলিও জনায়। সংবাদমেলত বলৰাম তাঁতীৰ উপৰিও অসম চাহ মজদুৰ সংঘ নাহৰকটীয়া শাখাৰ সভাপতি,উপ-সভাপতিকে ধৰি আন আন বিষয়া কৰ্মচাৰী সকল উপস্থিত থাকে।

# বৰবাম চাহ বাগিচাত অসম চাহ মজদুৰ সংঘৰ ধৰ্ণা কাৰ্যসূচী পালন

**অসম বাৰ্তা, আমগুৰি, ১০ জুলাই ঃ** অসম চাহ মজদুৰ সংঘৰ বিভিন্ন দাবী আদায়ৰ দাবীত বৰবাম চাহ বাগিচাত আজি এক প্ৰতিবাদী ধৰ্ণা কাৰ্যসূচী পালন কৰা হয়। সংঘৰ বৰবাম ইউনিটৰ উদ্যোগত অনুষ্ঠিত এই ধৰ্ণা কাৰ্যসূচীত বাগিচাৰ মুখ্য পৰিচালকলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰা হয়, য'ত শ্ৰমিক সকলৰ বহুদিনৰ দাবীসমূহ সমাধানৰ দাবী উত্থাপন কৰা হয়। ধৰ্ণা কাৰ্যসূচীত অংশগ্ৰহণ কৰা শ্ৰমিক ৰাইজে দাবী জনায় যে, খাদ্য সামগ্ৰীৰ লগতে আৱশ্যকীয় সামগ্ৰী, ঔষধ আদি সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰ ফলত তেওঁলোকৰ ক্ৰয়-শক্তি যথেষ্ট হ্ৰাস পাইছে। লগতে, ৰাজ্য চৰকাৰে ঘোষণা কৰা দৈনিক ৩৫১ টকা মজুৰী আজিও কাৰ্য্যকৰী নকৰাৰ বাবে শ্ৰমিক সমাজ আৰ্থিক অনাটনত দিন পাৰ কৰিবলৈ বাধ্য হৈছে। সেয়ে অগ্ৰিম চুক্তি অনুসৰি এই মজুৰী তাৎক্ষণিকভাৱে প্ৰদান কৰিবলৈ দাবী জনোৱা হয়। উপ-কৰ্মচাৰী আৰু মাহেকীয়া বেতনভোগী সকলৰ দৰমহাৰ চুক্তিৰ ম্যাদো ইতিমধ্যে অন্ত পৰাৰ কথা স্মৰণ কৰাই দৰমহা আৰু ভ্ৰমণ ভাতাও বৃদ্ধি কৰাৰ দাবী উত্থাপন কৰে। লগতে অসমৰ ক্ষুদ্ৰ চাহ বাগিচাসমূহত কৰ্মৰত শ্ৰমিক সকলৰ বাবে দৈনিক ২৫০ টকা হাৰত মজুৰী নিৰ্ধাৰণৰ দাবী জনায়। ওপৰৰ দাবীসমূহ সংবলিত অসম চাহ মজদুৰ সংঘৰ বৰবাম ইউনিটৰ সভাপতি দীনেশ মাদ্‌গী আৰু সম্পাদক বিষ্ণু পাইকৰ স্বাক্ষৰিত এক স্মাৰক পত্ৰ বাগিচা পৰিচালকলৈ প্ৰেৰণ কৰা হয়। স্মাৰকপত্ৰত কেন্দ্ৰীয় চৰকাৰে বাগিচা শ্ৰম আইন সংশোধন আৰু কিছু ধাৰা বিলুপ্তিৰ ফলত সংকুচিত হোৱা শ্ৰমিক অধিকাৰ আইন বাতিল কৰাৰ দাবী জনায়। অন্যহাতে, ৰাজ্য চৰকাৰে বাগিচাৰ মাটি বিভিন্ন উদ্যোগ, হোটেল বা ৰেষ্টুৰেণ্ট স্থাপন আদি কাৰ্যৰ বাবে অধিগ্ৰহণ কৰি থকা ঘটনাৰ সমালোচনা কৰি এনে কাম বন্ধ কৰিবলৈ চৰকাৰক সকীয়নি দিয়া হয়। শ্ৰমিকৰ ভৱিষ্যৎ সুৰক্ষিত কৰিবলৈ বাগিচাৰ মাটিৰ সংৰক্ষণৰ দাবী জনোৱা হয় ।বাগিচাখনত শ্ৰমিক আইনৰ পূৰ্ণ প্ৰয়োগ নহোৱা, PF-গ্ৰেচুইটী আদায়ত গাফিলতি, বদলি আৰু প্ৰমোচনত বঞ্চনা আদি অভিযোগো উত্থাপন কৰা হয়। এই দাবীসমূহ সোনকালেই মানি লোৱা নহ'লে সংঘৰ নেতৃত্বত বৃহৎ গণতান্ত্ৰিক আন্দোলনৰ হুংকাৰ প্ৰদান কৰে।

# নগাঁও চকিটুপৰ পৰা সন্ধানহীন এগৰাকী বোৱাৰী

**অসম বাৰ্তা, বঢ়মপুৰ, ১০ জুলাই ঃ** যোৱা মঙ্গলবাৰৰ পৰা নগাঁও চকিটুপ মজিদ ৰোডৰ এগৰাকী বিবাহিত মহিলা সন্ধানহীন হৈ থকা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। বোৱাৰী গৰাকী হ'ল চকিটুপ মজিদ ৰোডৰ কবিৰ হুছেইনৰ ২৭ বছৰীয়া পত্নী আছমা বেগম। আছমা বেগমে যোৱা ৩০ জুনৰ পৰা নিজ পিতৃ ঘৰলৈ যাওঁ বুলি ঘৰৰ পৰা ওলাই যোৱাৰ পিছত আজিলৈকে ঘূৰি অহা নাই। বোৱাৰী গৰাকীৰ স্বামী কবীৰ হুছেইনে শহুৰ ঘৰত পত্নীক বিচাৰি নাপাই নিজৰ সকলো পৰিয়ালৰ ঘৰত বিছাৰ খোচাৰ কৰি নোপোৱাত অৱশেষত আজি সংবাদ মাধ্যমৰ কাষ চাপিবলৈ বাধ্য হয়। ইতিমধ্যে নগাঁও আৰক্ষী থানাত বোৱাৰী গৰাকীৰ সন্ধানহীন হোৱা বুলি এখনি জাননী দাখিল কৰিছে বুলি জানিব পৰা গৈছে। আনহাতে কোনো লোকে কিবা সম্ভেদ পালে ওচৰৰ আৰক্ষী থানা অথবা 9655571384 এই নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে স্বামীয়ে।

# সমাজকৰ্মী ধৰ্মপ্ৰাণ ব্যক্তি চন্দ্ৰ কুমাৰৰ মৃত্যু পলাশবাৰীত শোকৰ ছাঁ

**অসম বাৰ্তা, দক্ষিণ কামৰূপ, ১০ জুলাই ঃ** যোৱা নিশা প্ৰায় ৯ বজাত আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী তথা বিশিষ্ট সমাজকৰ্মী, ধৰ্মপ্ৰাণ ব্যক্তি চন্দ্ৰ কুমাৰে (৭৬) পলাশবাৰী পাঁচ নম্বৰ ৱাৰ্ডৰ নিজ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে । বিগত দুটা বছৰে বিভিন্ন ৰোগত আক্ৰান্ত হৈ তেখেত চিকিৎসাধীন অৱস্থাত আছিল । অতি অমায়িক স্বভাৱৰ কুমাৰে জীৱনৰ আদিছোৱা সময় ব্যৱসায় আৰু কৃষি কৰ্মত নিয়োজিত আছিল যদিও পিছত অসম চৰকাৰৰ আভ্যন্তৰীণ জল পৰিবহণ বিভাগত চাকৰি লাভ কৰিছিল । সমান্তৰালভাৱে তেখেতে অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জৰিত থাকি সেৱা আগবঢ়াইছিল । ইয়াৰ উপৰিও তেখেত গীতা শাস্ত্ৰৰ সুদক্ষ পাঠক হিচাপে অঞ্চলটোত পৰিচিত আছিল । এসময়ত লুইতপৰীয়া শিল্পী সমাজৰ অভিনয় শিল্পী আছিল কুমাৰ । তেওঁৰ মৃত্যুত পলাশবাৰীৰ ৰাস মহোৎসৱ সমিতি, সংস্কৃতি বিকাশ ভৱন, দুৰ্গা পূজা সমিতি, সুঁৱৰি উৎসৱ, পলাশবাৰী আঞ্চলিক ৰঙালী বিহু সন্মিলন, শ্যামৰায় নামঘৰ, ৰংগবেদী, আদিৰ লগতে বিভিন্নজন ব্যক্তিয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে । মৃত্যুৰ সময়ত কুমাৰে পত্নী অলকা কুমাৰীৰ লগতে দুই পুত্ৰ-বোৱাৰী, জী-জোঁৱাই, নাতি- নাতিনী আৰু অজস্ৰ গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায় ।

# চামগুৰিৰ আমলখি চাহ বাগিচাত মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ১০ জুলাই ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত আমলখি চাহবাগিচাত আজি ৰহস্যজনক অৱস্থাত এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে ।জানিব পৰা মতে, আজি পুৱা আমলখি চাহবাগিচাৰ বাগানৰ মাজত থকা এজোপা গছত এজন অচিনাক্ত লোকৰ মৃতদেহ ওলমি থকা স্থানীয় লোকে প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে ।পৰৱৰ্তী সময়ত ঘটনাস্থলীত এটা আৰক্ষী দল উপস্থিত হৈ গছ জোপাত চিপ লৈ থকা অচিনাক্ত লোকজনৰ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ আৰু হস্পিতাললৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে ।আনহাতে, আজি পুৱা আৰক্ষীয়ে উদ্ধাৰ কৰা অচিনাক্ত লোকজনৰ মৃতদেহটো বাতৰি লিখা সময়লৈকে চিনাক্তকৰণ কৰিব পৰা নাই বুলি আৰক্ষীৰ এক সুত্ৰই জানিবলৈ দিয়ে।

# নাজিৰাত মৃৎ শিল্প-গ্ৰাফিক্সৰ কৰ্মশালা

**অসম বাৰ্তা, গেলেকী, ১০ জুলাই ঃ** অসম চাৰু কাৰু ক'লা পৰিষদৰ উদ্যোগত ৰং-তুলিকাৰ সহযোগত নাজিৰা উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ত যোৱা ৮ জুলাইৰ পৰা তিনিদিনীয়াকৈ আয়োজিত মৃৎ শিল্প আৰু গ্ৰাফি', কৰ্মশালাৰ আজি আনুষ্ঠানিকভাৱে সফল সামৰণি পৰে ।কৰ্মশালাখনিত চিত্ৰ আৰু ভাস্কৰ্য শিল্পী শিৱপ্ৰসাদ মাৱাৰ, ভৱেশ দাস, ধ্ৰুপদ দাস, নয়ন কলিতা মুখ্য প্ৰশিক্ষক হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰে ।উক্ত কৰ্মশালাৰ শুভাৰম্ভণিৰ দিনায়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাঙ্কণ প্ৰতিযোগিতাৰো আয়োজন কৰে আয়োজকসকলে। ৰং তুলিকাৰ উপাধ্যক্ষা পল্লৱী বৰুৱাই আঁতধৰা কৰ্মশালাৰ সামৰণি অনুষ্ঠানত চিত্ৰ আৰু ভাস্কৰ্য শিল্পী শিৱপ্ৰসাদ মাৱাৰ,ভৱেশ দাস, ধ্ৰুপদ দাস, নয়ন কলিতা, শিক্ষাবিদ গোপাল বৰুৱা, শিক্ষাবিদ ৰুহিত চাবুকধৰা সংবাদকৰ্মী সকল ক্ৰমে অনন্ত কলিতা, দেৱজিৎ শৰ্মা, নয়নমণি ভৰদ্বাজ,কাৰ্টুনিষ্ট ভাস্কৰ জ্যোতি মহন্ত ,চিত্ৰ শিল্পী ৰুহিত বৰুৱা,দেৱজিত গগৈ অতিথি হিচাপে উপস্থিত থাকি ৰং তুলিকাৰ বিগত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ ছাত্ৰীসকলক আৰু চিত্ৰাঙ্কণ প্ৰতিযোগিতাৰ বিজয়ী সকলক বটা প্ৰদানৰ লগতে অনুষ্ঠানতে কৰ্মশালাত অংশগ্ৰহণ কৰা ছাত্ৰ ছাত্ৰীসকলকো মান পত্ৰ প্ৰদান কৰে ।তিনিদিনীয়া কৰ্মশালাৰ অনুষ্ঠানতো সুন্দৰকৈ সাফল্যমণ্ডিত কৰাৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱা চিত্ৰশিল্পী ৰুহিত বৰুৱা, দেৱজিত গগৈ, অভিভাৱক সকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে ৰং তুলিকাৰ অধ্যক্ষ তথা চিত্ৰশিল্পী বিশ্বজিৎ চাহুয়ে ।অনুষ্ঠানৰ শেষত অসমৰ জাতীয় সংগীত পৰিৱেশনেৰে অনুষ্ঠানটি সামৰণি মাৰে।

# ৰূপহীহাটৰ বৰুণগুৰিত মৃতদেহ উদ্ধাৰ, চাঞ্চল্য

**অসম বাৰ্তা, ৰূপহীহাট, ১০ জুলাই ঃ** ৰূপহীহাটৰ বৰুণগুৰিত আজি পুৱাৰ ভাগত এটা মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে ।উদ্ধাৰ হোৱা মৃতদেহটো বৰুণগুৰিৰ যুৱক প্ৰাণ বন্ধু ৰ ।ঘৰৰ পিছফালে পুখুৰীৰ পাৰত উদ্ধাৰ হয় প্ৰাণ বন্ধু নামৰ যুৱকজনৰ মৃতদেহ ।কোনো দুৰ্বৃত্তই যুৱকজনক হত্যা কৰি তিৰপালেৰে ঢাকি থৈ ঘটনাস্থলীৰ পৰা পলায়ন কৰিছিল ।মৃতদেহটোৰ শৰীৰত আঘাতৰ চিন স্পষ্ট দেখা গৈছে ।পত্নীৰ পৰকীয়া প্ৰেমৰ বাবেই এই হত্যাকাণ্ড সংঘটিত হোৱাৰ অভিযোগ পৰিয়ালৰ লোকৰ ।ঘটনাস্থলীত আমবাগান আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজলৈ প্ৰেৰণ কৰে।

## কৰ ফাঁকি দিয়াৰ অভিযোগত

পম খেদি অসম চৰকাৰৰ জিএছটিৰ চোৰাং চোৰা বিভাগে গুৱাহাটীৰ আজৰা ৰেলৰে য়াৰ্ড আৰু পল্টন বজাৰ ৰেলৰে য়াৰ্ডত অকস্মাতে পৰিদৰ্শন কৰোঁতে নতুন দিল্লীৰ পৰা অহা এখন মালবাহী ট্ৰেনৰ পৰা ট্ৰাকত কিছুমান সামগ্ৰী ভৰাই থকা অৱস্থাত পায়। এই সময়ত ট্ৰাকৰ চালকজনে জিএছ টিৰ নথি যেনে টে'ইনভয়েচ আৰু ৰেলৰেৰ ৰচিদ আদি দেখুৱাব নোৱাৰাত যথোপযুক্ত তদন্তৰ বাবে ট্ৰাকখন আৰু সামগ্ৰীবোৰ বৰা গাঁৱত থকা অসম ৰাজ্যিক পন্যাগাৰ নিগমত লৈ যোৱা হয়। ইয়াৰ পিছত বিস্তাৰিত ভাবে তদন্ত কৰাৰ সময়তে পন্যাগাৰ নিগমত বহুতো অনিয়ম ধৰা পৰে। এই তদন্তত আৰু ধৰা পৰে যে গ্ৰেপ্তাৰ হোৱা মুঠ সাত গৰাকী ব্যক্তিসকলে বৈধ নথী পত্ৰ নোহোৱাকৈ বিভিন্ন সামগ্ৰীৰ বেহা-বেপাৰ কৰি থাকে। গ্ৰেপ্তাৰ হোৱা এই অভিযুক্ত ব্যাক্তিসকল হ'ল মেচাৰ্চ বাবা লজিষটিকৰ মালিক মো নেছাৰ; মেচাৰ্চ ভাৰত কনভেয়াৰৰ ত্ৰিপুৰাৰী পাঠক আৰু অভিযেক সিঙে, মে' চাৰ্চ ফাষ্ট এনড চেইফ ট্ৰেনচলিউচনৰ মিথুন কুমাৰ, চুপাৰ ট্ৰেনচলিউচনৰ ফখৰুল ইচলাম আৰু সুনীল যাদৱ, মে' চাৰ্চ ডিএম এচোছিয়েটছৰ বিশ্বজিৎ বৰগোহাঁই, মে' চাৰ্চ ৰাইট চয়েছৰ পৰিবহণ ঠিকাদাৰ ৰুবুল শইকিয়া আৰু এছবিজিচি লজিষটিকৰ সুৰেশ স্বামী।

## ভাষা কাৰো ব্লেকমেইলৰ

তথা আইনগতভাৱে মানি লোৱা হৈছে। ভাষা কাৰো ব্লেকমেইলৰ স্বীকাৰ হ'ব নোৱাৰে।" তেওঁ লগতে কয়, "মই কালি দেখিছোঁ। কিন্তু অসমত অসমীয়া ভাষা স্থায়ী। ৰাজ্যিক ভাষা হিচাপেও আৰু চৰকাৰী ভাষা হিচাপেও। প্ৰত্যেকবাৰে লোকপিয়লৰ সময়ত এটা কথা ওলাই যে আমি সেইটো ভাষা লিখিম, এইটো ভাষা লিখিম। তাৰ পৰা কাৰো কোনো ক্ষতি নহয়। যাৰ যি ইচ্ছা লিখিব পাৰে। কিন্তু অসমীয়া ভাষা য'ত আছে তেনেকৈ থাকিব। বিশেষকৈ আমাৰ চৰকাৰ থাকোঁতে এইবোৰ চিন্তা কৰিবলগীয়া কথাই নহয়। গতিকে তেওঁলোকৰ মুৰত কোনোবাই সুমুৱাই দিছে যে বেছি মানুহে অসমীয়া নক'লে অসমীয়া ভাষাটো হেৰাই যাব। তেতিয়া এইটোৱেই প্ৰমাণ হ'ব যে অসমত বিদেশী কিমান আছে।"

## বৰাকৰ যাতায়াতৰ দুৰ্গতি

আৰু ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ বিশেষকৈ সোণাপুৰ, জাটিংগা, আৰু হাৰংগাজাওৰ সমীপত ভূমিস্খলনৰ ফলত বাৰে বাৰে বন্ধ হৈ পৰে বুলিও তেওঁ আঙুলিয়াই দিয়ে। ইফালে ১৩৭ কোটি টকাৰ ব্যয়ৰ পাছতো শেহতীয়াকৈ শিলচৰ-কলেইন পথৰ হাৰং দলং ভাঙি পৰা ঘটনাই পথৰ আন্তঃগাঁথনিৰ শোচনীয় অৱস্থাৰ প্ৰতিফলন ঘটায় বুলিও গৌৰৱ গগৈয়ে অভিযোগ কৰে। পথ আৰু ৰে'ল সেৱা বন্ধ হৈ পৰাৰ বাবে বৰাক উপত্যকা এতিয়া সম্পূৰ্ণ বিচ্ছিন্ন হৈ পৰা বুলি উল্লেখ কৰে গৌৰৱ গগৈয়ে। লগতে এনে অৱস্থাত বিমান যাত্ৰা একমাত্ৰ বিকল্প হৈ পৰে যদিও কিন্তু এই সেৱা কমসংখ্যক লোকৰ বাবেহে সম্ভৱপৰ বুলি তেওঁ উল্লেখ কৰে। নিৰ্ভৰযোগ্য পৰিবহণ আন্তঃগাঁথনিৰ অভাৱে বৰাকৰ অৰ্থনৈতিক উন্নয়ন স্তব্ধ কৰি তুলিছে তথা বিনিয়োগৰ ক্ষেত্ৰতো বঞ্চিত হোৱা বুলি গৌৰৱ গগৈয়ে লগতে দোহাৰে। এনে পৰিস্থিতিয়ে অঞ্চলটোৰ যুৱক-যুৱতীসকলক হতাশাৰ মাজলৈ ঠেলি দিয়া বুলিও পত্ৰখনত তেওঁ উল্লেখ কৰে। নাগৰিক সমাজ আৰু নিৰ্বাচিত প্ৰতিনিধিয়ে এই বিষয়টো বাৰে বাৰে উত্থাপন কৰি আহিছে যদিও ইয়াৰ দীৰ্ঘম্যাদী সমাধান এতিয়াও গ্ৰহণ কৰা হোৱা নাই বুলি তেওঁ অভিযোগ কৰে আৰু নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত স্পষ্ট পৰিকল্পনাৰ জৰিয়তে এই সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰক আহ্বান জনায়। এইক্ষেত্ৰত তেওঁ কিছু প্ৰস্তাৱো আগবঢ়ায়। আধুনিক অভিযান্ত্ৰিক আৰু জিঅ'-বেৰিয়াৰ ব্যৱহাৰ কৰি লুমডিং-বদৰপুৰ ৰে'লপথৰ অংশটো ডাবল লাইন আৰু ভূমিস্খলন প্ৰতিৰোধী কৰি তোলা, বিকল্প লংকা-চন্দ্ৰনাথপুৰ (ময়নাৰবণ্ড) ৰে'ল লাইনক দ্বিতীয় কৰিডৰ হিচাপে অনুমোদন জনোৱা, শিলচৰ, গুৱাহাটী, আৰু কলকাতাৰ মাজত এয়াৰ ইণ্ডিয়া বা UDAN-ৰ ৰাজসাহায্যপ্ৰাপ্ত বিমান সেৱা পুনৰ প্ৰৱৰ্তন কৰা আদি বহুকেইটা প্ৰস্তাৱ আগবঢ়াইছে গৌৰৱ গগৈয়ে।

## বানপানী, ভূমিস্খলনত ক্ষতিগ্ৰস্ত

মিজোৰাম, কেৰালা আৰু উত্তৰাখণ্ড। এ'ত এটা পোষ্টত শ্বাহে লিখিছে যে মোদী চৰকাৰ সকলো পৰিস্থিতিত ৰাজ্যবোৰৰ কাষত দৃঢ়তাৰে থিয় দিছে। তেওঁ কৈছে যে এই বছৰ ১৯খন ৰাজ্যলৈ এছডিআৰএফ আৰু এনডিআৰএফৰ পৰা ৮, ০০০ কোটি টকাতকৈ অধিক ধন মুকলি কৰা হৈছে। তদুপৰি, প্ৰয়োজনীয় এনডিআৰএফ, সেনা আৰু বায়ুসেনাৰ মোতায়েনকে ধৰি সকলো লজিষ্টিক সাহায্য প্ৰদান কৰাটো তেওঁলোকৰ প্ৰাথমিকতা। বৰষুণ আৰু ভূমিস্খলনৰ পিছত কেইবাখনো ৰাজ্যই এতিয়াও সমস্যাৰ সন্মুখীন হৈ আছে। ভাৰতীয় সেনাই উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যবোৰত অপাৰেশ্যন জল ৰাহাট-২ৰ অধীনত মানৱীয় সাহায্য আৰু দুৰ্যোগ প্ৰতিকাৰ কাৰ্যক্ৰম ত্বৰান্বিত কৰিছে। মুঠ ৪০টা ৰাহত শিবিৰে এতিয়ালৈ ৩, ৮২০ জনক উদ্ধাৰ কৰিছে, ১৫, ০০০তকৈ অধিক পানীৰ বটল আৰু ১, ৩৬১টা খাদ্যৰ পেকেট যোগান ধৰিছে, আৰু ২, ০০০তকৈ অধিক লোকক চিকিৎসা সেৱা প্ৰদান কৰিছে। ২০ জুনৰ পৰা হিমাচল প্ৰদেশত অত্যধিক বৰষুণৰ ফলত ৭৪০ কোটি টকাৰো অধিক ক্ষতি হৈছে, আৰু ভূমিস্খলনৰ ফলত জীৱনহানি আৰু সম্পত্তিৰ ক্ষতি হৈছে। কিছুমান অঞ্চলত পানীৰ স্তৰ কমিলেও, অসম, নাগালেণ্ড আৰু মণিপুৰত সেনা সতৰ্ক হৈ আছে, য'ত এই সপ্তাহৰ আৰম্ভণিতে ধনশিৰী আৰু নম্বসাহায্যনী বিপদৰ স্তৰ অতিক্ৰম কৰিছিল।

## এআইইউডিএফৰ ৯ গৰাকী

আৰু পুনঃসংস্থাপনৰ দাবীত এই প্ৰতিবাদী জনসভা কাৰ্যসূচী ৰূপায়ণ কৰে। উক্ত জনসভাত উপস্থিত হয় এ আই ইউ ডি এফৰ ৯ গৰাকীকৈ বিধায়ক। আনহাতে, বিশাল প্ৰতিবাদী জনসভাৰ দাবীসমূহ হৈছে, উচ্ছেদিত প্ৰতিটো পৰিয়ালক এককালীন ১০ লাখ টকা ক্ষতিপূৰণ প্ৰদান কৰা, উচ্ছেদিত ভাৰতীয় নাগৰিকসকলক চাপৰ ৰাজহ চক্ৰৰ অন্তৰ্গত যিকোনো ঠাইত পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা, ম্যাদীপট্টা থকা ভূমিত বসবাস কৰা পৰিয়ালক উচ্ছেদ কৰা বন্ধ কৰা, নতুনকৈ আৰু উচ্ছেদৰ সীমা নিৰ্ধাৰণ কৰা বন্ধ কৰা আদি। কিন্তু প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ পিছত প্ৰতিবাদীস্থলীত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। প্ৰতিবাদী জনসভাৰ শেষত চিৰাকুটা ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি উচ্ছেদিত পৰিয়ালৰ ন্যায়ৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰে। ইয়াত অংশগ্ৰহণ কৰে এ আই ইউ ডি এফৰ বিধায়ককেইগৰাকীয়ে। আনহাতে, প্ৰতিবাদীস্থলীৰ পৰা এ আই ইউ ডি এফৰ ৯ গৰাকী বিধায়ক আটক কৰে চাপৰ আৰক্ষীয়ে। ইফালে ৯ গৰাকীকৈ বিধায়কৰ লগতে বিভিন্ন দল-সংগঠন আৰু উচ্ছেদিত হাজাৰ হাজাৰ লোকে ঘাইপথ অৱৰোধ কৰাত পথছোৱাত যান-বাহন চলাচল ব্যাহত হৈ পৰে। পৰিস্থিতি অধিক উত্তপ্ত হোৱাত বিধায়ককেইগৰাকীক আটক কৰি পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। বিধায়ককেইগৰাকীক চাপৰ থানাত ৰখা হৈছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে উক্ত জনসভাত উপস্থিত হয় বিলাসীপাৰা পশ্চিম সমষ্টিৰ এ আই ইউ ডি এফৰ জ্যেষ্ঠ বিধায়ক হাফিজ বছিৰ আহমেদ কাছিমী, মানকাচৰৰ বিধায়ক আমিনুল ইছলাম, সোনাই সমষ্টিৰ বিধায়ক কৰিম উদ্দিন ভৰভূঞা, ধুবুৰীৰ বিধায়ক নজৰুল হক, গৌৰীপুৰ সমষ্টিৰ বিধায়ক নিজানুৰ ৰহমান, বিলাসীপাৰা পূব সমষ্টিৰ বিধায়ক চামচুল হুদা, জনীয়া সমষ্টিৰ বিধায়ক হাফিজ ৰফিকুল ইছলাম, চেঙা সমষ্টিৰ বিধায়ক আশ্ৰাফুল হুছেইন আৰু দলগাঁৱৰ বিধায়ক মুজিবুৰ ৰহমান। ইয়াৰ লগতে আমছু, কৃষক মুক্তি সংগ্ৰাম সমিতি, নেমছুসহ উচ্ছেদিত হাজাৰ হাজাৰ লোকে প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰে। প্ৰতিবাদী কাৰ্যসূচীত গ্ৰহণ কৰি দলগাঁও সমষ্টিৰ বিধায়ক মুজিবুৰ ৰহমানে কয়, "অসম চৰকাৰে অগণতান্ত্ৰিকভাৱে এটা জাতিক টাৰ্গেট কৰি লৈছে। পৃথিৱীৰ কোনো চৰকাৰে আজিলৈকে এনেকুৱা ধৰণে উচ্ছেদ কৰা নাছিল। এটা জাতিক টাৰ্গেট কৰি ম্যাদী মাটিৰ পৰা উচ্ছেদ কৰিছে। আই ডি এফ দলৰ পৰা আমাৰ দাবী, উচ্ছেদ কৰাৰ আগতে পুনৰ সংস্থাপন কৰিব লাগিব। এতিয়া আমি উচ্ছেদ কৰিব নিদিওঁ। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সমাজত বিশৃংখলতা সৃষ্টি কৰিব বিচাৰিছে। আমাৰ এই মানুহখিনিক মাৰিব বিচাৰিছে। এই চৰকাৰে মুছলমান মানুহক টাৰ্গেট কৰি অন্যায় কৰি আছে।" আনহাতে, এ আই ইউ ডি এফৰ জ্যেষ্ঠ বিধায়ক হাফিজ বছিৰ আহমেদ কাছিমীয়ে কয়, "যোৱা পৰহি যি অন্যায় আৰু অমানৱীয়ভাৱে উচ্ছেদ কৰা হ'ল চৰকাৰৰ এই অন্যায়ৰ প্ৰতিবাদকল্পে, যিসকল ইয়াৰ চিকাৰ হ'ল তেওঁলোকক চৰকাৰে যাতে সংবিধানৰ নিয়ম অনুসৰি পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰি দিয়ে, ক্ষতিপূৰণ দিয়ে সেই দাবী লৈ আজি আমি এই প্ৰতিবাদী মিটিং কৰিছোঁ।"

## অখিল গগৈ য'ত তাতে

আহি বিশেষ সম্প্ৰদায়ৰ লোকক উচটনি দিছিল বুলি অভিযোগ কৰে বিজেপি নেতা তথা এপিডিচিএল ৰ সঞ্চালক ডঃ প্ৰকাশ কাশ্যপে। আজি দুধনৈস্থিত লোক নিৰ্মাণ বিভাগৰ পৰিদৰ্শন ভৱনত আয়োজন কৰা এক সংবাদ মেল যোগে বিধায়ক অখিল গগৈৰ বিৰুদ্ধে এই অভিযোগ তোলে সঞ্চালক ডঃ প্ৰকাশ কাশ্যপে। সংবাদ মেলখনত ডঃ প্ৰকাশ কাশ্যপে কয় যে অখিল গগৈ ধুবুৰীত আহাৰ পিছতে উচ্ছেদিত লোকে প্ৰশাসন তথা আৰক্ষী লোকক আক্ৰমণ কৰিছিল। আনহাতে গোৱালপাৰাত ভৰি দিয়াৰ পিছতে নিশাৰ ভাগত দুৰ্বৃত্তই গোৱালপাৰাৰ দুৰ্গা মন্দিৰ প্ৰতিমা লণ্ড-ভণ্ড কৰিলে। এই সকলো কাম অখিল গগৈৰ প্ৰৰোচনাত হোৱা বুলি দাবী কৰে বিজেপিৰ নেতা ডঃপ্ৰকাশ কাশ্যপে। পাইকান বনাঞ্চল উচ্ছেদৰ সম্পৰ্কে আগবঢ়ায় আন এক বিস্ফোৰক মন্তব্য। পাইকান বনাঞ্চলত উচ্ছেদ স্থলীত ধুবুৰীৰ নিচিনা পৰিবেশ সৃষ্টি কৰিবলৈ অখিল গগৈ আহিব বুলি সোধা এক প্ৰশ্নৰ উত্তৰত ডঃপ্ৰকাশ কাশ্যপে কয় য়ে গোৱালপাৰালৈ আহিলে আগতে গোৱালপাৰা স্থানীয় হিন্দু-মুছলমান লোকে কেনেদৰে বসবাস কৰি আহিছে সেই কথা জানি আহিব লাগে। কেৱল ভোটৰ আশাত জিলাখনত শান্তি পৰিবেশ বিনষ্ট কৰি বাহিৰাগত লোকৰ সন্তুষ্টি নকৰিবলৈ সকীয়নি দিয়ে। ৰাক্ষসনী আৰু পাইকান সংৰক্ষিত বনাঞ্চলৰ অবৈধ বেদখল কাৰীৰ হৈ উকালতি নকৰিবলৈ কঠোৰ সকীয়নি দিয়ে ডঃপ্ৰকাশ কাশ্যপে। বিজেপি নেতা ডঃপ্ৰকাশ কাশ্যপে জানিবলৈ দিয়ে যে পাইকান সংৰক্ষিত বনাঞ্চলতো সংঘটিত হৈছিল ৰাক্ষসনীৰ দৰে লোমহৰ্ষক হত্যাকাণ্ড। ২০১২ চনত ৰাক্ষসনীত যেনেদৰে ৰাজকুমাৰ ৰায় আৰু হেমন্ত ৰাভাক জীৱন্তে হত্যা কৰিছিল তেনেদৰে পাইকান সংৰক্ষিত বনাঞ্চল ২০১১ চনৰ ২২ জুলাইত হত্যা কৰিছিল এগৰাকী আলোচনা পন্থী আলফা সদস্যক। পাইকানৰ এইবোৰ কথা জানে নে বুলি অখিল গগৈক প্ৰশ্ন কৰে ডঃ প্ৰকাশ কাশ্যপে। অখিল গগৈয়ে জানেনে কৃষ্ণাই বিদ্যাপাৰা প্ৰেম বজাৰত কোনে হত্যা কৰিলে সেই আলফা সদস্য জনক? গতিকে গোৱালপাৰাৰ কথা ভালদৰে নজনাকৈ কোনো মন্তব্য নকৰিবলৈ পুনৰ সকীয়নি দিয়ে। কৃষ্ণাই আৰক্ষী থানাৰ আন্তৰ্গত পাইকান সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত বিদ্যাপাৰাৰ প্ৰেমবজাৰত কেনেদৰে সংঘটিত হৈছিল এই ঘটনাৰ বিষয়ে সবিস্তাৰে বিবৰি কয় ডঃ প্ৰকাশ কাশ্যপে। ২০১১ চনৰ ২২ জুলাইত কৃষ্ণাই আৰক্ষী থানাৰ অন্তৰ্গত বিদ্যাপাৰা প্ৰেমবজাৰত সংঘটিত হৈছিল এক লোমহৰ্ষক নাৰকীয় হত্যাকাণ্ড। এই হত্যাকাণ্ডত এগৰাকী আলোচনাপন্থী আলফা সদস্যক নিৰ্মম ভাবে হানিখুচি হত্যা কৰিছিল। বিদ্যাপাৰা প্ৰেমবজাৰৰ কাষত থকা আলোচনাপন্থী আলফা শিবিৰৰ পৰা বাকসা জিলাৰ নিকাচী চাউলকাৰা গাঁৱৰ শৈলেন মেধী ওৰফে বিজয় দাস নামৰ আলোচনাপন্থী আলফা সদস্য গৰাকীয়ে সতীৰ্থ ববিত ৰাভাৰ সৈতে প্ৰেমবজাৰত মোবাইলৰ ৰিচাৰ্জ কাৰ্ড ক্ৰয় কৰিবলৈ গৈছিল। এনে সময়তে স্থানীয় লোক সকলৰ সৈতে কিবা কথাত কথাৰ বাকবিতণ্ডা হয় আৰু বিদ্যাপাৰাৰ স্থানীয় লোকসকলে উত্তেজিত হৈ দুয়োকে আক্ৰমণ কৰে। এই ঘটনাত ববিত ৰাভাই পলাই জীৱন ৰক্ষা কৰে যদিও শৈলেন মেধী ওৰফে বিজয় দাসক কুঠাৰেৰে কাটি হানিখুচি নৃশংস ভাবে হত্যা কৰি হাবিত পেলাই থৈ দিছিল বুলি ডঃ প্ৰকাশ কাশ্যপে সংবাদ মেলখনত প্ৰকাশ কৰে। আনহাতে যি স্থানৰ পৰা আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰিছিল সেই ঠাইত বৰ্তমান স্থানীয় লোকসকলে মজজিদ স্থাপন কৰিছে। ইফালে ঘটনাৰ পিচত আৰক্ষীয়ে বিজয় দাসে ব্যৱহাৰ কৰা বাইকৰ এটা ভঙা টুকুৰাহে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। আক্ৰমণ ইমান ভয়াবহ আছিল যে শৈলেন মেধি ওৰফে বিজয় দাসক বৰ্বৰ ভাবে হত্যা কৰাৰ উপৰিও বাইকখন ধ্বংস কৰি পেলাইছিল। ডঃ কাশ্যপৰ প্ৰশ্ন কিহৰ স্বাৰ্থত অখিল গগৈৰ এইসকল লোকৰ প্ৰতি ইমান দৰদ? উল্লেখ্য যে ইতিমধ্যে চাৰকাৰ, প্ৰশাসন তথা বন বিভাগে এই পাইকান বনাঞ্চলত এই অবৈধ বেদখলকাৰীৰ বিৰুদ্ধে কাইলৈ অৰ্থাৎ ১১ জুলাই তাৰিখে বৃহৎ উচ্ছেদ অভিযান চলাই বেদখল মুক্ত কৰিব ১০৩৮ বিঘা মাটি।

## ভূমিস্খলন, বানত বিধ্বস্ত হিমাচল

পৰ্যটক আবদ্ধ হৈ পৰিছে। ধাৰাসাৰ বৰষুণত জাহ গৈছে ৩০০ৰো অধিক গৰু। বহু ঘৰ ভাঙি গৈছে। ৰাজ্যৰ ৫০০ৰো অধিক বৈদ্যুতিক ট্ৰেন্সফৰ্মাৰ ক্ষতিগ্ৰস্ত হৈছে। এই পৰ্যন্ত দুৰ্যোগ ব্যৱস্থাপনা দলটোৱে কমেও ৫০০ লোকক উদ্ধাৰ কৰিছে। মাণ্ডীৰ সমান্তৰালকৈ চিমলা আৰু কুল্লুতো পৰিস্থিতি বেয়া। কুল্লুৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে বৈছে নদীৰ পানী। ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ একাধিক দল মোতায়েন কৰা হৈছে। উদ্ধাৰ অভিযানত যোগদান কৰিছে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীও। কিন্তু অবিৰত বৰষুণৰ ফলত উদ্ধাৰ অভিযানতো বাধাৰ সৃষ্টি হৈছে। ইফালে বতৰ বিজ্ঞান বিভাগে আগন্তুক কেইদিনমানৰ বাবে পাহাৰীয়া ৰাজ্যখনত ধাৰাসাৰ বৰষুণ হোৱাৰ সতৰ্কবাণী জাৰি কৰিছে।

## ধাৰাবাহিক উচ্ছেদৰ বিৰুদ্ধে

আজি গণেশগুৰিত দলটোয়ে চৰকাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। উচ্ছেদ বন্ধ কৰক, উচ্ছেদিতক পুনঃসংস্থাপন দিয়ক, বিজেপি গ'বৈক আদি শ'গানেৰে পৰিৱেশ উত্তাল কৰি তোলা দলটোৰ কৰ্মীসকলৰ চাৰিজনক আৰক্ষীয়ে আটক কৰে আৰু তাৰ পিছতেই প্ৰতিবাদৰ ক্ষাম কাটে। আজি এক প্ৰেছ বিবৃতিত আম আদমি পাৰ্টীৰ ৰাজ্যিক সম্পাদক ভি"ৰ গগৈয়ে স্পষ্ট কৰি দি কয় যে, আম আদমি পাৰ্টী, অসমে সকলোধৰণৰ অমানৱীয়, ৰাইজৰ অধিকাৰ খৰ্ব কৰা, ৰাইজক হাৰা শাস্তি কৰা আৰু ন্যস্ত স্বাৰ্থ জড়িত উচ্ছেদ অভিযানৰ বিৰোধিতা কৰি আহিছে আৰু ভৱিষ্যতেও কৰি যাব। তেওঁ স্পষ্ট কৰি দিয়ে যে উদ্যোগ আদি স্থাপনৰ উদ্দেশ্যে কৃষি ভূমি, জলাশয়, যুগ যুগ ধৰি বসবাস কৰি থকা জনাঞ্চল, বনাঞ্চল, পাহাৰ পৰ্বত আৰু ষষ্ঠ অনুসূচী এলেকাত যিকোনো চৰকাৰী উচ্ছেদ বন্ধ কৰিব লাগিব। আনহাতে আপৰ ৰাজ্যিক নেত্ৰী অনুৰূপা ডেকাৰজাই ক্ষোভেৰে কয় যে, আদানী - আম্বাণী, ৰামদেৱক অসমৰ ভূমি গতাই দি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমীয়াৰ ভেটি - মাটি নিঃশেষ কৰিব বিচাৰিছে। আদানী - আম্বাণী - ৰামদেৱক ব্যৱসায় সম্প্ৰসাৰণৰ নামত অসমৰ মাটি গতাই দিয়া কাৰ্য মানি লোৱা নহ'ব। আপ ৰ অন্য এজন ৰাজ্যিক নেতা ৰাজীৱ শইকীয়াই কয় যে মুখ্যমন্ত্ৰীয়ে যি ঠাইত উচ্ছেদ কাৰ্য হৈছে সেই ঠাইৰ উচ্ছেদিত লোকবোৰ অবৈধ বাংলাদেশী নাগৰিক বুলি ক'ব বিচৰা কাৰ্যই ৰাইজক বিভ্ৰান্ত কৰিছে বুলি অভিযোগ কৰি তেওঁ প্ৰশ্ন কৰে যে, মুখ্যমন্ত্ৰীয়ে কোৱাৰ দৰে তেওঁলোক যদি অবৈধ বাংলাদেশী নাগৰিক তেন্তে তেওঁলোকক বহিষ্কাৰ নকৰে কিয়? অবৈধ বাংলাদেশী আৰু উচ্ছেদিত লোকক লৈ মুখ্যমন্ত্ৰীয়ে লেতেৰা ৰাজনীতি কৰিছে বুলিও আম আদমি পাৰ্টীয়ে অভিযোগ কৰিছে।

## মৃতদেহ বন্ধকত ৰাখিব

ধন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অহা ১ অ'ৈবৰৰ পৰা এই উদাসীন ভকতসকলে প্ৰতি মাহে লাভ কৰিব ১৫০০ কৈ টকা। শিশু উদাসীন ভকত সকলেও এই সুবিধা লাভ কৰিব। কেবেনিটে অংগনৱাদী কৰ্মী আৰু সহায়িকাসকলৰো দৰমা বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি অসম চৰকাৰে অংগনৱাদী কৰ্মীৰ ক্ষেত্ৰত ১৫০০ আৰু সহায়িকাৰ ক্ষেত্ৰত ৭৫০ টকা বৃদ্ধি কৰিছে। ফলত অহা ১ অ'ৈবৰৰ পৰা অংগনৱাদী কৰ্মীৰ দৰমহা ৮০০০ লৈ আৰু সহায়িকাৰ দৰমহা ৪০০০ টকালৈ বৃদ্ধি পাব। সৰ্থেবাৰীৰ কাঁহ শিল্পৰ সৈতে জড়িতসকলক সকাহ দিয়াৰ উদ্দেশ্যৰে SGST ৰ পৰা ৰেহাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই শিল্পৰ সৈতে জড়িতসকলে যি ৰাজ্যিক জি এছ টি দি আহিছে সেয়া পৰৱৰ্তী সময়ত তেওঁলোকক ঘূৰাই দিয়া হ'ব। মুখ্যমন্ত্ৰীয়ে পূৰ্বে ঘোষণা কৰাৰ দৰেই আজিৰ কেবিনেটে মেট্ৰিক শিক্ষাৰ্থীসকলক প্ৰতি মাহে ৩০০ কৈ টকা দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মেট্ৰিকৰ প্ৰ-পত্ৰ পূৰণৰ পিছত প্ৰতিমাহে প্ৰতিগৰাকী শিক্ষাৰ্থীয়ে ৩০০ কৈ টকা লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰা মতে এই ধন তেওঁলোকক কিতাপ, বহী, পুষ্টিকৰ খাদ্য আদিৰ বাবে যোগান ধৰিব চৰকাৰে। আজিৰ কেবিনেটে নাৰ্চিং হোমৰ ক্ষেত্ৰত যথেষ্ট কঠোৰ হোৱাৰ ইংগিত বহন কৰিছে। নাৰ্চিং হোমৰ ক্ষেত্ৰত গ্ৰহণ কৰিছে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত। সেই অনুসৰি টকা নিদিয়াৰ অভিযোগত চাৰি ঘণ্টাতকৈ অধিক সময় কোনো ব্যক্তিৰ মৃতদেহ ৰখাই থ'ব নোৱাৰিব। যদি কোনো নাৰ্চিং হোমে তেনে কাম কৰে তেন্তে ১০৪ নম্বৰত ফোন কৰি অথবা স্থানীয় আৰক্ষীক ফোন কৰি খবৰ দিব পাৰিব। আৰক্ষীয়ে সেই মৃতদেহ পৰিয়ালৰ হাতত গতাই দিয়াৰ ব্যৱস্থা কৰিব। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰাৰ মতে এতিয়াৰে পৰা টকাৰ নামত মৃতদেহ বন্ধকত ৰাখিব নোৱাৰিব নাৰ্চিং হোমে। পৰিয়ালৰ পৰা পাবলগীয়া ধন পিছতো আদায় কৰিব পাৰিব নাৰ্চিং হোমে। যদিহে কোনো নাৰ্চিং হোমে এনে নিয়ম অনুসৰণ নকৰে তেন্তে ৩ মাহৰ পৰা ৬ মাহ পৰ্যন্ত বাতিল কৰিব অনুজ্ঞাপত্ৰ। ভৰিব লাগিব ৫ লাখ পৰ্যন্ত জৰিমণা। একে কাৰ্য পুনৰাবৃত্তি কৰিলে বন্ধ কৰি দিয়া হ'ব তেন্তে নাৰ্চিং হোম। অহা ১ আগষ্টৰ পৰা কাৰ্যকৰী হ'ব এই নিয়ম।

## লিভ ইন সম্পৰ্কৰ ভয়াৱহ

তেওঁলোকৰ দৈনন্দিন জীৱনৰ এটা অংশ হৈ পৰিছিল। ঘটনাৰ দিনাই বিবাদে গুৰুতৰ ৰূপ ধাৰণ কৰে। নৱজ্যোতিয়ে সুষমিতাক এটা কোঠাত আবদ্ধ কৰি ঘৰটোত নিজৰ প্ৰাণ ত্যাগ কৰাৰ অভিযোগ উত্থাপন হৈছে। সুস্মিতাই আত্মহত্যাৰ চেষ্টা কৰে যদিও সময় থাকোঁতে তেওঁক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। খবৰ পোৱাৰ লগে লগে আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হয়। যুৱকজনক মৃত অৱস্থাত উদ্ধাৰ কৰে। আৰু মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। ইফালে, সুস্মিতাক লগে লগে হায়াত চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয় যদিও তেওঁৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। চিকিৎসালয়ত সোধা-পোছাৰ সময়ত সুস্মিতাই স্বীকাৰ কৰা বুলি জানিব পৰা গৈছে যে তেওঁলোকৰ সম্পৰ্ক কিছুদিনৰ পৰা বেয়া হৈ আছিল। নিয়মীয়া কাজিয়া আৰু আৱেগিক চাপে দুয়োকে ক্ষতি কৰিছিল। সূত্ৰই জনোৱা মতে, সুস্মিতাই মহানগৰীৰ এটা চেটেলাইট নিউজ চেনেলত কৰ্মৰত আছিল। ঘটনা সন্দৰ্ভত ইতিমধ্যে আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

## পিতৃৰ হাতত গুলীবিদ্ধ হৈ

গুলীয়ে তেওঁক আঘাত কৰে। তিনিটাকৈ গুলী দেহত লগাত মৃত্যু হয় ৰাধিকাৰ। গুৰুগ্ৰামৰ ছে'ৰ-৫৭ৰ সুশান্ত লোক-২ নামৰ ঘৰটোত সংঘটিত হৈছে এই ঘটনা। কিন্তু অতি প্ৰতিভাৱান এই টেনিছ খেলুৱৈগৰাকীক কিয় নিজ পিতৃয়েই গুলীয়াই হত্যা কৰিলে সেয়া এতিয়াও অস্পষ্ট। অৱশ্যে আৰক্ষীয়ে এই ৰহস্য ভেদ কৰিবলৈ আৰম্ভ কৰিছে তদন্ত। আৰক্ষীৰ প্ৰাৰম্ভিক তদন্তত এই কথা নিশ্চিত হৈছে যে, পিতৃয়ে গুলীওৱাৰ পিছত আঘাতপ্ৰাপ্ত অৱস্থাৰে তেওঁক লৈ যোৱা হৈছিল হাস্পতাললৈ। কিন্তু হাস্পতালত তেওঁ চিকিৎসকে মৃত বুলি ঘোষণা কৰে। আৰক্ষীয়ে ইতিমধ্যে অভিযুক্ত পিতৃক গ্ৰেপ্তাৰ কৰিছে আৰু তেওঁ হত্যাকাণ্ডত ব্যৱহাৰ কৰা ৰিভলভাৰ জব্দ কৰিছে। আৰক্ষী সূত্ৰতে প্ৰকাশিত খবৰ অনুসৰি এই হত্যাকাণ্ডৰ আঁৰৰ কাৰণ ৰীল। ৰীল বনোৱাক কেন্দ্ৰ কৰিয়েই প্ৰথমে পিতৃ-কন্যাৰ মাজত সংঘটিত হৈছিল কাজিয়া। তাৰ পিছতে সংঘটিত হয় এই ঘটনা। অৱশ্যে আৰক্ষীয়ে আনুষ্ঠানিকভাৱে এই তথ্য সদৰী কৰা নাই। ৰাষ্ট্ৰীয় পৰ্যায়ৰ টেনিছ খেলুৱৈ ৰাধিকা বহু প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি জয়ী হৈছিল। আন্তঃৰাষ্ট্ৰীয় টেনিছ ফেডাৰেছন (আই টি এফ)ত ডাবলছ টেনিছ খেলুৱৈ হিচাপে ৰাধিকা যাদৱে ১১৩ নং স্থান লাভ কৰিছিল। ২০০০ চনৰ ২৩ মাৰ্চত জন্মগ্ৰহণ কৰা ৰাধিকা যাদৱ আই টি এফ ডাবলছৰ শীৰ্ষ ২০০ ৰ ভিতৰত আছিল।

## ৫০ হাজাৰ টকাত বিক্ৰী

মানসিকভাৱে সামান্য অক্ষম এগৰাকী অবিবাহিতা কন্যাই যোৱা ২৩ জুন তাৰিখে শিৱসাগৰ অসামৰিক চিকিৎসালয়ত এক পুত্ৰ সন্তান জন্ম দিয়ে। আনহাতে, সন্তানটি জন্মৰ পাছতে শিৱসাগৰ অসামৰিক চিকিৎসালয় কৰ্তৃপক্ষই নৱজাতকটিক পৰিয়ালৰ লোকে বিক্ৰী কৰিব পাৰে বুলি সম্ভাৱনা ব্যক্ত কৰি শিশু সুৰক্ষা সমিতিক খবৰ দিয়ে। এই খবৰৰ ভিত্তিত শিশু সুৰক্ষা সমিতিয়ে যুৱতী মাতৃগৰাকীৰ পৰিয়ালক সাক্ষাৎ কৰি যদি সন্তানটোক লালন-পালন কৰিব নোৱাৰে তেন্তে শিশু সুৰক্ষা সমিতিক গতাই দিবলৈ অনুৰোধ জনায়। কিন্তু পৰিয়ালৰ লোকে মাতৃয়ে নোৱাৰিলেও আইতাকে সন্তানটিৰ দায়িত্ব ল'ব বুলি শিশু সুৰক্ষা সমিতিক অৱগত কৰে। কিন্তু পৰৱৰ্তী সময়ত শিশু সুৰক্ষা সমিতিয়ে সোধা-পোছা কৰাত নৱজাতকটিক বিক্ৰী কৰাটো নিশ্চিত হয়। এই সন্দৰ্ভত শিশু সুৰক্ষা বিষয়া বিকাশ ৰঞ্জন কোঁৱৰে কয়, "তেওঁলোক আমি কৈছিলোঁ যে যিহেতু তেওঁ এগৰাকী অবিবাহিতা মহিলা। অবিবাহিতা মহিলা যিহেতু প্ৰেগনেণ্ট হৈছে সেই ক্ষেত্ৰত কালপ্ৰিট কোন। সেই কালপ্ৰিট সন্দৰ্ভত তেওঁলোকে একো জনোৱা নাছিল বা জনা নাছিল বুলি কৈছিল।" তেওঁ লগতে কয়, "যিহেতু অবিবাহিতা এগৰাকী মহিলাই এটা পুত্ৰ সন্তান জন্ম দিছে, গতিকে কেঁচুৱাটি ৰাখিবনে নাৰাখিব সেইটো আমি সুধিছিলোঁ। কাৰণ আমাৰ বিভাগৰ অধীনত যিসকল নিঃসন্তান ব্যক্তি আছে তেওঁলোকে চেণ্ট্ৰেল গভমেণ্টৰ এটা নিয়মমতে সন্তান তুলি ল'ব পাৰে, তেনেদৰে আমি তেওঁলোকে শিশুটিক ৰাখিবলৈ যদি প্ৰস্তুত নহয় তেনেহ'লে আমাক দিলে আমি বাকী ফৰ্মেলিটিজখিনি কৰিম বুলি কৈছিলোঁ, তেওঁলোকে আমাৰ কথা একেচাটে নুই কৰি কৈছিল যে তেওঁলোকে সন্তানটো ৰাখিব আৰু কেঁচুৱাটো তেওঁৰ মাতৃয়ে বা আইতাকে তুলি-তালি ডাঙৰ-দীঘল কৰিব। তেতিয়া আমি কৈছিলোঁ যে যদি কিবা কাৰণত আপোনালোকে কেঁচুৱাটি বিক্ৰী কৰাৰ কথা ভাবিছে সেইটো নাভাবিব। কাৰণ সেইটো এটা বেআইনী কথা।" আনহাতে, কেঁচুৱাটিৰ বিক্ৰী সন্দৰ্ভত বিষয়াগৰাকীয়ে কয়, "পৰহি দিনা আমাৰ চাইল্ড ৱেলফেয়াৰ কমিটীৰ সদস্য এগৰাকীয়ে গম পালে যে কেঁচুৱাটি বিক্ৰী হৈছে। বিক্ৰী হোৱাৰ পিছত আমি কালি গম পালোঁ যে প্ৰসূতিগৰাকীৰ পিতৃয়ে জোঁৱায়েকৰ চাৰিআলিত এখন দোকানত কাম কৰে। দোকানখনলৈ গ'লোঁ। তেওঁ প্ৰথমতে কোৱা নাছিল... কেঁচুৱাটিৰ কথা সোধাত তেওঁ ক'লে যে কেঁচুৱাটি ক'ত আছে তেওঁ নাজানে। তেওঁ লগতে কয়, "বোৱাৰীয়েকে তেওঁক ৫ হাজাৰ টকা দিছিল তেওঁ গ্ৰহণ নকৰিলে। পিছত অলপ বেছিকৈ সোধা-পোছা কৰাত ক'লৈ যে কেঁচুৱাটি সম্ভৱ বিক্ৰী কৰিলে... তাৰ পিছত পুতেক-বোৱাৰীয়েকৰ ওচৰলৈ গ'লোঁ। প্ৰথমতে তেওঁলোকে মানি লোৱা নাছিল। একোৱে নাজানো বুলি কৈছিল। যি কৰিছে শাহুৱেকেহে কৰিছে বুলি ক'লে বোৱাৰীয়েকে। পিছত আৰক্ষী বিভাগক অৱগত কৰিলোঁ। আৰক্ষী গৈ পুতেক-বোৱাৰীয়েকসহিতে আৰু এগৰাকী আশাকৰ্মীক আটক কৰি লৈ আহে।" ইফালে এনে বেআইনী কামক লৈ শিশু সুৰক্ষা সমিতিয়ে শিৱসাগৰ আৰক্ষীক অভিযোগ দাখিল কৰাত জয়সাগৰ আৰক্ষীয়ে শিশুটিৰ মাতৃ, প্ৰসূতীগৰাকীৰ মাতৃ, ককায়েক, বৌৱেক আৰু দুগৰাকী আশাকৰ্মীক নৱজাতক বিক্ৰীৰ অপৰাধত আটক কৰি জেৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে দুগৰাকী আশাকৰ্মীৰ সহযোগত পৰিয়ালৰ লোকে পুত্ৰ সন্তানটি সোণাৰিৰ এটা পৰিয়ালক বিক্ৰী কৰা বুলি আৰক্ষী সূত্ৰত জানিব পৰা গৈছে যদিও বৰ্তমানে কাকো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা নাই।

## ২০০৩ চনৰ আগৰে পৰা বি টি

অহা নাই, সমাজৰ সমস্যা সমাধান কৰিবলৈহে আহিছোঁ। বি টি চিত থকা প্ৰতিটো জনগোষ্ঠীৰ সমস্যাসমূহ সমাধান কৰাৰ বাবে যত্ন কৰিছোঁ। বিশেষকৈ ভূমিৰ সমস্যা এই অঞ্চলসমূহত ঘাই সমস্যা। বি টি চিত ২০০৩ চনৰ আগৰে পৰা বসবাস কৰি থকা জাতি-জনজাতিয়ে ভূমিৰ সুবিধাসমূহ লাভ কৰিব। বি পি এফ দলে ১৭ বছৰৰ শাসনকালত ১৬০০ পৰিয়ালৰ ভূমি সমস্যা সমাধান কৰিছিল। আমি মাত্ৰ চাৰি বছৰতেই ৩, ২৩, ০০০ পৰিয়ালৰ মাটিৰ সমস্যা সমাধান কৰিলো আৰু ৭০ হাজাৰ পৰিয়ালক ভূমি পট্টা প্ৰদান কৰিলো।" ইফালে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সৈতে কিহৰ বৈঠক অনুষ্ঠিত হৈছিল বুলি সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰত প্ৰমোদ বড়োৱে কয়, "এন ডি এফ বি নেতা ৰঞ্জন দৈমাৰীৰ মুক্তিৰ বাবে অকল নহয়, বৰং ভাৰতীয় সংবিধানৰ ১২৫নং দফাটো সংশোধনৰ বাবেও কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ সৈতে মিলিত হৈছিল বি টি চি চৰকাৰ।" তেওঁ লগতে কয় যে বি টি আৰ চুক্তিৰ দফাসমূহ কাৰ্যকৰী কৰাৰ লগতে সংবিধানৰ ১২৫নং দফা সংশোধনৰ বিষয়ে আলোচনা কৰা হৈছে। নিয়াৰ গোচৰসমূহ ৰাজ্য চৰকাৰলৈ হস্তান্তৰ কৰি ৰঞ্জন দৈমাৰীসহ অন্যান্য এন ডি এফ বি সদস্যসকলৰ জামিনৰ প্ৰচেষ্টা চলোৱা বুলি প্ৰমোদ বড়োৱে উক্ত সন্মিলনত ব্যক্ত কৰে। আনহাতে, চি বি আইৰ হাতত থকা ছয়টা গোচৰ উঠাই লোৱাৰ বাবেও গৃহমন্ত্ৰীক অনুৰোধ কৰা বুলি জানিবলৈ দিয়ে প্ৰমোদ বড়োৱে। তদুপৰি বি টি আৰত থকা ৪০টা পৰিষদীয় সমষ্টিৰ হিতাধিকাৰীসকলে আঁচনিসমূহ সঠিকভাৱে পাইছে নে নাই, প্ৰতিটো বিভাগৰ আঁচনিসমূহ ৰূপায়ণ হৈছে নে নাই, তাক জনাবলৈ এনেধৰণৰ সভা অনুষ্ঠিত কৰা হৈছে বুলিও বড়োৱে কয়। আনহাতে, বিজেপি দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই বি টি চি নিৰ্বাচনত "দু এণ্ড ডাই" বুলি কৰা মন্তব্য সন্দৰ্ভত বি টি চি প্ৰধান প্ৰমোদ বড়োৱে কয়, "ৰাজনীতিত "দু এণ্ড ডাই" নালাগে। তেওঁ কি ভাবি কৈছে সেইটো তেওঁৰ কথা।"

## অফলাত পুনচান আপ্পুন নাট্য সমাজৰ ২১ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ আয়োজন

**অসম বাৰ্তা, দিচাংমুখ, ১০ জুলাই ঃ** দিচাংমুখ অফলাৰ অন্যতম অগ্ৰণী অনুষ্ঠান পুনচান আপ্পুন নাট্য সমাজৰ ২১ সংখ্যক প্ৰতিষ্ঠা দিৱস অহা ১৭ জুলাইত অফলা মুৰঙঘৰ প্ৰাঙ্গনত দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি পুৱা ৭ বজাত সামুহিক চাফাই, ৮ বজাত পতাকা উত্তোলন। উত্তোলন কৰিব পুনচান আপ্পুন নাট্য সমাজৰ সভাপতি ৰমেশ মিলিয়ে । ৮-৩০ বজাত স্মৃতি তৰ্পণ কৰিব পুনচান আপ্পুন নাট্য সমাজৰ সম্পাদক মোহন মিলিয়ে । ৯ বজাত প্ৰতিযোগীৰ নাম পঞ্জীয়ন । ৯-৩০ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা চিত্ৰাংকন আৰু একক মিচিং আধুনিক নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰিব অফলা জনজাতি বালিকা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক অমৰজ্যোতি য়েইনে । দুপৰীয়া ১২ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা মুকলি সভা আৰু বিশেষ সাংস্কৃতিক বান ব্যক্তি আৰু কৃতি ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা অনুষ্ঠানৰ সভাত সভাপতিত্ব কৰিব পুনচান আপ্পুন নাট্য সমাজৰ সভাপতি ৰমেশ মিলিয়ে । নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব মিচিং বানী কেবাঙৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি তৰুণ মিলি । মুখ্য অতিথি হিচাপে উপস্থিত থাকিব মিচিং স্বায়ত্ব শাসিত পৰিষদৰ ৩৪ নং দিখৌ দিচাং সমষ্টিৰ সদস্যা নিভা পেগু মিলি আৰু দিচাংমুখ গাঁও পঞ্চায়তৰ সভাপতি সঞ্জয় পাংগিঙ । বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বিশিষ্ট কবি গংগামোহন মিলি, ৰাজ্যিক পুৰস্কাৰ প্ৰাপ্ত শিক্ষক আৰু সমাজকৰ্মী ঠানুৰাম পাংগিং আৰু দিচাংমুখ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যা মাজনী মিলি গগৈ । সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব দিচাংমুখ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মন্টু বৰা, শিৱসাগৰ জিলা জনজাতি উন্নয়ন প্ৰকল্পৰ সভাপতি ৰেৱ কুমাৰ মিলি, অফলা গাঁৱৰ গাঁও প্ৰধান তযুৰাম মিলি, অফলা গাঁও উন্নয়ন সমিতিৰ সভাপতি জগন্নাথ গাম, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰাম প্ৰসাদ মিলি, সমাজকৰ্মী পোনাৰাম য়েইন, সাংবাদিক ৰজনীকান্ত পাংগিং, নাট্যকাৰ প্ৰাঞ্জল গাম, পুনচান আপ্পুন নাট্য সমাজৰ উপদেষ্টা মুকেশ মিলি আৰু অফলা তুফান ক্লাবৰ সভাপতি ৰাজু মিলি । সন্ধিয়া ৮ বজাত বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হ'ব বুলি উদ্যোক্তা সকলে জানিবলৈ দিছে ।

## জাতি ৰক্ষাৰ ভেঁটি ৰক্ষাৰ মহামূল্যবান কৱচ

প্ৰকৃতি-প্ৰবৃত্তি। সামূহিক গোট বিশেষ বা সামাজিক সত্তাতেই মানুহে উপলব্ধি কৰে উল্লিখিত ভাষা-সাহিত্য, শিল্প-সংস্কৃতিৰ প্ৰয়োজনীয়তা। প্ৰথম কথা, সামাজিক পৰিৱেশ একোটা গঢ় লৈ উঠাৰ প্ৰাকক্ষণত মনৰ ভাৱ, প্ৰকাশ, বিকাশ আৰু বিনিময়ৰ বাহনস্বৰূপে ভাষা একোটাৰ কথাই আহি পৰে। ইয়াৰ লগতে গাৰ লগত ছাঁ হৈ গইনা লয় শিক্ষা, সাহিত্য-সংস্কৃতিৰ কেতবোৰ যোগাত্মক ৰূপ, আকাৰ আৰু গৰিমাময় প্ৰকাৰ। মনৰ ভাৱ-অনুভূতিবোৰ আদান-প্ৰদানৰ মূল মাধ্যম ভাষাৰ অবিহনে জাতি ৰক্ষাৰ কথা, মানৱ জীৱনৰ গতিশীলতাৰ কথা কেতিয়াও ভাৱিবই পৰা নাযায়। প্ৰণিধানযোগ্য যে, ভাষাৰ স্থিতি আৰু প্ৰগতিৰ ভেঁটি বা বুনিয়াদ সুৰক্ষিত হ'লেহে ইয়াৰ লগে লগে সাহিত্য, শিল্প আৰু সংস্কৃতিৰ ঐতিহ্যৰ কথা ভাৱিব পৰা যায়। মানুহৰ ব্যৱহাৰিকতাৰ ক্ষেত্ৰত মুখত যদি একোটা মাৰ্জিত, পৰিশীলিত তথা জীৱন্ত ভাষাই নাথাকে, তেনেহ'লে সমাজ জীৱনৰ স'তে সহজ সংপৃক্ত অন্যান্য আনুষঙ্গিকতাবোৰ ক'ত থাকিব বা কেনেদৰেনো জীৱন্ত হৈ ৰ'ব। গতিকে আমি এইটো কথা সহজতে মানি ল'বই লাগিব যে জাতি প্ৰগতি আৰু জাতীয় জীৱনৰ গৰিমা প্ৰকাশৰ ক্ষেত্ৰত উল্লিখিত কেইপদ উপকৰণৰ অতীৱ প্ৰয়োজন। জাতি একোটাৰ সামগ্ৰিক উত্তৰণৰ বাবে এই এইবোৰ অভিধাৰ কথা আমি যথাৰ্থতেই স্বীকাৰ কৰি ল'বই লাগিব। এই কেইপদ হৈছে জাতি ৰক্ষাৰ অন্যতম কৱচ।

এতিয়া আহোঁ আমি ভেঁটি ৰক্ষাৰ প্ৰসঙ্গলৈ। ভেঁটি ৰক্ষা মানে আমি পোনপটীয়াকৈ নিজৰ ঘৰৰ ভেঁটি ৰক্ষাৰ কথাটোক ক'ব খোজা নাই। হয়, মানুহে সমাজ পাতি বসবাস কৰিবলৈ আশ্ৰয়স্থল এডোখৰিৰ প্ৰয়োজন অন: স্বীকাৰ্য। ঘৰখন পাতিবলৈ, সংসাৰখন আৰম্ভ কৰিবলৈ আমাৰ মৌলিক ভেঁটি হিচাপে একোডোখৰ মাটি বা একোটা ঘৰ-ভেঁটি নিতান্তই দৰকাৰী য'ত মানুহে নিৰ্বিঘ্নে, নিৰাপদে থকাৰ সুবিধাকণ কৰি ল'ব পাৰে। ভাৰতীয় সংবিধান মতে, মানুহ সুৰক্ষিতভাৱে জীয়াই থাকিবলৈ প্ৰয়োজন হোৱা তিনিটা প্ৰধান আহিলা সম্পদ হৈছে - খাদ্য, বস্ত্ৰ আৰু আশ্ৰয়। এইকেইটাৰ ভিতৰত আশ্ৰয়স্থানো হৈছে এটা অতি জৰুৰী বিষয়। এই আশ্ৰয় বা ভেঁটিৰ স'তেই বিজড়িত আমাৰ শিক্ষা, সমাজ, সভ্যতা, স্বাভিমান আৰু আত্মমৰ্য্যাদা। এইবোৰ হৈছে আমাৰ অন্যতম মৌলিকতা। এটা সুৰক্ষিত ঘৰ সাজি ৰ'দৰ প্ৰখৰতা আৰু বৰষুণৰ প্ৰাবল্যতাই মানুহক অপায়-অমঙ্গলত পৰ্যবসিত হ'বলৈ নিদিয়াটো মানৱ জীৱনৰ বাবে এটা যোগাত্মক দিশ।

সৰ্বোপৰি আমি মানৱ সমাজৰ যি সৰ্বোত্তম ভেঁটিটোৰ কথা প্ৰকাশ কৰিবলৈ গৈছোঁ, স্বৰূপতে এইটোহে। মানুহৰ মনৰ দৃঢ়তাই হৈছে জীৱন পৰিক্ৰমাৰ আচল ভেঁটি, নজহা-নপমা এটি লাইখুঁটা। ঘৰৰ লাইখুঁটা শকত, টান সহজতে ভাগি নপৰাবিধৰ হলেহে আমাৰ জীৱনৰ গম্বুজ হ'ব অতি শক্তিশালী। সেয়েহে আমি মন-মগজুৰ ভেঁটি বা বুনিয়াদ অতি শক্তিশালী, প্ৰভাৱশালী আৰু গজদন্তমিনাৰ সদৃশ হ'ব লাগে বুলি সদৰি কৰিব খুজিছোঁ। মন, বুদ্ধি বিবেকৰ দুৱাৰত হস্তী সদৃশ প্ৰহৰী যদি এনে ৰূপে থিয় দি থাকে, তেন্তে ধ্ৰুৰূপ কথা যে জীৱন প্ৰগতি অনিবাৰ্য আৰু অপ্ৰতিৰুদ্ধ।

এতিয়া আমি এবাৰ ভাৱি চাব খোজোঁ যে জীৱন প্ৰগতিৰ মূলধন স্বৰূপ উপৰ্যুক্ত আলোচিত ব্যাপাৰসমূহ থকাৰ উপৰিও আমাক বা মানুহক সততে দৰকাৰ হ'ব আত্মপ্ৰত্যয়, আত্মবিশ্বাস আৰু আত্মমৰ্য্যাদা। অপৰিসীম দৃঢ়তা, একাগ্ৰতা আৰু প্ৰবল আগ্ৰহ থাকিলে এই কেইটা দিশেই সহজসাধ্য হৈ উঠিব পাৰে। ইংৰাজীত এটা বৰ প্ৰণিধানযোগ্য কথা এনেদৰে কোৱা হৈছে যে Where there is a will, there is a way অৰ্থাৎ ইচ্ছা থাকিলেই উপায় ওলায়।

এটা কথা আমি মনৰ গভীৰতাৰ নিয়াৰিশালাত মাপ কৰি চালে বুজি উঠিব পাৰিম যে ভাষা হৈছে মানুহৰ নিজৰ চিনাকি স্বাক্ষৰ নিকপকপীয়া কৰাৰ এক শক্তিশালী কৱচ। সাহিত্যই মানৱ জীৱনৰ ইতিহাস গঢ়ি তোলাৰ অন্য এক জখলা স্বৰূপে কাম কৰে। শিল্প-সংস্কৃতিৰ বহল ক্ষেত্ৰখনত মানুহ উত্তৰণৰ দিশত আগবাঢ়ি যাব পৰা অতি নিৰ্ভৰযোগ্য সম্বল। বাকী মানুহক সততে প্ৰয়োজন হোৱা শিক্ষা, সমাজ, সভ্যতা আৰু স্বাভিমান হৈছে এই এইবোৰ দিশ বিকশাই তোলা একো একোটা সত্য, সুন্দৰ আৰু সাহসৰ প্ৰতীক। স্মতব্য যে, এই সকলোবোৰ উপসৰ্গ বা উপাদানৰ সাহচৰ্যতেই মানুহৰ জাতি, ভেঁটি আৰু মাটি ৰক্ষাৰ মহামূল্যবান শক্তিশালী কৱচ ৰূপত প্ৰতিষ্ঠাপিত হ'ব পাৰে।

## ১৬ জুলাইত বকোত ৰাহুল

কেম্পত অনুষ্ঠিত হ'ব বিশাল জনসভা। আহি আছে কংগ্ৰেছৰ শীৰ্ষ নেতৃত্ব। ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খৰ্গেৰ লগতে বিৰোধী দলৰ দলপতি ৰাহুল গান্ধী আৰু প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ। যাক লৈ এতিয়া আনন্দিত হৈ পৰিছে কংগ্ৰেছ নেতা, কৰ্মী সকল। বকো ছয়গাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত বনগাঁও কেম্পত অনুষ্ঠিত হ'ব বিশাল জনসভা। এনেদৰে আজি বকো ছয়গাঁও সমষ্টিৰ অন্তৰ্গত বিভিন্ন ঠাইৰ পৰা অহা কংগ্ৰেছ কৰ্মীৰ উপস্থিতিত বকো ব্লক কংগ্ৰেছ সমিতিৰ ৰাজীৱ ভৱনত অনুষ্ঠিত কৰা হয় প্ৰস্তুতি সভা। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় শীৰ্ষ নেতৃত্বক আদৰিবলৈ এতিয়া উথপথপ প্ৰতিজন কংগ্ৰেছৰ কৰ্মী সকল। অহা ১৬ জুলাইত অনুষ্ঠিত হ'বলগীয়া কাৰ্যসূচীৰ সমগ্ৰ ব্যৱস্থাপনা সন্দৰ্ভত আজি বকো ৰাজীৱ ভৱনত বিধায়িকা নন্দিতা দাসে সম্বোধন কৰে এখন সংবাদমেল। বকো ব্লক কংগ্ৰেছৰ অন্তৰ্গত ১৬টা গাঁও পঞ্চায়ত প্ৰতিনিধিৰ লগতে একাংশ কংগ্ৰেছৰ কৰ্মী উপস্থিত থাকে। উল্লেখ্য যে সাংসদ গৌৰৱ গগৈ অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰূপে নিৰ্বাচিত হোৱাৰ পিছতেই অসমত এয়া হ'ব ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খৰ্গেৰ লগতে বিৰোধী দলপতি ৰাহুল গান্ধীৰ প্ৰথমখন কৰ্মীসভা।

# বেজেৰাত ড০ হিতেশ ডেকা শৈক্ষিক ন্যাসৰ সৌজন্যত বটা প্ৰদান

**অসম বাৰ্তা, কমলপুৰ, ৯ জুলাইঃ** কামৰূপ জিলাৰ বেজেৰাত। ড০ হিতেশ ডেকা শৈক্ষিক ন্যাসৰ সৌজন্যত বঁটা প্ৰদান কৰা হয়।বেজেৰাৰ অগ্ৰণী শিক্ষানুষ্ঠান উদয়ন শান্তি নিকেতনৰ পৰা শিক্ষানুষ্ঠানখনৰ ভিতৰতেই সৰ্বোচ্চ নম্বৰ লাভ কৰা এজন ছাত্ৰ আৰু এজনী ছাত্ৰীক বিগত চাৰিবছৰৰ দৰে এইবছৰেও শৈক্ষিক ন্যাসটোৰ সৌজন্যত বঁটা প্ৰদান কৰা হয়।চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উদয়ন শান্তি নিকেতনৰ ছাত্ৰৰ ভিতৰত ৯১.৬ শতাংশৰে সৰ্বোচ্চ নম্বৰ লাভ কৰা ভাস্কৰ জ্যোতি ডেকাক শিক্ষাবিদ প্ৰভাত চন্দ্ৰ ডেকা সোঁৱৰণী বঁটা আৰু ছাত্ৰীৰ ভিতৰত ৮৯.৬ শতাংশৰে সৰ্বোচ্চ নম্বৰ লাভ কৰা তৃষা ডেকাক গোলাপী ডেকা সোঁৱৰণী বঁটা প্ৰদান কৰা হয়।কৃতী শিক্ষাৰ্থী দুগৰাকীক গামোচা,ধন, মানপত্ৰৰে সম্বৰ্ধনা যঁচা এই বঁটা প্ৰদান অনুষ্ঠানত শৈক্ষিক ন্যাসটোৰ সভাপতি নাজিমুদ্দিন আহমেদ,শিক্ষানুষ্ঠানখনৰ অধ্যক্ষ হেমন্ত শৰ্মাকে ধৰি অঞ্চলটোৰ কেইবাজনো জ্ঞানী-গুণী ব্যক্তি উপস্থিত থাকে।

# সৰ্বভাৰতীয় ধৰ্মঘটৰ সমৰ্থনত অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘৰ বিশ্বনাথ জিলাত প্ৰতিবাদী কাৰ্যসূচী

**অসম বাৰ্তা , বিহালী, ৯ জুলাই ঃ** আজি ৯ জুলাইত কেন্দ্ৰীয় ট্ৰেড ইউনিয়ন সমূহে আহ্বান জনোৱা সাধাৰন ধৰ্মঘটলৈ পূৰ্ণ সমৰ্থন আগবঢ়াই অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘই কেতবোৰ নিজা ববীয়া কাৰ্যসূচী ৰূপায়ন কৰে। সংঘৰ বিশ্বনাথ চাৰ্কোলৰ অন্তৰ্গত মোনাবাৰী,বৰভীল,বিহালী, বৰগাং,ৰঙাগড়,বৰগাওঁ আদি চাহ বাগিচাত পুৱা ৮ বজাত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰা হয়।প্ৰতিবাদী কাৰ্যসূচী ৰূপায়নৰ পিছত চাহ শ্ৰমিকৰ দাবী সম্বিলিত বেজ পৰিধান কৰি শ্ৰমিকসকলে কাম কৰিবলৈ বাগিচাত সোমাই।চাহ শ্ৰমিকৰ দখলীকৃত মাটিৰ পট্টা প্ৰদান কৰা,দৈনিক মজুৰি ৫৫০ টকালৈ বৃদ্ধি কৰা, শ্ৰমিকবিৰোধী "শ্ৰমসংহিতা" বাতিল কৰাকে ধৰি কেইবাটাও দাবী উত্থাপন কৰি প্ৰতিবাদস্থলীত হাতে হাতে পে কাৰ্ড লৈ বিভিন্ন শ্লোগান দিয়ে অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘই। তদুপৰি বৰগাং,ৰঙাগড় আৰু বৰভীল চাহ বাগিচাত ১৫ দিনীয়া দৰমহা বন্ধ কৰি অতি শীঘ্ৰে সাপ্তাহিক দৰমহা দিয়াৰ দাবীও উত্থাপন কৰে সংগঠনটোৱে। আজি বৰগাওঁ চাহ বাগিচাৰ প্ৰতিবাদী কাৰ্যসূচীত সংগঠনটোৰ বিশ্বনাথ চাৰ্কোল সমিতিৰ সভাপতি নৰোত্তম চুণ্ডী উপস্থিত থাকি কেইটামান গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াই। তদুপৰি বিজেপি চৰকাৰে চাহ শ্ৰমিকক দিয়া এটাও প্ৰতিশ্ৰুতি পালন নকৰিলে বুলিও গুৰুত্বৰ অভিযোগ তুলে নৰোত্তম চুণ্ডীয়ে। চাহ শ্ৰমিকক ২০১৮ চনতে ৩৫১ টকা মজুৰি, চাহ শ্ৰমিকক মাটিৰ পট্টা, উন্নত শিক্ষা আৰু উন্নত স্বাস্থ্যৰ প্ৰতিশ্ৰুতি দিয়া বিজেপি চৰকাৰে চৰ্দাৰক মোবাইল ফোন আৰু শ্ৰমিকক ধনমেলাৰ ফুচুলনিৰ বাহিৰে একো নিদিলেই, ওলোটাই সামগ্ৰীৰ তিনি/চাৰিগুণ মূল্যবৃদ্ধি আৰু চাহ বাগিচাবোৰত নতুন নতুন সমস্যাহে সৃষ্টি কৰিলে বুলি মন্তব্য কৰে শ্ৰমিক নেতা গৰাকীয়ে।

### ৰাভা ছাত্ৰ-ছাত্ৰীসকলে আত্ম প্ৰতিষ্ঠা আৰু নিজক প্ৰতিষ্ঠা কৰাৰ সংগ্ৰামত ব্ৰতী হ'ব লাগিব ঃ সুভাষ বৰ্মণ

# দুধনৈত ৰাভা জনগোষ্ঠীৰ ৬৯ গৰাকী কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ৯ জুলাই ঃ** ভৱিষ্যতৰ দিনত ৰাভা ছাত্ৰ-ছাত্ৰী সকলে দেশৰ সুনাগৰিক হৈ জাতিটোৰ উত্থানৰ হকে কাম কৰি জাতিটোক বিশ্ব দৰবাৰৰ মজিয়ালৈ হৈ যাব পাৰে তাৰেই উদ্দেশ্য আগত লৈ গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থা আৰু গোৱালপাৰা জিলা ৰাভা মহিলা পৰিষদে যুটীয়া ভাবে প্ৰতিবছৰে ৰাভা জনগোষ্ঠীৰ কৃতি ছাত্ৰ-ছাত্ৰী সকলক সম্বৰ্দ্ধনা জনাই উৎসাহিত কৰি আহিছে। এই বেলিও দুয়োটো সংগঠনৰ উদ্দ্যোগত মঙলবাৰে দুধনৈ জনমন্দিৰ প্ৰেক্ষাগৃহত ২০২৫ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৭৫ শতাংশ, কেন্দ্ৰীয় মাধ্যমিক শিক্ষা বোৰ্ডৰ অধীনস্থ দশম শ্ৰেণী আৰু দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ বা তাতকৈ অধিক নম্বৰ লাভ কৰি যিসকল ৰাভা জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীয়ে সুখ্যাতিৰে উত্তীৰ্ণ হৈছে সেই সকল কৃতিমানক সম্বৰ্দ্ধনা জনোৱা হয়। গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সভাপতি বিৰঞ্জন ৰাভা আৰু গোৱালপাৰা জিলা ৰাভা মহিলা পৰিষদৰ সভানেত্ৰী মনোমা ৰাভাৰ যৌথ পৌৰহিত্যত অনুস্থিত সম্বৰ্দ্ধনা অনুষ্ঠানটিৰ শুভ উদ্বোধনী ভাষণত নিখিল ৰাভা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ডঃ সুভাষ ৰাভাই ছাত্ৰ-ছাত্ৰী সকলক এগৰাকী ভাল মানুহ, ভাল নাগৰিক হোৱাৰ লগতে নিজৰ মাক-দেউতাকক যাতে সদায় শ্ৰদ্ধা কৰে তাৰ বাবে ছাত্ৰ-ছাত্ৰী সকলক আহ্বান জনায়। গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক তিলক ৰাভাই আঁত ধৰা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই কয় যে আৰ্থিক অৱস্থা কেতিয়াও উন্নতিৰ হেঙাৰ হব নোৱাৰে।কৃতি ৰাভা ছাত্ৰ -ছাত্ৰী সকলৰ বাবে ৰাভা হাছং পৰিষদে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে।তেওঁ পুনৰ কয় যে টকাৰে জ্ঞান আৰু সময় কিনিব নোৱাৰি। ছাত্ৰ ছাত্ৰী সকলে মাথো একাগ্ৰতাৰে মনযোগেৰে পঢ়িব লাগে।আনহাতে গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সুভাষ বৰ্মণে বিশিষ্ট অতিথিৰ আসন শুৱনি কৰি কয় -ৰাভা ছাত্ৰ-ছাত্ৰী সকলে আত্ম প্ৰতিষ্ঠা আৰু নিজক প্ৰতিষ্ঠা কৰাৰ সংগ্ৰামত ব্ৰতী হব লাগিব। তেতিয়াহে জাতিটো জাকত জিলিকা হব।এই সম্বৰ্ধনা অনুষ্ঠানত নিখিল ৰাভা ছাত্ৰ সন্থাৰ সভাপতি মতিলাল বাকচক, সাধাৰণ সম্পাদক সহকাৰী সম্পাদক দেবানন্দ পাম, উপদেষ্টা চিৰাজ ৰুংদুং, নিখিল ৰাভা মহিলা পৰিষদৰ সাধাৰণ সম্পাদিকা কবিতা ৰাভা, ষষ্ঠ অনুসূচী দাবী সমিতিৰ সভাপতি দশানন ৰাভা, ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ উপাধ্যক্ষা অলকা ৰাভা, কাৰ্যবাহী সদস্য ফণীন্দ্ৰ চন্দ্ৰ ৰাভা, জীৱন চন্দ্ৰ ৰাভা, জোনালী ৰাভাৰ লগতে সংগঠন দুটাৰ বহু কেইগৰাকী নেতৃত্বই অনুষ্ঠানত উপস্থিত থাকি সমূহ ছাত্ৰ ছাত্ৰী সকলক আন্তৰিক শুভেচ্ছা জনোৱাৰ লগতে তেওঁলোকৰ ভৱিষ্যত শৈক্ষিক জীৱন অধিক উজ্জ্বল কৰাৰ বাবে যৎপৰোনাস্তি প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ আহ্বান জনায়।আজিৰ অনুষ্ঠানত উচ্চ মাধ্যমিকৰ ১৮ গৰাকী আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ২৫ গৰাকী কৃতিত্বৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰী, কেন্দ্ৰীয় মাধ্যমিক শিক্ষা বোৰ্ডৰ অধীনস্থ দশম শ্ৰেণীৰ ১৩ গৰাকী আৰু দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ৯ গৰাকী ছাত্ৰ-ছাত্ৰীৰ লগতে এইবেলি নীট (UG) পৰীক্ষাত উত্তীৰ্ণ গোৱালপাৰা জিলাৰ ৪ গৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰত্যেককে একোখনকৈ ফুলাম পাজাৰ, গ্ৰন্থ, স্মাৰক প্ৰদান কৰা হয়। মুঠ ৬৯ গৰাকী ছাত্ৰ ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত উপস্থিত থকা অভিভাৱক সকলকো পাজাৰেৰে সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে গোৱালপাৰা জিলাৰ অন্তৰ্গত নিখিল ৰাভা ছাত্ৰ সন্থা আৰু নিখিল ৰাভা মহিলা পৰিষদৰ আটাইকেইখন আঞ্চলিক কমিটিৰ সভাপতি সম্পাদক প্ৰমুখ্যে প্ৰতিনিধি সকলে আজিৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত সম্বৰ্ধিত ছাত্ৰ-ছাত্ৰী সকলৰ কেবাগৰাকীয়ে নিজৰ নিজৰ মতামত ব্যক্ত কৰি দুয়োটা ৰাভা জাতীয় সংগঠনে লোৱা প্ৰচেষ্টাৰ শলাগ লয় আৰু এনে পদক্ষেপে অনাগত দিনত ভাল ফলাফলৰ বাবে তেওঁলোকক উৎসাহিত কৰিব বুলিও কয়।

# হাৰমতী ১৫নং ৰাষ্ট্ৰীয় ঘাই পথত দুৰ্ঘটনা ঃ থিতাতে নিহত এজনৰ

**অসম বাৰ্তা, বান্দৰদেৱা, ৯ জুলাই ঃ** লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰতী বান্দৰদেৱা সমীপৰ হাৰমতী ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ মণিকুমাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সন্মুখত আজি এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। পুৱা প্ৰায় ৮-৩০ মান বজাত মনোজ দেউৰী নামৰ ব্যক্তি জনে স্কুতিৰে নিজ কৰ্মস্থলীলৈ বুলি গৈ থাকোতে পথৰ কাষতে ৰখাই থোৱা ট্ৰেক্টৰ এখনত পিছফালৰ পৰা প্ৰচণ্ড যোৰত খুন্দা মৰা ফলত ব্যক্তি জনৰ থিতাতে মৃত্যু হয়।ট্ৰে"ৰৰ চালক জনে সুৰাসক্ত অৱস্থাত গৈ থাকোতে হঠাতে গাড়ী ৰখাই কাৰোবাৰ লগত কথা পাতিছিল বুলি বিশেষ সূত্ৰৰ পৰা জানিব পৰা গৈছে। নিহত মনোজ দেউৰীৰ ঘৰ বিহপুৰীয়া কাঁচিকতা দেউৰীগাওঁত আছিল।কৰ্মসূত্ৰে তেওঁ বান্দৰদেৱাৰ ১ নং পাৰ্বতিপুৰৰ মিচিং গাঁৱত থাকি লৈছিল। তেখেতৰ আজি আকস্মিক মৃত্যুত এতিয়া বিহপুৰীয়া কাঁচিকতা সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পৰিছে।

# নগাঁও পৌৰ সভাত সংযোজন হ'ল অত্যাধুনিক ছুপাৰ চকা'ৰ যন্ত্ৰ

**অসম বাৰ্তা, নগাঁও, ৯ জুলাই ঃ** নগাঁও পৌৰসভা এলেকাৰ নলা-নৰ্দমাৰ অপৰিষ্কাৰ জাবৰ-জোথৰ আদি অত্যাধুনিক প্ৰযুক্তিৰে নিষ্কাষন কৰাৰ উদ্দেশ্যৰে নগাঁও পৌৰসভাই নতুনকৈ পোন প্ৰথমবাৰৰ বাবে 'ছুপাৰ চকাৰ' নামৰ এটি অত্যাধুনিক যন্ত্ৰ সংযোজনৰ পদক্ষেপ গ্ৰহণ কৰিছে।আজি নগাঁও চহৰৰ মনসা মন্দিৰ চাৰিআলিত এই অত্যাধুনিক যন্ত্ৰটিৰ কাৰ্যপ্ৰণালীৰ আনুষ্ঠানিক ভাৱে শুভাৰম্ভ কৰে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই । এই অত্যাধুনিক যন্ত্ৰটিৰ জৰিয়তে নগাঁও পৌৰসভা এলেকাৰ নলা,নৰ্দমা সমূহ সুন্দৰকৈ চাফ-চিকুন হ'ব আৰু জনসাধাৰণ যথেষ্ট উপকৃত হ'ব পাৰিব বুলি তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে। আজি 'ছুপাৰ চকাৰ' যন্ত্ৰটিৰ শুভাৰম্ভণি অনুষ্ঠানত নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মা, নগাঁও পৌৰসভাৰ পৌৰপতি অম্বিকা মজুমদাৰ,উপ-পৌৰপতি সীমান্ত বৰা প্ৰমুখ্যে নগাঁৱৰ বিভিন্ন পৌৰ আয়ুক্ত সকল আৰু পৌৰসভাৰ বিভিন্ন বিষয় -ববীয়া কৰ্মচাৰী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# ঘৰুৱা কন্দলৰ ভয়ংকৰ পৰিণতি, ভাই ককায়েকৰ কাজিয়াত প্ৰাণ হেৰুৱালে ভাতৃ

**অসম বাৰ্তা, শিমলীতোলা, ৯ জুলাইঃ** গোৱালপাৰা জিলাৰ পঞ্চৰত্ন থানাৰ অন্তৰ্গত বহতি এন চি চৰত সংঘটিত হৈছে মানৰ সমাজক লজ্জানত কৰা ঘটনা। ককায়েকৰ হাতত প্ৰাণ গ'ল সৰু ককায়েকৰ, অঞ্চলজুৰি শোকৰ ছাঁ বিৰাজ কৰিছে। হিয়া ঢাকুৰি কান্দিছে পুত্ৰ-কন্যা,পত্নীয়ে। জানিব পৰা মতে পাৰিবাৰিক কন্দলৰ বাবে সংগঠিত হয় এই জঘন্য ঘটনা। স্থানীয় ৰাইজে দিয়া ভাষ্য মতে ঘটনাৰ সূত্ৰপাত আনুমানিক আবেলি ২বজাত দুই ভাই ককায়েকৰ মাজত কঠিয়াতলীৰ কাষৰ ব্যক্তিগত ৰাস্তাৰ সীমা লৈ প্ৰথমে কথা কটাকটি হয় যদিও পৰৱৰ্তী সময়ত কথা কটাকটিৰ ফলত হোৱা কাজিয়াই ভয়ংকৰ ৰূপ লয়। অৱশেষত অনাকাংশিত ঘটনাত বহতি এন চি চৰৰ মগল আলীৰ পুত্ৰ চাৰি সন্তানৰ পিতৃ আব্দুল মজিদ (৪০)ৰ মৃত্যু হয়।মৃত আব্দুল মজিদৰ ডাঙৰ ককায়েকে দিয়া ভাষ্য অনুসৰি হৃদয় বিদাৰক জঘন্য ঘটনা সংঘটিত কৰে নিজৰেই ককায়েক মহৰ আলী আৰু মহৰ আলীৰ ঘৈনীয়েক ৰুকিয়া খাতুনে গুপ্তাংগ চেপি ধৰে, লগতে তেওঁৰ ল'ৰা ফাৰুক আলীয়ে ডিঙি চেপি ধৰি তিনিও মিলি তেওঁৰেই চকুৰ আগত অমানৱীয় হত্যা কাণ্ড সংঘটিত কৰে। ঘটনা সংঘটিত হোৱাৰ পিছতে ততাতৈয়াকৈ স্থানীয় ৰাইজে শিমোলীতোলা স্বাস্থ্য কেন্দ্ৰত লৈ যায় যদিও চিকিৎসকে মৃত্যু বুলি ঘোষণা কৰে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত গোৱালপাৰা আৰক্ষী আৰু পঞ্চৰত্নৰ আৰক্ষীৰ দল উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰাৰ পূৰ্বে তিনিও জন অপৰাধীয়ে ঘটনা সংঘটিত কৰিয়ে পলাই যাবলৈ সক্ষম হয়। অৱশেষত আযৰক্ষীয়ে মৃত ব্যক্তি গৰাকীৰ মৰণোত্তৰ পৰীক্ষাৰ বাবে গোৱালপাৰা অসামৰিক চিকিৎসালয়ত প্ৰেৰণ কৰে। দোষীক গ্ৰেফতাৰ কৰি আইনৰ গণ্ডীৰ ভিতৰত থাকি কঠোৰ শাস্তি দিয়াৰ দাবী জনাইছে মৃত ব্যক্তিৰ আত্মীয়ৰ লগতে স্থানীয় ৰাইজে। বাতৰি সংগ্ৰহ কৰা সময়লৈকে আৰক্ষীয়ে অপৰাধীক কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই যদিও ঘটনাৰ প্ৰকৃত ৰহস্য উদঘাটন বাবে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।পৰৱৰ্তী সময়ত আৰক্ষীয়ে কিমান ক্ষিপ্ৰতাৰে অপৰাধীক কৰায়ত্ত কৰি তদন্ত কেনেদৰে আগবঢ়ায় লৈ য়ায় সেয়া হ'ব লক্ষ্যনীয়।

# গোৱালপাৰাৰ বাকাইটাৰীত ভবেন্দ্ৰ নাথ শইকীয়াৰ কালজয়ী নাটক "দীনবন্ধু"ৰ শুভ মহুৰত অনুষ্ঠান সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ৯ জুলাইঃ** গোৱালপাৰাৰ বাকাইটাৰীত নক্ষত্ৰ ফাউণ্ডেশ্যনৰ উদ্যোগত গোৱালপাৰা জিলা প্ৰশাসন তথা গোৱালপাৰা ৰাইজৰ সহযোগত অসমৰ প্ৰখ্যাত সাহিত্যিক, নাট্যকাৰ ড০ ভবেন্দ্ৰনাথ শইকীয়াৰ ১৩আগষ্ট, ২০২৫ তাৰিখে মৃত্যু তিথি উপলক্ষে অহা ২৪ আগষ্টত তেখেতৰ কালজয়ী নাটক দীনবন্ধু নাটকখন গোৱালপাৰা সদৰস্থিত নটসূৰ্য ফণী শৰ্মা প্ৰেক্ষাগৃহত মঞ্চস্থ কৰা হ'ব। এই নাটখন পৰিচালনা কৰিব ভৃগুজিত দাসে। নাটখন দুটা দৰ্শনীৰে বিয়লি ৪.০০ বজাত আৰু সন্ধিয়া ৬.৩০ মিনিটত অনুস্থিত হ'ব। আজিৰ এই মহুৰত অনুষ্ঠানটোত অসমৰ জ্যেষ্ঠ অভিনেতা ধনঞ্জয় দেৱ নাথ, মহেন্দ্ৰ দাস লগতে কনক চন্দ্ৰ নাথ, দিবাকৰ শৰ্মা, মানৱ সিংহ, কুশল শীল, গুনেন্দ্ৰ কলিতা,শশাংক নাথ, ৰাতুল সাউদ, হৰিশ কলিতা, প্ৰণৱ নাথ, মনোৰঞ্জন চক্ৰৱতী আদি গন্যমান্য ব্যক্তি সকল উপস্থিত থাকে আৰু উক্ত নাটকখনত অভিনয় কৰিব ধনঞ্জয় দেৱ নাথ, মহেন্দ্ৰ দাস, কনক নাথ, দিবাকৰ শৰ্মা,সঞ্জীৱ কলিতা, নয়ন সাউদ, মিনাক্ষী গোস্বামী, নৱজিৎ শইকীয়া, অপূৰ্ব নাথ, হিৰকজ্যোতি নাথ, নীলম জ্যোতি শৰ্মা, নিকুমনি নাথ, জুৰি নাথ, অংশুমান শইকীয়া আৰু ভৃগুজিৎ দাসে। ইয়াৰ লগতে এই নাটখনৰ প্ৰযোজনা নিয়ন্ত্ৰণৰ দায়িত্বত আছে ৰাহুল দেৱ নাথ আৰু নয়ন জ্যোতি নাথ । এই নাটখনৰ জৰিয়তে বাকাইটাৰী গাওঁৰ পৰা এক নাট্য আন্দোলন গঢ়িব বিচাৰিছে যাৰ বাবে তেওঁলোকে অকল বাকাইটাৰীৰে নহয় গোৱালপাৰাৰ বিভিন্ন ঠাইৰ অভিনেতা অভিনেত্ৰীৰ লগতে গুৱাহাটীৰও কিছু চিনাকি অভিনেতা-অভিনেত্ৰীয়ে এই নাটকখনত অভিনয় কৰিব। অহা ২৪ আগষ্টত সকলোকে নাটখন চাবলৈ পৰিচালকৰ লগতে দীনবন্ধুৰ সমূহ পৰিয়ালবৰ্গই অনুৰোধ জনাইছে।

# অভয়াপুৰীৰ ই আৰ চি চকু চিকিৎসালয় জনসাধাৰণে পাব সুলভ মূল্যত চকুৰ পৰীক্ষা আৰু অস্ত্ৰোপচাৰৰ বিভিন্ন সুবিধা

**অসম বাৰ্তা, অভয়াপুৰী, ৯ জুলাইঃ** অভয়াপুৰীত কাইলৈ শুভাৰম্ভ হ'ব ই আৰ চি চকু চিকিৎসালয়। এই কেন্দ্ৰত স্থানীয় ৰাইজে অতি কম খৰচত চকুৰ পৰীক্ষা আৰু অন্যান্য প্ৰাথমিক চকুৰ চিকিৎসা সেৱা লাভ কৰিব পাৰিব। বিশ্বৰ প্ৰায় ২ বিলিয়ন লোকৰ আৰ্থিক সক্ষমতাসম্পন্ন চকুৰ চিকিৎসাৰ অভাৱৰ সমস্যা সমাধানৰ লক্ষ্য লৈ ড: পাৰভীজ উবেদে অসমৰ যোৰহাটত এখন সৰু ৰন্ধনঘৰক ৰূপান্তৰিত কৰিছিল ই আৰ চি চকু চিকিৎসালয়লৈ। তেওঁ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পৰা চকুৰ চিকিৎসা (অপ্‌থেলম'লজী)ত শিক্ষা গ্ৰহণ কৰি, পৰৱৰ্তীকালত ষ্টেনফৰ্ড বিশ্ববিদ্যালয়ৰ গ্ৰেজুৱেট স্কুল অৱ বিজনেছৰ পৰা ব্যৱসায় পৰিচালনা পাঠ্যক্ৰম সম্পূৰ্ণ কৰিছিল। ২০১৫ চনত ৱাশ্বিংটন ডিচিস্থ বিশ্ব বেংকৰ পৰা পুঁজিৰ সহায়ত ই আৰ চিয়ে শিৱসাগৰত প্ৰথমখন কেন্দ্ৰীয় হস্পিতাল স্থাপন কৰিছিল। তাৰ পাছত ২০১৬-১৮ কালছোৱাৰ ভিতৰত কিছুমান আন্তঃৰাষ্ট্ৰীয় বিনিয়োগকাৰীৰ সহায়ত পুঁজি সংগ্ৰহ কৰে আৰু এই সহায়ৰ জৰিয়তে ই আৰ চিৰ মডেলটো সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চললৈ বিস্তৃত কৰা হয়। ই আৰ চি হৈছে বিশ্বৰ প্ৰথম "ফিজিটেল আই কেৱাৰ" প্ৰতিষ্ঠান, যিয়ে ডিজিটেল তথা শাৰীৰিক উপায়েৰে গাঁৱলীয়া আৰু অগম্য অঞ্চলসমূহলৈ টেকনোলজি নিৰ্ভৰ চকুৰ চিকিৎসা সেৱা আগবঢ়াই আহিছে। অতীতৰ সফলতা আৰু দৃষ্টান্তমূলক কামৰ আধাৰত, এতিয়া ই আৰ চিৰ লক্ষ্য হৈছে দক্ষিণ-পূৰ্ব এচিয়া তথা আফ্ৰিকাৰ পিছপৰা বজাৰসমূহলৈ এই সুবিধা প্ৰসাৰিত কৰা। অভয়াপুৰীত স্থাপন হ'বলগীয়া কেন্দ্ৰটোৱে উত্তৰ-পূৰ্বাঞ্চলৰ চকুৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। স্থানীয় ৰাইজৰ বাবে ই এক সু-সংবাদ, কিয়নো এতিয়া অভয়াপুৰীতেই সুলভ মূল্যত আধুনিক চকুৰ পৰীক্ষা আৰু অস্ত্ৰোপচাৰৰ সুবিধা লাভ কৰিবলৈ সক্ষম হ'ব। উল্লেখযোগ্য যে ই আৰ চিয়ে বিশ্ব বেংকৰ আৰ্থিক সহযোগত ১১ লাখ লোকৰ চকুৰ চিকিৎসা প্ৰদান কৰিছে। ৪৩ হাজাৰ চকুৰ অস্ত্ৰোপচাৰ কৰি ৫ লাখ চছমা বিতৰণ কৰিছে ।

# অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত গ্ৰীষ্মকালীন কৰ্মশালাৰ আয়োজন

**অসম বাৰ্তা, খৈৰাবাৰী, ৯ জুলাই ঃ** অসমৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ওদালগুৰি জিলা প্ৰশাসনৰ সহযোগত জোনাক নৃত্য অভিনয় কলা কেন্দ্ৰৰ প্ৰাঞ্জল দাস আৰু ভাগ্যশ্ৰী কলিতাৰ তত্ত্বাৱধানত আজিৰে পৰা ভেৰগাওঁ সমষ্টিৰ অন্তগত খাগাৰা মধ্য ইংৰাজী বিদ্যালয় প্ৰাঙ্গনত পোন্ধৰ দিনীয়া নৃত্য,গীতেৰে আৰম্ভ হৈছে গ্ৰীষ্মকালীন বিশেষ কৰ্মশালা। আজি ৯ জুলাই পৰা ২৩ জুলাই ২০২৫ তাৰিখ পৰ্যন্ত অনুষ্ঠিত হব এই কৰ্মশালা। আজি এই বিশেষ কৰ্মশালাৰ বন্তি প্ৰজ্বলন আৰু সভা উদ্বোধন কৰে ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক লেখক কবি পুনুৰাম কলিতাই। কাৰ্য্যসুচী উদেশ্যে বাখ্যা কৰি সাংস্কৃতিক সাধক মিথু বড়োই অসম চৰকাৰৰ এই প্ৰসংশনীয় প্ৰদক্ষেপক শঁলাগ নিবেদন কৰে। অতি গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানত খাগাৰা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক গজেন্দ্ৰ বৰুৱা, অৱসৰী বিষয় শিক্ষক প্ৰদীপ কলিতা, চলিবলগীয়া নৃত্য গীতৰ প্ৰশিক্ষয়ত্ৰী বৰষা ৰাজবংশী, জিলা কোচ ৰাজবংশীৰ প্ৰাক্তন সভাপতি প্ৰভাত চন্দ্ৰ কোচ, প্ৰশিক্ষক ধজ্যধৰ ডেকা, প্ৰশিক্ষক প্ৰবিন ডেকাৰ লগতে যুৱ সাংবাদিক চিন্টু কলিতা উপস্থিত থাকে। এই বিশেষ কৰ্মশালাত ছাত্ৰ ছাত্ৰী সকলক নৃত্য, নাট্য, কবিতাৰ লগতে আনুষংগিক বিভিন্ন বিষয় সমূহৰ প্ৰশিক্ষণ প্ৰদান কৰা হব বুলি সংবাদ মাধ্যমৰ যোগেৰে অৱগত কৰে।আন্যহাতে অহা ২৩ জুলাই ২০২৫ তাৰিখে সামৰণি পৰিবলগীয়া অনুষ্ঠানত বিভিন্ন সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰিব এই কৰ্মশালাত প্ৰশিক্ষণ লোৱা ছাত্ৰ ছাত্ৰী সকলে আৰু বিভিন্ন ধৰণৰ গীৰ নৃত্যৰে অনুষ্ঠানৰ সামৰণি পৰিব।

# নগাঁও জিলাত আগন্তুক স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতিৰ সন্দৰ্ভত সভা

**অসম বাৰ্তা, নগাঁও, ৯ জুলাই ঃ** আজি নগাঁও জিলাৰ আয়ুক্ত কাৰ্য্যালয়ৰ সভা কক্ষত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ অধ্যক্ষতাত জিলাখনত আগন্তুক স্বাধীনতা দিৱসটি উদযাপনৰ প্ৰস্তুতিৰ সন্দৰ্ভত এখনি সভা অনুষ্ঠিত হয় । সভাৰ আৰম্ভণিতে অতিৰিক্ত আয়ুক্ত দেবাহুতি বৰাই বিগত বৰ্ষৰ কাৰ্যবিৱৰণীখন পাঠ কৰে । সভাত আগন্তুক স্বাধীনতা দিৱস উদযাপন কৰিবৰ বাবে বিভিন্ন বিভাগ সমূহৰ ওপৰত ন্যস্ত দায়িত্ব সমূহৰ বিষয়ে বিতংকৈ আলোচনা কৰা হয় । বিগত বৰ্ষৰ দৰেই এই বছৰো স্বাধীনতা দিৱস উপলক্ষে জিলাখনৰ বিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ৰচনা, চিত্ৰাংকণ আদি প্ৰতিযোগিতা আয়োজন কৰাৰ ওপৰত আলোচনা কৰা হয় । স্বাধীনতা দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰী সকলক নিয়াৰিকৈ কুচকাৱাজ অনুশীলন কৰাৰ দায়িত্ব জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক আৰু আৰক্ষী বিভাগক প্ৰদান কৰা হয় । জিলাখনত আইন শৃংখলা সুৰক্ষাৰ ক্ষেত্ৰত আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাই বিভাগীয় মুৰব্বী বিষয়াসকলক তেওঁলোকৰ কাৰ্যালয়ৰ চৌহদত পৰিত্যক্ত হৈ থকা গাড়ী আৰু গৃহ সমূহত চোকা দৃষ্টি ৰাখিবলৈ লগতে যিকোনো কুটাঘাটমূলক পৰিস্থিতিৰ খবৰ পালেই তাৎক্ষণিকভাৱে আৰক্ষী প্ৰশাসনৰ লগত যোগাযোগ কৰিবলৈ সভাত উপস্থিত সকলোকে আহ্বান জনায় । সভাত আয়ুক্ত সকলো চৰকাৰী-বেচৰকাৰী কাৰ্যালয়ৰ লগতে অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিগত বাসভৱনত নিৰ্ধাৰিত নিয়ম অনুসৰি সময়মতে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিবলৈ আহ্বান জনায় । স্বাধীনতা দিৱসৰ সকলো কাৰ্যসূচীত বিভাগসমূহৰ ওপৰত ন্যস্ত নিজ নিজ দ্বায়িত্বসমূহ সুচাৰুৰূপে সম্পাদন কৰিবলৈ আয়ুক্ত গৰাকীয়ে নিৰ্দেশ প্ৰদান কৰে । আয়ুক্ত গৰাকীয়ে স্বাধীনতা দিৱসৰ সমূহ কাৰ্যসূচী সফল্যমণ্ডিত কৰি তোলাত জিলাবাসী ৰাইজৰ উপস্থিতি আৰু সহায় সহযোগিতা আন্তৰিকতাৰে কামনা কৰে । আজিৰ এই সভাত জিলা উন্নয়ন আয়ুক্ত দেৱযানী চৌধুৰী, অতিৰিক্ত আয়ুক্তদ্বয় পংকজ নাগবংশী, সুদীপ নাথ, নৱম অসম আৰক্ষী বাহিনীৰ অধিনায়ক মুকুত ৰাভা, সহকাৰী আয়ুক্তদ্বয় শিল্পী ৰেখা পণ্ডিত, তেজস অগ্নিহোত্ৰী, জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল, অৰ্ধসামৰিক আৰু আৰক্ষী প্ৰশাসনৰ বিষয়াসকল, জ্যেষ্ঠ নাগৰিক সকল, বিশিষ্ট নাগৰিক সকল, জিলাখনৰ ব্যৱসায়িক সন্থাৰ প্ৰতিনিধি সকলকে প্ৰমুখ্য কৰি স্বেচ্ছাসেৱী সংগঠনৰ প্ৰতিনিধি আৰু বহুসংখ্যক গণ্য মান্য ব্যক্তি উপস্থিত থাকে ।

# বান্দৰদেৱাত হাৰমতী আঞ্চলিক টিএমপিকে-এমএমকে আৰু গোৰ্খা ছাত্ৰ সন্থাৰ সংবাদমেল

**অসম বাৰ্তা, বান্দৰদেৱা, ৯ জুলাই ঃ** লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰতী বান্দৰদেৱাৰ মেৰিন হোটেলত আজি দিনৰ প্ৰায় ১১ বজাত হাৰমতী আঞ্চলিক TMPK, MMK আৰু গোৰ্খা ছাত্ৰ সন্থাই এক সংবাদমেল আয়োজন কৰে। বাঁহবাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ২৪ ঘণ্টাই স্থায়ী চিকিৎসক নাৰ্চ নিয়মীয়াকৈ উপলব্ধ হোৱা আৰু এম্বুলেঞ্চ সেৱাৰ লগতে ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ বান্দৰদেৱাৰ পৰা হাৰমতীলৈকে বিধস্ত সম্পূৰ্ণ পথচোৱা শীঘ্ৰে মেৰামতি কৰাৰ দাবী তোলে সংগঠন কেইটাই।উল্লেখ্য যে বিধ্বস্ত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত প্ৰকাণ্ড প্ৰকাণ্ড গাঁত সৃষ্টি হোৱাৰ ফলত যোৱা ৮ জুলাই তাৰিখে বিহপুৰীয়া কাঁচিকতাৰ মনোজ দেউৰী নামৰ এজন ব্যক্তিয়ে ৰখাই থোৱা এখন ট্ৰে"ৰত স্কুতিৰে খুন্দা মাৰি মৃত্যু বৰণ কৰিব লগা হ'ল। সেই মুহূৰ্তত স্থানীয় ৰাইজে ব্যক্তিজনক নিচেই ওচৰতে থকা বাঁহবাৰী স্বাস্থ্য কেন্দ্ৰলৈ লৈ গৈছিল যদিও তাত চিকিৎসকক লগ নোপোৱাত চিকিৎসাৰ পৰা বঞ্চিত হ'ব লগা হ'ল।সেয়েহে বাঁহবাৰী স্বাস্থ্য কেন্দ্ৰত সকলো ৰোগীয়ে যাতে যি কোনো সময়তে চিকিৎসক নাৰ্চ পাই তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু ১৫ নং ৰাষ্ট্ৰীয় ঘাই পথছোৱা মেৰামতি কৰি সুচল কৰি তুলিবলৈ অসমৰ মুখ্যমন্ত্ৰী ডঞ্জ হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনায়।

# অভয়াপুৰীৰ শিৱপুৰত চুৰিকাণ্ড

**অসম বাৰ্তা, অভয়াপুৰী, ৯ জুলাই ঃ** অভয়াপুৰী চহৰৰ শিৱপুৰ অঞ্চলত এক চুৰিকাণ্ড সংঘটিত হৈছে। কালি নিশা ঘৰত কোনো নথকাৰ সুযোগ লৈ চোৰে ঘৰৰ গদৰেজ আৰু ব' পালেং ভাঙি নগদ ৮০,০০০ টকাৰ লগতে কেইবালক্ষাধিক টকাৰ সোন-ৰূপৰ গহনা চুৰি কৰি নিয়ে। তথ্য অনুসৰি, স্থানীয় বাসিন্দা সজল চৰকাৰ তেওঁৰ পৰিয়ালৰ সৈতে শহুৰেকৰ ঘৰলৈ বিশেষ কামত যোৱাৰ সুযোগ লৈ চোৰে এই ঘটনা সংঘটিত কৰে। পুৱা ঘৰলৈ উভতি অহাৰ পাছত চুৰিৰ ঘটনাৰ কথা অৱগত হোৱাত পৰিয়ালটোৱে মৰ্মাহত হয়। ঘটনাৰ খবৰ পাই অভয়াপুৰী থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। উল্লেখযোগ্য যে, দীৰ্ঘদিন ধৰি অভয়াপুৰীত চুৰিকাণ্ড ক্ৰমাগতভাৱে বৃদ্ধি পাই আহিছে, যাৰ বাবে স্থানীয় ৰাইজ আতংকিত। আৰক্ষীয়ে এই ঘটনা সন্দৰ্ভত গোছৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

# ৰ'দালি কাব্যালোচনীৰ অসম ভিত্তিত স্বৰচিত কবিতা লিখা প্ৰতিযোগিতা

**অসম বাৰ্তা, ধনশিৰি, ৯ জুলাইঃ**গোলাঘাট জিলাৰ সৰুপথাৰৰ পৰা আত্মপ্ৰকাশ কৰা ৰ'দালি প্ৰকাশন আৰু ৰ'দালি কাব্যালোচনীয়ে অহা ছেপ্তেম্বৰ মাহত চতুৰ্থ বৰ্ষ সফলতাৰে সম্পন্ন কৰি পঞ্চম বৰ্ষত ভৰি দিব। প্ৰচাৰ বিমুখ নিমাখিত কবিসকলক পোহৰলৈ উলিয়াই অনা আৰু অসমীয়া ভাষা সাহিত্যলৈ কিঞ্চিৎমান বৰঙনি আগবঢ়োৱাৰ বিনম্ৰ প্ৰয়াসেৰে ধাৰাবাহিকভাৱে প্ৰকাশ হোৱা কবিতাৰ আলোচনীখনে প্ৰতি বছৰে অনুষ্ঠিত কৰাৰ দৰে এই বৰ্ষতো পঞ্চম বৰ্ষপূৰ্তি উপলক্ষে সদৌ অসম ভিত্তিত স্বৰ্গীয় শান্তিৰাম বুঢ়াগোহাঁই (সৰুপথাৰ, কাছমাৰী) সোঁৱৰণী প্ৰাইজমানি কবিতা লিখা প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ আগবাঢ়িছে। তদুপলক্ষে শ্ৰদ্ধাৰ নবীন-প্ৰবীণ কবিসকলৰ সহায় সহযোগিতা কামনা কৰিছে। প্ৰতিযোগিতাৰ নিয়মাৱলীঃ১/প্ৰতিযোগীসকলে দুটাকৈ স্বৰচিত কবিতা বগা কাগজৰ এপিঠিত লিখি, নাম, ঠিকনা সহ ডাকযোগে পঠিয়াব লাগিব। ২/কবিতা পঠিওৱাৰ অন্তিম তাৰিখ ৭আগষ্ট ২০২৫। ৩/প্ৰতিযোগিতাত স্থান লাভ কৰা প্ৰতিযোগীসকলক মানপত্ৰ, নগদ ধন আৰু কিতাপৰ টোপোলা প্ৰদান কৰা হ'ব। ৪/পুৰস্কাৰসমূহ ৰ'দালিৰ বৰ্ষপূৰ্তি অনুষ্ঠানত প্ৰদান কৰা হ'ব, কোনো কাৰণতে ডাকযোগে পঠিওৱাৰ ব্যৱস্থা কৰা নহ'ব। ৫/ কবিতা পঠিওৱা খামৰ ওপৰত "প্ৰতিযোগিতাৰ বাবে" বুলি স্পষ্টকৈ লিখিব লাগিব। ৫/কবিতা পঠিওৱাৰ ঠিকনা, স্পনানী গগৈ চেতিয়া, মুখ্য সম্পাদক, ৰ'দালি, পোঃঅঃ- গোহাঁই গাঁও, সৰুপথাৰ, জিলাঃগোলাঘাট, পিন- ৭৮৫৬০১, মোবাইল নং-৭০০২৬৬৪৮৫৩।

# শিমলুগুৰি আঞ্চলিক মইনা পাৰিজাতৰ শিশুৰ বিশাল সমাবেশেৰে মৌ মেল সম্পন্ন

**অসম বাৰ্তা, জাঁজী, ৯ জুলাই ঃ** যোৰহাট জিলাৰ শিমলুগুৰি মৌজা আঞ্চলিক মইনা পাৰিজাতৰ উদ্যোগত দগাঁএঙা নপমুৱা সুখ্যমুখী মইনা পাৰিজাতৰ সৌজন্যত সোনাৰী গাওঁ ৰাস মঞ্চত কালি শিশুৰ বিশাল সমাবেশ মৌ মেল অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা সদৌ অসম মইনা পাৰিজাতৰ মহাৰজত জয়ন্তীৰ পতাকা উত্তোলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক ললিত শৰ্মাই। আনহাতে শিমলুগুৰি মৌজা মইনা পাৰিজাতৰ পতাকা উত্তোলন কৰে মইনা আৰিয়ন শৰ্মাই । সমান্তৰাল ভাবে সূৰ্যমুখী মইনা পাৰিজাতৰ পতাকা উত্তোলন কৰে আদিত্য বৰদলৈয়ে । স্মৃতি তৰ্পণ কৰে সুয্যমুখী মইনা পাৰিজাতৰ সভানেত্ৰী দিপালী দেৱীয়ে। অনুষ্ঠানত গণশিল্পী প্ৰয়াত ৰাজীৱ শদিয়াৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি আগবঢ়ায় খনামুখ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ মানিক গগৈয়ে। লগতে সাংস্কৃতিক মঞ্চ উদ্বোধন কৰে শিক্ষক গজেনফুকনে । ইয়াৰোপৰি মৌমেলৰ সভাপতিত্ব কৰে মইনা পবিতা বৰদলৈয়ে । অনুষ্ঠানত নিদিষ্ট বক্তা হিচাপে উপস্থিত থাকে অনুৰাধা হাজৰিকা , পিযুছ বৰা, অয়ন শৰ্মাকে ধৰি বহুকেইগৰাকী মইনা তথা যোৰহাট জিলা মইনা পাৰিজাতৰ উপ-সভাপতি ঘন লাহন, জিলা সহঃসম্পাদক দীপক বৰা সাংগঠনিক সম্পাদক নিৰঞ্জণ ভূএঞা । সভাখনৰ আঁত ধৰে মৌজাৰ সম্পাদক গনেশ বৰাই ।

### জুলাই মাহৰ ভিতৰতে জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়ত গঠন হ'ব

# দুধনৈ খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত গাঁও পঞ্চায়ত সমূহ গঠন

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১০ জুলাই ঃ** ১৯৯৪ চনৰ অসম পঞ্চায়ত আইনৰ ৬(৩) ধাৰা আৰু ১৯৯৫ চনৰ অসম পঞ্চায়ত (সংবিধান) নিয়মাবলী বিধি ৪৬(১) মতে অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰাম্য উন্নয়ন বিভাগৰ নিৰ্দেশনা অনুসৰি গোৱালপাৰা জিলাৰ ৮১খন গাওঁ পঞ্চায়তৰ নব-নিৰ্বাচিত সদস্যৰ শপত গ্ৰহণ আৰু গাওঁ পঞ্চায়ত গঠন প্ৰক্ৰিয়া সম্পূৰ্ণ হয়। তথ্য অনুসৰি গোৱালপাৰা জিলাৰ আন আন পঞ্চায়ত সমূহ গঠনৰ লগতে দুধনৈ খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত ১২খন গাওঁ পঞ্চায়ত গঠন কৰা হয়। জিলা প্ৰশাসনৰ তথ্য অনুসৰি দুধনৈ উন্নয়ন খণ্ডৰ অন্তৰ্গত ১২খন গাঁও পঞ্চায়তৰ নিৰ্বাচিত সভাপতি আৰু উপ-সভাপতি সকল হ'ল ক্ৰমে দুধনৈ গাঁও পঞ্চায়তৰ ছানিয়া ৰাভা



ৰটিমা ৰাভা, লেলা গাঁও পঞ্চায়তৰ অৰ্পনা ৰাভা আৰু ৰাজেশ ৰাভা, মাজ-জাখিলী গাঁও পঞ্চায়তৰ মনোমতী কছাৰী আৰু ৰিনিতা ৰাভা, খাৰা ওপৰতোলা গাঁও পঞ্চায়তৰ জুনু বসুমতাৰী আৰু নিৰ্মলা বড়ো, পুৰণিভিটা গাঁও পঞ্চায়তৰ যোগেশ ৰাভা আৰু ৰূপালী ৰাভা, কোচধুৰা গাওঁ পঞ্চায়তৰ তপন বসুমতাৰী আৰু জেউতি সূত্ৰধৰ, মৰণৈ গাঁও পঞ্চায়তৰ মণ্টু দাস আৰু ববিতা দাস, কাহিবাৰী গাঁও পঞ্চায়তৰ অজিত বসুমতাৰী আৰু মধুস্মিতা স্বৰ্গীয়াৰী, দামৰা গাঁও পঞ্চায়তৰ কাশ্মীৰি ৰাভা আৰু প্ৰিঞ্চি মাৰাক, সিধাবাৰী গাঁও পঞ্চায়তৰ কৰিম শ্বেইখ আৰু প্ৰাঞ্জল হাজং, কাৰিপাৰা বাকাইটাৰী গাওঁ পঞ্চায়তৰ দিনমনী দেবী আৰু দিপাঞ্জলী মেধী নাথ, হাৰিমুৰা গাঁও পঞ্চায়তৰ প্ৰিয়া দে আৰু সুশিলা বালা ৰায়। প্ৰতিখন পঞ্চায়তৰ নৱ-নিৰ্বাচিত সভাপতি আৰু উপ-সভাপতি সকলে পঞ্চায়ত সমূহক এক নতুন ৰূপ দিয়াৰ লগতে পৰৱৰ্তী সময়ত পঞ্চায়ত সমূহৰ বিভিন্ন সমস্যাৰ লগতে ৰাইজৰ অভাব অভিযোগ সমূহ সমাধানৰ বাবে কাম কৰি যাব বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে। আনহাতে গাওঁ পঞ্চায়ত সমূহ গঠন প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিচতেই আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদ সমূহ জুলাই মাহৰ ভিতৰতে গঠন হব।

# প্ৰতিদিনৰ সাংবাদিকক অপদস্থ-প্ৰাণেমৰা ভাবুকি দিয়া ঘটনাক তীব্ৰ নিন্দা - নাজিৰা সাংবাদিক মঞ্চৰ

**অসম বাৰ্তা, নাজিৰা, ১০ জুলাই ঃ** অসমীয়া প্ৰতিদিন কাকতৰ লখিমপুৰ সংস্কৰণৰ সাংবাদিক মানৱজ্যোতি শইকীয়াক অপদস্থ কৰাৰ লগতে ঘৰতগৈ হত্যাৰ ভাবুকি দিয়া বিজেপি কৰ্মী লোহিত সোণোৱাল আৰু বিলীন শইকীয়াক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি দিবলৈ দাবী জনাইছে নাজিৰা সাংবাদিক মঞ্চই। সাংবাদিক মঞ্চৰ সভাপতি মিণ্টু চিত্ৰকৰ আৰু সাধাৰণ সম্পাদক প্ৰদীপ হাজৰিকাৰ স্বাক্ষৰিত এক প্ৰেছ বিবৃতিত প্ৰকাশ যে নিজৰ কৰ্তব্য আৰু দায়িত্ব পালন কৰিবলৈ গৈ সাংবাদিক সকলে বিভিন্ন পৰিস্থিতিৰ সন্মুখীন হৈ আহিছে। এখন সুস্থ সমাজ গঠনৰ ক্ষেত্ৰত তথা অনীতি- অনিয়ম, দুৰ্নীতিৰ বিৰুদ্ধে ৰাইজক সজাগ সচেতন কৰাৰ লগতে ৰাইজৰ সমস্যাৱাজি প্ৰশাসন তথা চৰকাৰৰ দৃষ্টি গোচৰ কৰাৰ ক্ষেত্ৰত সংবাদ মাধ্যম তথা সাংবাদিকৰ গুৰুত্ব, অৱদানক কোনেও উলাই কৰিব নোৱাৰে। ইয়াৰ এক বৰ্ণিল ইতিহাস আছে। তৎসত্ত্বেও সাংবাদিক সকল আজি সকলো দিশতে উপেক্ষিত। অনস্বীকাৰ্য যে দুই এক সাংবাদিক নিজৰ দায়িত্ব আৰু কৰ্তব্যৰ পৰা কক্ষচ্যুত নোহোৱা নহয়। কিন্তু ইয়াৰে গইনা লৈ বাগি কুঠা মৰাত সিদ্ধহস্ত স্বাৰ্থান্বেষী মহলে সামূহিক ভাৱে তথা সকলো সাংবাদিকৰ বিৰুদ্ধে অহৰহ ভাৱে অপপ্ৰচাৰ চলাই অহাই নহয়, হকে- বিহকে উচটনিমূলক মন্তব্য দি আহিছে। আনহাতে সাম্প্ৰতিক কালত ক্ষমতাৰ ৰাগিত বলীয়ান একাংশ ধুৰন্ধৰ ৰাজনৈতিক নেতা - পালি নেতাৰ পৃষ্ঠপোষকতাতে সংবাদ মাধ্যম তথা সাংবাদিকৰ ওপৰত আক্ৰমণৰ ঘটনা বৃদ্ধি পাইছে আৰু তাৰে শেহতীয়া প্ৰতিফলন ধেমাজি আৰু লখিমপুৰৰ সাংবাদিকক অপদস্থ কৰা তথা হত্যাৰ অচেষ্টা চলোৱা কাণ্ড। নাজিৰা সাংবাদিক মঞ্চই সাংবাদিক অপদস্থ, নিগৃহীত তথা এনে বৰ্বোচিত ঘটনাক অতি নিৰ্লজ্জ আৰু কাপুৰুষালি আখ্যা দিছে। আনহাতে ৰাজ্য শাসনাধিষ্ঠ বিজেপি নেতৃত্বাধীন চৰকাৰকখনৰ তিলমানো যদি গণতান্ত্ৰিক প্ৰমূল্যবোধ আছে, তেনেহ'লে তাৰ পৰিচয় দাঙি ধৰি সাংবাদিক নিৰ্যাতনৰ প্ৰতিটো ঘটনাত জড়িত অপৰাধীক কঠোৰ আইনৰ ধাৰাত শাস্তি প্ৰদান কৰিবলৈ বিবৃতিটোৰ জৰিয়তে নাজিৰা সাংবাদিক মঞ্চই দাবী জনাইছে।

# শিৱসাগৰ মহকুমাত 'ধৰ্তি আবা জনভাগিদাৰী অভিযান'ৰ সফল সামৰণি

**অসম বাৰ্তা, আমগুৰি, ১০ জুলাই ঃ** ভাৰত চৰকাৰৰ জনজাতি মন্ত্ৰালয়ৰ নিৰ্দেশনাৰ ভিত্তিত আৰু গ্ৰাম বিকাশ পৰিষদৰ উদ্যোগত, সমগ্ৰ দেশৰ লগতে শিৱসাগৰ জিলাৰ শিৱসাগৰ মহকুমাতো ১৫ জুনৰ পৰা ৩০ জুনলৈ "ধৰ্তি আবা জনভাগিদাৰী অভিযান" সফলতাৰে সম্পন্ন কৰা হয়। এই অভিযানৰ মূল উদ্দেশ্য আছিল জনজাতি পৰিয়ালসমূহক চৰকাৰী আঁচনি, স্বাস্থ্য সেৱা, শিক্ষা, বিকাশমূলক আৰু অন্যান্য সুবিধাৰ বিষয়ে অধিক সজাগ কৰা। অভিযানৰ সময়ছোৱাত দিচাংমুখ পঞ্চায়তৰ অন্তৰ্গত লিগীৰিবাৰী, লিগীৰিবাৰী এন চি, মাজৰবাৰী গাঁও আৰু দিমৌমুখ পঞ্চায়তৰ দিমৌমুখ, লেপাই সুমনি, জোলাটোপ গাঁৱত বিভিন্ন সচেতনতামূলক কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত জনজাতি পৰিয়ালসমূহক চৰকাৰী আঁচনি তথা স্বাস্থ্য, শিক্ষা আৰু উন্নয়নমূলক সুবিধাসমূহৰ বিষয়ে সজাগ কৰা হয়। লগতে, এই সুবিধাসমূহ সহজে লাভ কৰিবলৈ আধাৰ কাৰ্ড, পিএম কৃষান, আয়ুষ্মান কাৰ্ড, জনধন একাউণ্ট ইত্যাদি থকা কিমান প্ৰয়োজনীয়, সেই বিষয়ে সচেতন কৰা হয়। বিভিন্ন কাৰণত যিসকল জনজাতি পৰিয়ালৰ হাতত এতিয়াও এই কাৰ্ডসমূহ নাই, তেওঁলোকৰ তথ্য সংগ্ৰহ কৰা হয় যাতে আগন্তুক দিনত তেওঁলোকে সুবিধাসমূহ লাভ কৰিব পাৰে। এই অভিযানত ভাৰত চৰকাৰৰ জনজাতি মন্ত্ৰালয়ৰ নিৰ্দেশ মৰ্মে গ্ৰাম বিকাশ পৰিষদৰ হৈ আনিছ ইবনে, হক পিংকো, স্থানীয় গাঁও প্ৰধান, পঞ্চায়তৰ প্ৰতিনিধি আৰু স্থানীয় ৰাইজে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। এই সজাগতামূলক অভিযানৰ জৰিয়তে জনজাতি লোকসকলৰ মাজত চৰকাৰী আঁচনি আৰু সুবিধাসমূহৰ বিষয়ে সজাগতা সৃষ্টি হৈছে। স্থানীয় ৰাইজে চৰকাৰ আৰু গ্ৰাম বিকাশ পৰিষদৰ এই পদক্ষেপক আন্তৰিকভাৱে প্ৰশংসা কৰিছে।

## শিপাৰ সন্ধানত এহাল দম্পতী নৱজিত -কল্পনা

# মাজডিয়াৰ বৰঘোপালৈ পৰিৱৰ্তন আনিছে বি এম নেষ্টে

**অসম বাৰ্তা, চামতা, ১০ জুলাই ঃ** সাফল্যৰ শিখৰত খোজ দি জখলাটোৰ গুৰিলৈ পাহৰি যোৱাটোৱেই অধিকাংশ মানুহৰ একপ্ৰকাৰ স্বভাৱ যদিও ইয়াৰ মাজত কিছু অংশ মানুহে সন্ধান কৰে শিপাৰ। তাতে যদি পতি-পত্নীৰ উভয়ে ইজনে সিজনৰ এনে সন্ধানৰ সহযোগী যোদ্ধাৰ ৰূপত থয় দিয়ে তেতিয়া তেনে সন্ধানে ৰূপ লয় আন দহোজনৰ চানেকিৰ। জলাশয়ৰে ভৰা সঘন বানগ্ৰস্ত নিজৰ গাঁওখন- অঞ্চলটো পোহৰাই তোলে আৰু দুই-চাৰিজনক সংস্থাপন দিব খোজা তেনে এহাল দম্পতী সৰ্থেবাৰীৰ ওচৰৰ বৰঘোপাৰ নৱজিৎ তালুকদাৰ আৰু কল্পনা তালুকদাৰ। বৰঘোপা এটা ভিতৰুৱা অঞ্চল। কলিতাকুচি - নগাঁও পথৰ মাজদিয়াৰ পৰা ৫-৭ কি: মি: উত্তৰে আৰু সৰ্থেবাৰী- বৰপেটা পথৰ পৰা ১৫-২০ কি: মি: উত্তৰৰ এই অঞ্চলটো বড়ো, অসমীয়া আৰু মিয়া সম্প্ৰদায়ৰ সংমিশ্ৰিত বসতিস্থল। পাতল জনসমাগম ৰ এই অঞ্চলটোৰ লোকসকলৰ ৮০-৮৫ শতাংশ লোকেই কৃষিজীৱী হোৱাৰ লগতে বেছিভাগ ভূমিয়েই জলাশয় প্ৰকৃতিৰ। এনে জলাশয় প্ৰকৃতিৰ কুৰি বিঘাকৈ ভূমি সামৰি এই দম্পতী হালে সাজি উলিয়াইছে শিশু, চেমনীয়া অথবা প্ৰাপ্ত বয়স্ক- সকলো শ্ৰেণীৰ লোকে কিছু সময় আমোদ- প্ৰমোদৰ মাজত কটাব পৰা এক নান্দনিক অনুষ্ঠান বি এম নেষ্ট। ইয়াত শিশু সকলে উমলিব পৰাকৈ নিৰ্মাণ কৰা হৈছে এখন শিশু উদ্যান। শিশুসকলৰ বাবে বিভিন্ন ক্ৰীড়া সামগ্ৰীৰ লগতে কৃত্ৰিম ভাৱে সাজি উলিওৱা হৈছে এখন অৰণ্য। জীৱন্ত যেন লগা কৃত্ৰিম বাঘ, কেংগেৰু, বগলী আদি প্ৰাণী- চৰাইয়ে আমোদ দিয়ে শিশু সকলক। আনহাতে শিশু সকলৰ লগতে চেমনীয়া- প্ৰাপ্তবয়স্ক সকলৰ আমোদ- প্ৰমোদৰ বাবেও এই অনুষ্ঠানত নৌকা বিহাৰ, গছ-গছনিৰ মাজত মৃদুস্বৰৰ গীত-সংগীত শুনি নিজৰ লগত কটোৱা অথবা পছন্দ অনুসৰি এসাজ খাব পৰাৰ সুবিধা আছে। ১২ টাকৈ সজাই তোলা হৈছে শীত- তাপ নিয়ন্ত্ৰিত কোঠা গংগা, যমুনা, নাহৰ, জোনাক, পাৰিজাত, তগৰ, কঁহুৱা, ৰংঘৰ, ধনেশ, গজৰাজ, মৃগ আৰু কাবেৰী। কোনোবাই ইচ্ছা কৰিলে নিশাটোও ইয়াত কটাব পাৰে। মুঠতে ব্যস্ততাপূৰ্ণ জীৱনৰ দুখ- যন্ত্ৰণা পাহৰি অন্ততঃ কিছু সময় আমোদ- প্ৰমোদ, ৰং-আনন্দৰ মাজত কটোৱাৰ প্ৰায়বোৰ সুবিধা উপলব্ধ কৰি তোলা হৈছে। অসম পৰ্যটন উন্নয়ন নিগমৰ অধীনত মাত্ৰ এটা বছৰ পূৰ্বে মুকলি কৰা উক্ত অনুষ্ঠানে ইতিমধ্যে অঞ্চলটোত ভালেখিনি প্ৰভাৱ আনিবলৈ সক্ষম হৈছে। স্থানীয় সূত্ৰত প্ৰকাশ মতে উক্ত প্ৰতিষ্ঠান মুকলি হোৱাৰে পৰা অঞ্চলটোলৈ জনসমাগম বৃদ্ধি পোৱাৰ লগতে ব্যৱসায়িক ক্ষেত্ৰলৈ যোগাত্মক পৰিৱৰ্তন আৰম্ভ হৈছে। তদুপৰি অঞ্চলটোৰ ১০-১২ জনকৈ লোক ইয়াত সংস্থাপিত হোৱাৰ সুযোগ লাভ কৰিছে। উল্লেখ্য যে ৬ বছৰ বয়সতে পিতৃ বিয়োগ ঘটাত নৱজিৎৰ জীৱনলৈ চৰম অনিশ্চয়তা নামি আহিছিল। সেই সময়ত নলবাৰী জিলাৰ কমাৰকুচিত বিয়া দিয়া বায়েকৰ লগত থাকি পঢ়িবলৈ লৈছিল তেওঁ। সেই সূত্ৰে ১৯৮৮ ত কমাৰকুচি হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা উত্তীৰ্ণ হৈ গুৱাহাটী কমাৰ্চ কলেজৰ পৰা বি. কম. উত্তীৰ্ণ হয়। বি. কম. উত্তীৰ্ণ হোৱাৰ পাছতে তেওঁ ১৯৯৫ চনত এজন মাৰোৱাৰী সম্প্ৰদায়ৰ চি এৰ লগত কৰ পৰামৰ্শ দাতা হিচাপে মাত্ৰ ৭৫০ টকা দৰমহাৰে কৰ্মজীৱন আৰম্ভ কৰে। তালুলদাৰে প্ৰকাশ কৰা মতে সেয়ে আছিল তেওঁৰ জীৱনৰ টাৰ্ণিং পইণ্ট। তেওঁ কয় - সেই ৭৫০ টকাৰ দৰমহাৰ চাকৰিটো ৱেই আছিল মোৰ জীৱনৰ টাৰ্ণিং পইণ্ট। তাৰ পাছত আৰু পাছলৈ উভতি চাব লগা হোৱা নাই। পাছলৈ মই "তালুকদাৰ এণ্ড এছোচিয়েছট টে' কঞ্চালটেণ্ট নামৰ নিজাকৈ ফাৰ্ম খুলি কাম কৰিবলৈ লওঁ। বিগত ১৫ বছৰ ধৰি মই নিজাকৈ কাম কৰি থকাৰ লগতে মই এই সংস্থাটো ত বৰ্তমানে আন ১২ জনকৈ লোকক সংস্থাপন দিব পাৰিছো। তদুপৰি উক্ত ফাৰ্মৰ লগতে বিভিন্ন চৰকাৰী সংস্থাক মই ভাড়া লৈ গাড়ী যোগান ধৰো।" তালুকদাৰে লগতে কয় যে সৰুতে যিহেতু অভাৱ- অনাটনৰ মাজতে ডাঙৰ দীঘল হলোঁ, গতিকে মই নিজেই প্ৰতিষ্ঠিত হোৱাৰ লগতে আন দুই- চাৰি জনকো সংস্থাপিত কৰাৰ ইচ্ছা সৰুৰে পৰাই আছিল। তেনে ইচ্ছাৰ ফচল তালুকদাৰ এণ্ড এছোচিয়েট আৰু বি এম নেষ্ট। তদুপৰি মোৰ এনে পৰিকল্পনা সমূহত পত্নী কল্পনাৰ সহযোগ স্বীকাৰ কৰিব লাগিব। ১৯৯৭ চনতে তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা শিক্ষা বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লৈ গুৱাহাটী দূৰদৰ্শন ত অস্থায়ী ভাৱে কৰ্মৰত হৈ আছে। তেৱোঁ এগৰাকী গাঁও প্ৰেমী মহিলা। আমাৰ বিশ্বাস আছে, এই প্ৰতিষ্ঠানে মোৰ ভিতৰুৱা গাওঁখনলৈ কিছু পৰিমাণে হ'লেও নতুন সম্ভাৱনা আনিব। উল্লেখ্য যে উক্ত তালুকদাৰ দম্পতীৰ দুই দুহিতা বিদিশা তালুকদাৰ আৰু ময়ূৰিকা তালুকদাৰৰ নামেৰে বি এম নেষ্টৰ নামকৰণ কৰা হৈছে। ইয়াৰ বিদিশা ই বি. কম. পৰীক্ষাত ৯৮.২ শতাংশ নম্বৰ লাভ কৰি উত্তীৰ্ণ হৈ বৰ্তমানে দিল্লী বিশ্ববিদ্যালয়ত পঢ়ি আছে। বিদিশাৰো ভৱিষ্যত পৰিকল্পনা - নিজৰ ঠাইতে কাম কৰাৰ।

# বকোত শ্ৰম সংহিতা বাতিল কৰা আৰু ৰাজহুৱা খণ্ডৰ ব্যক্তিগতকৰণ বন্ধ কৰাৰ দাবীত ১২ সংগঠনৰ উত্তাল প্ৰতিবাদ

**অসম বাৰ্তা, বকো, ১০ জুলাই ঃ** সমগ্ৰ দেশৰ লগতে দক্ষিণ কামৰূপৰ বকোতো আজি বিভিন্ন ট্ৰেড ইউনিয়ন আৰু শ্ৰমিক সংগঠনে পালন কৰে সাধাৰণ ধৰ্মঘট। কেন্দ্ৰৰ বিজেপি চৰকাৰে প্ৰস্তুত কৰা শ্ৰমিক বিৰোধী শ্ৰম সংহিতা বাতিল কৰা আৰু ৰাজহুৱা খণ্ডৰ ব্যক্তিগতকৰণ বন্ধ কৰাৰ দাবীত বকোত ১২ সংগঠনৰ উত্তাল প্ৰতিবাদ। চি আই টি ইউ সহ দেশৰ আটাই বোৰ কেন্দ্ৰীয় ট্ৰেড ইউনিয়ন, কৰ্মচাৰী ফেডাৰেচন আৰু সংযুক্ত কৃষক মৰ্চাকে ধৰি শ্ৰম সংগঠনসমূহে আজি দেশজোৰা অহ্বান জনায় সাধাৰণ ধৰ্মঘট। এই ধৰ্মঘটৰ সফল ৰূপায়ণৰ বাবে চি আই টি ইউৰ দক্ষিণ কামৰূপ জিলা কমিটীয়ে বকো চক্ৰ বিষয়াৰ কৰ্য্যালয়ত ৰূপায়ণ কৰে এক পিকেটিং কাৰ্যসূচী। বকোৰ গান্ধী মৈদানৰ পৰা বিভিন্ন ট্ৰেড ইউনিয়ন আৰু শ্ৰমিক সংগঠনৰ কৰ্মীসকলে সমদল কৰি আহি বিভিন্ন দাবীৰ সমৰ্থনত প্ৰতিবাদী শ্লোগানেৰে বকো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যলয় প্ৰাংগণ উত্তাল কৰি তোলে। উল্লেখ্য, কেন্দ্ৰৰ বিজেপি চৰকাৰে প্ৰস্তুত কৰা শ্ৰমিক বিৰোধী শ্ৰম সংহিতা বাতিল কৰা, ৰাজহুৱা খণ্ডৰ ব্যক্তিগতকৰণ আৰু কৃষক উচ্ছেদ বন্ধ কৰাৰ দাবীত এই প্ৰতিবাদ।



# ড° নগেন শইকীয়া আৰু ড° কৰবী ডেকা হাজৰিকাক 'অসম বাৰ্তা'ৰ সম্বৰ্ধনা

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১০ জুলাই ঃ** ৰাজ্যখনৰ দুগৰাকী সন্মানীয় ব্যক্তিত্ব, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত, অধ্যাপক, প্ৰাক্তন সাংসদ, বিভিন্ন সন্মানেৰে বিভূষিত ড° নগেন শইকীয়া আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, সাহিত্যাচাৰ্য ড° কৰবী ডেকা হাজৰিকাক অলপতে দুয়োগৰাকী সাহিত্যিকে তেওঁলোকৰ ডিব্ৰুগড়ত থকা নিজা বাসভৱনত অসম বাৰ্তাৰ ফালৰ পৰা গৈ সন্মানিত কৰা হয়। উল্লেখযোগ্য যে অলপতে অসম বাৰ্তাৰ পঞ্চম বৰ্ষপূৰ্তি উপলক্ষে ডিব্ৰুগড়ৰ ড° ৰোহিনী কান্ত বৰুৱা আইন মহাবিদ্যালয়ত অনুষ্ঠিত কৰা অনুষ্ঠানত অৰণ্য মানৱ যাদৱ পায়েং, গৃহ ৰাজ্য মন্ত্ৰী ৰূপেশ গোৱালা, শিৱসাগৰ বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ মুৰব্বী ড° নিৰুপমা ভট্টাচাৰ্য, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ভীমকান্ত বৰুৱা, বিশিষ্ট লেখিকা, ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ভাৰতী দত্ত, খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়া, আৰু অসম বাৰ্তা কাকতলৈ বিশিষ্ট অৱদান আগবঢ়োৱা কেইবাগৰাকী জ্যেষ্ঠ কনিষ্ঠ সাংবাদিকক মানপত্ৰ, ফুলাম গামোচা আৰু একটিকৈ স্মাৰক প্ৰদান কৰা হৈছিল। উক্ত অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰা আৰু পিছত আন এক ডিব্ৰুগড়ৰ অনুষ্ঠানৰ মঞ্চত বিশিষ্ট সংগীত শিল্পী মানস ৰবীনক এই সন্মান আগবঢ়োৱা হয়। এই অনুষ্ঠানলৈ ড° নগেন শইকীয়া আৰু ড০ কৰবী ডেকা হাজৰিকাক আমন্ত্ৰণ জনোৱা হৈছিল যদিও বিশেষ কাৰণত তেওঁলোক উপস্থিত হ'ব পৰা নাছিল, সেয়েহে তেওঁলোকৰ বাসগৃহলৈ গৈ দুয়োগৰাকী সন্মানীয় ব্যক্তিক এটিকৈ অসম বাৰ্তাৰ স্মাৰক আৰু ফুলাম গামোচাৰে সন্মানিত কৰে অসম বাৰ্তাৰ সচিব ও প্ৰকাশক তনয় বৰা, ষ্টাফ ৰিপৰ্টাৰ এম হাছিম আলী আৰু নৱজিতা বৰা। ড° শইকীয়াই কাকত গোষ্ঠীক আশীৰ্বাদ জনোৱাৰ লগতে পৰৱৰ্তী কালত কাকতখনত নিয়ামীয়াকৈ স্তমভ লিখিব বুলিও কয়। কাকত গোষ্ঠীৰ হৈ ড° শইকীয়াৰ দীৰ্ঘায়ু আৰু সু স্বাস্থ্য কামনা কৰে সচিব গৰাকীয়ে।

# বি টি আৰ'ত বিজেপিৰ পৰা কোচ ৰাজবংশী জনগোষ্ঠীৰ প্ৰাৰ্থীত্ব দিবলৈ আহ্বান ঃ মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰদান

**অসম বাৰ্তা, বাসুগাঁও, ১০ জুলাই ঃ** বিটি আৰ'ৰ অন্তৰ্গত বাওখুংগ্ৰীত সাধাৰণ (অজনজাতি) বিধানসভা সমষ্টি নতুনকৈ গঠন কৰাৰ পিছতে এই সমষ্টিত আগন্তুক নিৰ্বাচনৰ বাবে কোচ ৰাজবংশী জনগোষ্ঠীৰ পৰা উপযুক্ত প্ৰাৰ্থীক ভাৰতীয় জনতা পাৰ্টীৰ পৰা প্ৰাৰ্থীত্ব আগবঢ়াবলৈ আহ্বান জনায়। বি টি আৰ পৰিষদত চল্লিশটা পৰিষদীয় সমষ্টিৰ কমেও পাঁচটা সমষ্টিত প্ৰাৰ্থীত্ব দিবলৈ আহ্বান জনোৱা হয়। বি টি আৰ এলেকাত আগন্তুক সমষ্টি পুনৰ সীমা নিৰ্ধাৰণত ছালাকাটি সমষ্টিটো কোচ ৰাজবংশী জনগোষ্ঠীৰ সংখ্যাগৰিষ্ঠতা বজাই ৰাখি সাধাৰণ সমষ্টি হিচাপে গঠন কৰিবলৈ দাবী উত্থাপন কৰে। ফকিৰাগ্ৰাম সাধাৰণ সমষ্টিটো কোচ ৰাজবংশী সংখ্যাগৰিষ্ঠতা বজাই ৰাখি সাধাৰণ সমষ্টি হিচাপে পুনৰ গঠন কৰিবলৈ দাবী জনোৱা হয়। বি টি আৰ পৰিষদীয় চৰকাৰত চৰকাৰী মনোনীত ছয় জনকৈ সদস্যৰ তালিকাত কোচ ৰাজবংশী জনগোষ্ঠী প্ৰাৰ্থী এজন অন্তৰ্ভূক্ত কৰাটো অন্যতম দাবী। বি টি আৰৰ অন্তৰ্গত সকলো পৌৰসভা, নিকায়-নিগমত কোচ ৰাজবংশী জনগোষ্ঠীৰ পৰা মনোনীত সদস্য, সদস্যা সভাপতি, উপ-সভাপতিৰ প্ৰাৰ্থী নিয়োগ কৰাৰ বাবে দাবী উত্থাপন কৰে। সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ কোকৰাঝাৰ জিলা সমিতিৰ সভাপতি দ্বিজেন্দ্ৰ নাথ বৰ্মন আৰু সম্পাদক মাধৱ চন্দ্ৰ ৰায়ে সাক্ষৰিত এক স্মাৰক পত্ৰ প্ৰদান কৰে।

# প্ৰাকৃতিক গেছ যোগানৰ বাবে অইল আৰু গেইলৰ মাজত ১৫ বছৰীয়া গেছ বিক্ৰী আৰু ক্ৰয় চুক্তি সম্পন্ন

**অসম বাৰ্তা, দুলীয়াজান, ১০ জুলাই ঃ** পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ অধীনস্থ ভাৰতৰ অন্যতম অগ্ৰণী মহাৰত্ন আপষ্ট্ৰীম তেল আৰু গেছ প্ৰতিষ্ঠান অইল ইণ্ডিয়া লিমিটেড আৰু অন্যতম মহাৰত্ন প্ৰতিষ্ঠান গেইল ইণ্ডিয়া লিমিটেডে এক বুজাবুজিৰ চুক্তিত স্বাক্ষৰ প্ৰদান কৰিছে। ১ জুলাইৰ পৰা কাৰ্য্যকৰী হোৱা এই চুক্তি অনুসৰি অইলৰ ৰাজস্থান গেছ ক্ষেত্ৰৰ পৰা প্ৰতিদিনে ৯০০, ০০০ মানক কিউবিক মিটাৰ প্ৰাকৃতিক গেছৰ যোগান ধৰিবলৈ চলি থকা গেছ বিক্ৰী আৰু ক্ৰয় চুক্তিখন অনাগত ১৫ বছৰলৈ বৰ্ধিত কৰা হয়। গেইলৰ নতুন দিল্লীস্থিত কৰ্পৰেট কাৰ্যালয়ত আনুষ্ঠানিকভাৱে অইলৰ কাৰ্যবাহী সঞ্চালক (ব্যৱসায় উন্নয়ন) ৰঞ্জন গোস্বামী আৰু গেইলৰ কাৰ্যবাহী সঞ্চালক (গেছ মাৰ্কেটিং) সুমিত কিশোৰে উক্ত চুক্তিত স্বাক্ষৰ প্ৰদান কৰে। এই চুক্তিখনে ঘৰুৱা গেছ ক্ষেত্ৰসমূহৰ পৰা গেছৰ উৎপাদন, পৰিবহণ আৰু বিতৰণৰ ক্ষেত্ৰত দুয়োখন মহাৰত্ন কেন্দ্ৰীয় ৰাজহুৱা



খণ্ডৰ প্ৰতিষ্ঠানৰ (চি পি এছ ই) দায়বদ্ধতাক প্ৰতিফলিত কৰিছে, য'ত ৰাষ্ট্ৰীয় শক্তি সুৰক্ষা আৰু সহজলভ্যতা বৃদ্ধিৰ বাবে তেওঁলোকৰ সমন্বিত দৃষ্টিভংগীৰ প্ৰকাশ পাইছে। সংগ্ৰহ কৰা গেছসমূহ ৰাজ্য চৰকাৰৰ অধীনস্থ বিদ্যুৎ উৎপাদন কেন্দ্ৰ মেছাৰ্ছ ৰাজস্থান ৰাজ্য বিদ্যুৎ উৎপাদন নিগম লিমিটেডলৈ বিদ্যুৎ উৎপাদনৰ উদ্দেশ্যে যোগান ধৰা হ'ব।

## মানুহ কবিতাৰ পৰা বিচ্ছিন নহয় ঃ ড° বসন্ত মংগল দত্ত

# যোৰহাটত কবি অনুভৱ তুলসীলৈ শ্ৰদ্ধাঞ্জলি

## উত্তৰ-পশ্চিম যোৰহাট কবি সন্মিলনৰ উদ্যোগ

**অসম বাৰ্তা, যোৰহাট, ১০ জুলাই ঃ** 'প্ৰতীক, চিত্ৰকল্প আদি কবিতাৰ সৌন্দৰ্য। নতুন প্ৰজন্মৰ কবিসকলে কবিতাত এনে সৌন্দৰ্য প্ৰয়োগ কৰিবলৈ অধ্যয়ন কৰিবই লাগিব। অধ্যয়ন আৰু সাধনাৰ দ্বাৰাহে কবি এজন পৈণত হৈ উঠে।' উত্তৰ-পশ্চিম যোৰহাট কবি সন্মিলনৰ ৰূপালী জয়ন্তী বৰ্ষৰ বিশেষ কাৰ্যসূচী হিচাপে আজি যোৰহাট প্ৰীতম ভৱনত অনুষ্ঠিত 'কবি অনুভৱ তুলসীলৈ শ্ৰদ্ধাঞ্জলি আৰু কবিতা পাঠ' অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰি এইদৰে কয় যোৰহাট জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট প্ৰাবন্ধিক ইন্দ্ৰজিৎ কুমাৰ বৰুৱাই। লগতে তেওঁ অনুভৱ তুলসীৰ কবিতাৰ জনপ্ৰিয়তা আৰু অসমীয়া কবিতাৰ নব্য ধাৰা সন্দৰ্ভত সাৰগৰ্ভ ভাষণ আগবঢ়ায় কয় অসমীয়া কবিতা বিশ্ব দৰবাৰত প্ৰতিষ্ঠা হৈছে যদিও কবিসকলৰ আৰু কিছু কৰণীয় আছে। উত্তৰ-পশ্চিম যোৰহাট কবি সন্মিলনৰ সভাপতি বিপুল হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে উত্তৰ-পশ্চিম যোৰহাট কবি সন্মিলনৰ ৰূপালী জয়ন্তী বৰ্ষৰ সভাপতি শ্যামলীমা বৰাই। সদৌ অসম কবি সন্মিলনৰ উপদেষ্টা, বিশিষ্ট কবি বিজয় কুমাৰ স্বৰ্ণকাৰে উদ্বোধন কৰা সভাত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে বিশিষ্ট সাহিত্যিক তথা যোৰহাট জিলা সাহিত্য সভাৰ পত্ৰিকা সম্পাদক জয়শ্ৰী শইকীয়াই। ইয়াৰ পিচতে কবি-সাহিত্যিক মাধুৰী শৰ্মা সভাপণ্ডিতৰ সঞ্চালনাত অনুষ্ঠিত কবি সন্মিলনত কবিতা পাঠ কৰে ভৱ গগৈ, কল্পনা বড়া, চুমী বৰা, ঊষা বৰা, মেঘালী দেৱী, চৰিফুন নিছা, জয়শ্ৰী শইকীয়া, বিপুল দুৱৰা, পিংকুমণি তামোলী, প্ৰজ্ঞানজ্যোতি ভূঞা, ডা: বিকাশ শৰ্মা, মফিদা বেগম, কুসুম শইকীয়া, অশান্ত ৰাতুল দত্ত আদিয়ে। কবিতা পাঠ কৰা প্ৰতিগৰাকী কবিক সম্বৰ্ধনা পত্ৰ, ফুলাম গামোচা আৰু গ্ৰন্থৰ টোপোলাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সদৌ অসম কবি সন্মিলনৰ কাব্য নন্দিনীৰ আহ্বায়িক মফিদা বেগম, বিশিষ্ট কবি ভৱ গগৈ, চিনামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী পিংকুমণি তামোলী আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থকা কবি সন্মিলনত ধেমাজিৰ মাছখোৱা স্নাতক মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° বসন্ত মংগল দত্ত পৰ্যালোচক হিচাপে উপস্থিত থাকি কয় মানুহ কবিতাৰ পৰা বিচ্ছিন নহয়। যুগে যুগে কবিতাই মানুহৰ জীৱনটোকে প্ৰতিফলিত কৰে। শ্যেকপীয়ৰৰ পৰা ছেলীলৈ ৰঘুনাথ চৌধুৰীপৰা হীৰেন ভট্টাচাৰ্যলৈকে সকলোৱে এই কথাটোকে প্ৰতিফলিত কৰিছে। আকাশবাণীৰ ঘোষিকা, বিশিষ্ট আবৃত্তিকাৰ গায়ত্ৰী দেৱীয়ে আঁত ধৰা অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী প্ৰসন্ন কলিতা, কেশৱ দাস, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দুৰ্লভ চন্দ্ৰ বৰাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। জোনাকী সংঘ বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ অদিভিং বৰাৰ ঘোষা পাঠেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত কবি অনুভৱ তুলসীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে উত্তৰ-পশ্চিম যোৰহাট কবি সন্মিলনৰ সভাপতি বিপুল হাজৰিকাই আৰু পুষ্পাঞ্জলি অৰ্পণৰ শুভাৰম্ভ কৰে ধেমাজি মাছখোৱা নগৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক গোবিন দত্তই। মিনু স্বৰ্ণকাৰে এটি গীত পৰিৱেশন কৰা অনুষ্ঠানত যোৰহাট সাহিত্য সভাৰ সভাপতি যুগল কিশোৰ আগৰৱালা, ড০ প্ৰতাপজ্যোতি দত্তকে ধৰি বহু গণ্য মান্য ব্যক্তি উপস্থিত থকা সভাৰ শলাগ জ্ঞাপন কৰে অশান্ত ৰাতুল দত্তই। শেষত সদৌ অসম কবি সন্মিলনৰ কাব্য মন্ত্ৰৰে সভাৰ সামৰণি পৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ ◆ Website : www.asombarta.in ◆ ◆ Facebook : \asombarta ◆ ◆ Instagram : \asom_barta ◆
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন